জুন 2003 Rs. 10/-

চান্দমামা

PARLE
নতুন
টেষ্টি বাৰ
চকলেটি মজাৰ সৈতে
PARLE
CHOX
TASTY CHOCOLATEY BAR
টকা
2
মাত্ৰ*
*MRP inclusive of all taxes. Net weight: 15g.
Visit: www.parleproducts.com

HERO
PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES


ভাৰতৰ পৌৰাণিক উপাখ্যান ২৫

স্বাস্থ্য ৰহস্য (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১৩

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ শিল্পসুন্দৰী...০৮ ★ পিশাচৰ পুণ্য...০৯ ★ মায়া সৰোবৰ...১৩ ★ স্বাস্থ্য ৰহস্য (বেতাল কাহিনী)...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান...২৫ ★ বিচিত্ৰ ভাৰত...২৯ ★ বুদ্ধি য'ত লাভ ত'ত ...৩০ ★ সংবাদ বিচিত্ৰা...৩৫ ★ হাৰিয়ানাৰ এটি লোককথা...৩৬ ★ ভাবী জোঁৱাই...৪২ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৪৪ ★ গণেশ...৪৫ ★ তামৰ মুদ্ৰাৰ মহিমা...৫১ ★ কোটিপতি...৫৬ ★ অজেয় গৰুড়...৬০ ★ খেলিমেলি ধেমালি...৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact :
DELHI
Mona Bhatia :
Ph: 011-26515111 / 26565513 / 26565516
Mobile: 98110-29092
MUMBAI
Sonia Desai :
Ph : 022-56942407 / 2408
Mobile: 98209-03124
CHENNAI
Shivaji : Ph : 044-22313637 / 22347399 Fax: 044-22312447
Mobile : 98412-77347
email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

Gautam Goswami
6-6-2003

সপোনৰ পৃথিৱীলৈ আমন্ত্ৰণ

মই নিশ্চিত যে তোমালোকৰ কণমানি ভাইটি ভন্টি আৰু তেওঁলোকৰ দৰে কণমানিহঁতৰ বাবে যুগুতাই উলিওৱা তোমালোকৰ আলোচনীৰ নতুন প্ৰয়াস জুনিয়ৰ চান্দমামাৰ বিষয়ে ইতিমধ্যেই তোমালোকে জানিব পাৰিছা । মই ইয়াক প্ৰয়াস বুলিছো । আচলতে ই-এটা দুঃসাহসিক অভিযান--ভাবৰ দুঃসাহসিক অভিযান । কণমানি শিশুহঁতৰ বাবে বাস্তৱিকতে অৰ্থবহ পঠন সামগ্ৰী যেনে, আনন্দ দিব পৰা প্ৰবন্ধ আৰু ছবি যিবোৰে তেওঁলোকক মাতৃভূমিৰ ঐতিহ্যৰ প্ৰতি সচেতন কৰি তুলিব, ঘাইকৈ এনে সাধু আৰু অলেখ প্ৰশ্নৰ সুবিধা থকা এখন আলোচনী উলিওৱাৰ প্ৰয়োজনৰ তাগিদাতে লোৱা হৈছে এই প্ৰকল্প । ইয়াৰ ৰূপায়ণৰ দায়িত্বত আছে উৎসৰ্গাৰ মনোভাৱেৰে কাম কৰা এটি দল ।

এই দিশত আমাৰ প্ৰচেষ্টাই এটা নতুন অনুপ্ৰেৰণা লাভ কৰে যোৱা ১০ এপ্ৰিল তাৰিখে, যিদিনা ভাৰতীয় গণৰাজ্যৰ ৰাষ্ট্ৰপতি শ্ৰী এ.পি.জে. আব্দুল কালামে এই নতুন আলোচনীখনৰ প্ৰথম কপিটো আনন্দেৰে গ্ৰহণ কৰে । নতুন আলোচনীখন দেখি তেওঁ খুব সন্তুষ্ট আৰু আমাৰ কণমানিহঁতৰ জীৱনত ই প্ৰাপ্য স্থান অধিকাৰ কৰিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে । সপোন দেখাৰ প্ৰয়োজনীয়তাৰ ওপৰত তেওঁ আৰোপ কৰা গুৰুত্বই আমাক অভিভূত কৰিছিল ।শিশুহঁতে সপোন দেখিবলৈ, আশাৰ ৰাজ্য গঢ়িবলৈ শিকিলে, ডাঙৰ কথা চিন্তা কৰিবলৈ শিকিলে আৰু সেই সপোন, সেই আকাংখ্যাক বাস্তৱত ৰূপায়িত কৰিবলৈ তেওঁলোকৰ সাহস আৰু ধৈৰ্য থাকিলেহে আমি আমাৰ শিশুসকলৰ এটা উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰো ।

এই মূল্যৱান পৰামৰ্শ আমি গভীৰ মনোযোগেৰে মানি চলিব পাৰিব লাগিব । কাইলৈৰ দিনটোৰে নতুন আশা আৰু সাহস কঢ়িয়াই আনিব বুলি সামূহিকভাৱে সপোন দেখিব পাৰিলেহে আমি ব্যক্তিগত জীৱনত সুখী হ'ব পাৰিম।

Visit us at : http://www.chandamama.org

সম্পাদক : বিশ্বম

হিৰোজ অভ্ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অভ্ ইণ্ডিয়া -২১

ধ্ৰুপদী সংগীতৰ ক্ষেত্ৰত ভাৰতৰ এটা চহকী ঐতিহ্য আছে। তলত কেইজনমান 'সংগীত' হিৰোৰ কথা কোৱা হৈছে। তুমি ইয়াৰে কেইজনৰ নাম জানা ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হ'ব। *

1. কাৰ্ণাটিক সংগীতৰ ত্ৰিমূৰ্ত্তিৰ কনিষ্ঠতম মই হ'লো মূলতে এগৰাকী বীণা বাদক। সংস্কৃত গীতৰ বাবে মই পশ্চিমীয়া সুৰ ব্যৱহাৰ কৰিছিলো। মই কোন ?

---

2. হিন্দুস্তানী সংগীত আৰু কাৰ্ণাটিক সংগীত উভয়তে মই গীত ৰচনা কৰিছিলো। মই ত্ৰাৱাংকুৰৰ মহাৰাজাও আছিলো। তুমি মোক জানানে বাৰু ?

---

3. মই এগৰাকী খ্যাতনামা ধ্ৰুপদ গায়ক। মই গোৱালিয়ৰৰ ৰাজা মান সিং টোমৰৰ ৰাজসভাত ৰাজকীয় সংগীতজ্ঞ আছিলো। তুমি মোৰ নাম জানানে?

---

4. এগৰাকী ভক্তি কবি (১৪৮৪-১৫৬৪) হিচাপে মই ৪৭৫,০০০ ভক্তিমূলক গীত ৰচনা কৰিছিলো। মই কোন ?

---

5. ১৪২৪ চনৰপৰা ১৫০৩ চনলৈ মই জীয়াই আছিলো আৰু তিৰুপতিৰ ভগৱান ভেংকটেশ্বৰৰ বন্দনাত মই প্ৰায় ৩২,০০০ প্ৰশস্তি গীত ৰচনা কৰিছিলো। মোৰ নাম কি ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা সংগীতৰ হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা সংগীতৰ হিৰো হ'ল...এই বিষয়ে ১০টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম...

বয়স..............................শ্ৰেণী......................................

ঠিকনা...

পিন..................................ফোন.......................................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 21
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০৩ চনৰ ৫ জুলাইৰ আগতে পোৱাকৈ উত্তৰ পঠাবা।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰপৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হ'ব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হ'ব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহ'ব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হ'ব।

FIRST COPY FOR THE FIRST CITIZEN

April 10, 2003, was a red-letter day for **Chandamama**, when the First copy of the first issue of ***Junior Chandamama*** was presented to His Excellency **Dr. A.P.J. Abdul Kalam**, President of India, who has endeared himself as a trusted friend of the children of India. He graciously accepted the magazine from the publishers who had called on him that evening. He was very appreciative of the publication and blessed the bold venture, launched after providing healthy reading for children for 56 years.

শিল্পসুন্দৰী

মহাৰাজ চন্দ্ৰশেখৰ দেৱগিৰিৰ শাসক আছিল । তেওঁ সমৰ্থৱান ৰজাতো আছিলেই, লগতে কলাৰ প্ৰতিও তেওঁৰ ৰুচি আছিল । কলাসন্মত সামগ্ৰী আৰু কলাৰ প্ৰতি শ্ৰদ্ধাশীল ব্যক্তিক তেওঁ বৰ আদৰ কৰিছিল । তেওঁ অনেক কলাকাৰক সন্মান যাচিছিল । দেশবিদেশৰ অনেক কলা কৃতিক তেওঁ নিজৰ কলা মন্দিৰত সুৰক্ষিত কৰি ৰাখিছিল । সেই কলাত্মক সম্পদবোৰ চাবলৈ দূৰ-দূৰণিৰপৰা মানুহ আহিছিল আৰু তেওঁলোকে ৰজাৰ কলাপ্ৰেমৰ ভূয়সী প্ৰশংসা কৰিছিল ।

মহাৰাজে বিচাৰিছিল কলামন্দিৰৰ বিকাশ আৰু আন আন পৰিকল্পনা কাৰ্য-ৰূপায়িত কৰিবলৈ এজন কলা অধিকাৰীক নিযুক্তি দিয়া হওক । তেওঁ ৰাজ্যৰ চুকে কোণে এনে এজন লোক লাগে বুলি ঘোষণা কৰোৱালে ।

ঘোষণাটো শুনি বহুতো কলাকাৰ আহিল । মহাৰাজে তেওঁলোকৰ নিপুণতাৰ পৰীক্ষা লৈছিল । শেষত তিনিজন কলাকাৰ বাচনিত উঠিল--মাধৱ, সাগৰ আৰু আনন্দ । ইয়াৰ মাজতে এজনক বাচনি কৰা হ'ব ।

মহাৰাজে তিনিওজনকে নিজৰ কলা মন্দিৰলৈ নি এগৰাকী শিল্পসুন্দৰীক দেখুৱাই ক'লে, "যিজনেই আটাইতকৈ বেচি মূল্য দিব পাৰিব, তেওঁৱেই গৰাকী হ'ব পাৰিব ।" তেতিয়া মাধৱে ক'লে, "মহাৰাজ, এই শিল্পসুন্দৰীৰ বাবে মই মোৰ গোটেইখিনি সম্পত্তি দিম ।"

সাগৰেও একেধৰণৰ কথাই ক'লে । কিন্তু আনন্দই ক'লে, "মহাৰাজ, কলাৰ উদ্দেশ্যই হ'ল সকলোকে আনন্দ দিয়া । এই আনন্দ কোনো এজন ব্যক্তিৰ ক্ষেত্ৰতহে সীমাবদ্ধ হোৱা অনুচিত । এই শিল্পসুন্দৰী কলামন্দিৰত থাকিলেই ইয়ালৈ অহা সকলো কলাপ্ৰেমীয়ে আনন্দত বিভোৰ হ'ব পাৰিব ।"

মহাৰাজে সুখী হৈ আনন্দৰ পিঠিত থপৰিয়াই ক'লে, "তুমিহে আচল কলাকাৰ । তুমিয়েই কলা অধিকাৰী পদৰ বাবে যোগ্য ব্যক্তি ।"

- আনন্দ ৰাও

পিশাচৰ পুণ্য

বহুত দিনৰ আগৰ কথা । গোবিন্দপুৰ নামৰ এখন গাঁৱত মাধৱ নামৰ এজন ওঠৰ বছৰীয়া যুৱক বাস কৰিছিল । সি ইমানেই অজলা আছিল যে কিবা বগা বস্তু দেখিলেই সি তাক গাখীৰ বুলি আৰু যিকোনো ক'লা বস্তুকে পানী বুলি ভ্ৰম কৰিছিল । শৈশৱতে সি তাৰ মাক বাপেকক হেৰুৱাইছিল । আইতাকে তাক ডাঙৰ-দীঘল কৰিছিল । কিছু দিনৰ ভিতৰতে সি আইতাককো হেৰুৱাইছিল ।

আইতাকৰ মৃত্যুৰ পাছত মাধৱ একেবাৰে অনাথ হৈ পৰিছিল । গাঁৱৰ ধনী মানুহখিনিৰ ঘৰত কাম কৰি মাধৱে কোনোমতে তাৰ পেট ভৰাইছিল । তেওঁলোকৰ পোহনীয়া জন্তুবোৰ চৰাবলৈ ওচৰৰ হাবিলৈ মাধৱে লৈ যাব লাগিছিল । গৰখীয়াৰ কাম কৰিব লগীয়া হোৱাতো মাধৱে দুখ পোৱা নাছিল ।

এদিন এনেকৈ আনদিনাৰ দৰে মুখেৰে গুণগুণাই গৰুবোৰ লৈ মাধৱে ইফালে সিফালে যাঁওতেই এজোপা গছৰ ওপৰত উঠি থকা এটা পুৰণা পিশাচে মাধৱক দেখিলে । ওচৰতে থকা দ্বিতীয় এটা নতুন পিশাচক সি ক'লে, "শুনাচোন, সেই যুৱকজনৰ কণ্ঠস্বৰ কেনে মধুৰ! তেওঁৰ গান শুনি মোৰ ভোকেই নোহোৱা হৈছে ।"

নতুন পিশাচে তেতিয়া ক'লে, "এঁওতো ওচৰৰ গাঁওখনতে থাকে । তেওঁৰ নাম মাধৱ । তেওঁ অনাথ । তেওঁৰ অন্তৰখনো বৰ মৰমিয়াল । তেওঁৰ সৰলতাৰ সুযোগ লৈ তেওঁক নগুৰ-নাগতি কৰা মানুহো কম নহয় ।" লগতে মাধৱৰ বিষয়ে সি আৰু অনেক কথা ক'লে ।

এইখিনি কথা মন দি শুনাৰ পিছত পুৰণা পিশাচে ক'লে, "তোমাৰ কথা শুনি মোৰ মনত এটা ভাল বুদ্ধি খেলাইছে । পাপ কাম কৰিয়েই আমি পিশাচ হ'লো । আমি যদি

কুসুম কুমাৰী

এইটো জীৱনৰপৰা মুক্তি পাব খোজো তেন্তে আমি কেইটামান পুণ্য কাম কৰিব লাগিব ।"

নতুন পিশাচে সুধিলে, "আমি কেনেকৈ মাধৱক সহায় কৰিব পাৰো ?" পুৰণা পিশাচে উৎসাহেৰে ক'লে, "মই ইয়াৰ উপায় দিম ৰ'বা । আঁহাচোন, মোৰ লগত আঁহা ।" এই বুলি কৈ দুয়ো গছৰপৰা নামি আহিল ।

পুৰণা পিশাচে সোণৰ মুদ্ৰাৰে ভৰা এটা টোপোলা মাটিলৈ দলিয়াই দিলে । মাধৱে গুণগুণাই সেই ফাললৈকে আহি আছিল । টোপোলাটো উঠাই মাধৱে খুলি চালে । টোপোলাটো খুলি ভিতৰত সোণৰ মুদ্ৰা দেখি আচৰিত হৈ মাধৱে চিঞৰি চিঞৰি ক'লে, "হে ভগৱান, ইমানবোৰ সোণৰ মুদ্ৰা !" তাৰ পিছত সি আকৌ ক'বলৈ ধৰিলে, "কোনো দুৰ্ভগীয়াৰ হাতৰপৰা পৰি গ'ল ছাগৈ । মই টোপোলাটো গ্ৰামাধিকাৰীৰ হাতত শোধাই দিম, তেওঁৰেই ইয়াৰ আচল মালিকজনক বিচাৰি উলিয়াব ।" এইবুলি কৈ মাধৱে টোপোলাটো নিজৰ পাগুৰিৰে মেৰিয়াই কঁকালত বান্ধি ল'লে ।

মাধৱৰ কাম দেখি পুৰণা পিশাচে ভোৰভোৰালে, "মই এঁওক ইমান অজলা বুলি কেতিয়াও ভবা নাছিলো । গৈ থৈ এতিয়া টোপোলাটো গ্ৰামাধিকাৰীৰ হাতত পৰিবগৈ ।"

নতুন পিশাচে হাঁহি হাঁহি ক'লে, "যেতিয়া তুমি টোপোলাটো সেই ঠাইত ৰাখিছিলা, তেতিয়াই মোৰ লাগিছিল, এনেকুৱা কিবা এটা হ'ব বুলি ।"

"তেন্তে আমিনো এঁওক কেনেকৈ সহায় কৰিব পাৰো ?" পুৰণা পিশাচে সুধিলে ।

"চোৱা, মাধৱ বিকলাংগ নহয় । তেঁওৰ হাত-ভৰি অকামিলা নহয় । তেঁও কৰা কামো ভাল । এনে এজন ল'ৰাক ধন সোণ দিয়াটোৰেই অৰ্থ হ'ব আমি তেঁওক সৎপথৰ পৰা আতৰাই আনিবলৈ চেষ্টা কৰা । ধন-সোণ হ'ল প্ৰাণহীন বস্তু, এইবোৰৰ ঠাইত আমি এঁওৰ বাবে কোনো প্ৰাণৱন্ত সংগী ঠিক কৰিব পাৰিলেহে ভাল হ'ব । সুখে-দুখে তেওঁক সংগ দিব পাৰিব, তেওঁৰ জীৱন সম্পূৰ্ণ কৰি তুলিব আৰু আত্মসন্মানেৰে সৈতে জীয়াই থাকিবলৈ তেওঁক ৰাস্তা দেখুৱাব পাৰিব । এনে এগৰাকী সংগী একলাখ সোণৰ মুদ্ৰাতকৈ বেছি কামৰ হ'ব ।" নতুন পিশাচে ক'লে ।

এই কথা শুনি পুৰণা পিশাচে আক্ৰোশেৰে ক'লে, "এহ, থোৱা দেও, এইবোৰ ডাঙৰ-ডাঙৰ নীতিৰ কথা মইয়ো জানো । কিন্তু এই দিশতনো আমি তেওঁক কেনেকৈ সহায় কৰিব পাৰো তাকে ভাঙি-

পাতি নোকোৱা কিয় ?”

“ৰ’বা, মই সকলো কম । তাৰ আগতে তুমি এজন ধনী মানুহৰ বেশ ধৰি এই বুলি কৈ টোপোলাটো লৈ আহাগৈ যে সেইটো আচলতে তোমাৰহে টোপোলা ।” নতুন পিশাচে ক’লে ।

পুৰণা পিশাচেও সেই পৰামৰ্শ মতেই কামটো কৰিলে । এইবাৰ নতুন পিশাচে ক’লে, “মন দি শুনা । মাধৱৰ গাঁৱতে মণি নামৰ এজনী ৰূপৱতী আৰু গুণৱতী ছোৱালী আছে । তাইৰ দেউতাক অলপতে ঢুকাইছে। চাৰিদিনৰ ভিতৰতে এটা মদাহী আৰু জুৱাৰী ল’ৰাৰ লগতে তাইৰ বিয়া হ’ব লগা আছে । অলপতে সি চুৰ কৰি ধৰা পৰি এতিয়া সৈনিকৰপৰা পলাই ফুৰিছে । সেই ল’ৰাটোৰ মামাকে এই বিয়াখন মণিৰ গাঁৱৰপৰাই পাতিব খুজিছে । তেওঁৰ ভয় হৈছে ল’ৰাটোৰ বিয়াখন যদি তাৰ গাঁৱৰপৰাই পতা হয়, তেন্তে সৈনিক তালৈ আহি ল’ৰাটোক বন্দী কৰি লৈ যাব পাৰে । এই ভয়তে দৰাঘৰীয়া লোক দহদিন আগতেই আহি মণিৰ ঘৰত বাহৰ পাতি আছেহি । সৈনিকসকলে গম পাইছে যে এই অপৰাধী এইখন গাঁৱ অভিমুখে আহি আছে। এতিয়া আমি এনেকুৱা কৰিব লাগিব ।” তাৰপাছত নতুন পিশাচে পুৰণা পিশাচৰ কাণত ফুচফুচাই দুটামান কথা ক’লে ।

পিছ মুহূৰ্ত্ততে দুটা পিশাচৰ এটাই ঘোঁৰাৰ ৰূপ ল’লে আৰু আনটোৱে চোৰৰ দৰে ভয়ত উধাতু খাই ৰাস্তাৰ ওপৰতে ওলালহি।

সৈনিসসকল লাঠী ঘূৰাই ঘূৰাই সেই ঠাইত ওলাইছিলহি । তেওঁলোকে ৰাস্তাৰ সোঁমাজতে ঘোঁৰাটো আৰু চোৰটো দেখিলে। আনন্দতে তেওঁলোকে চিঞৰিবলৈ ধৰিলে, “চোৰ ধৰা পৰিছে । হেৰ’ বদমাচ

পুৰকাৰ, মন্ত্ৰীৰ ঘৰত চুৰ কৰিবলৈ তোৰ ইমান স্পৰ্দ্ধা ! ৰ বুলি কৈছো শুনিছনে ? এইবুলি কৈ এজন সৈনিকে তাৰ ফালে ঢাপলি মেলিলে । ইফালে ঘোঁৰাৰ ৰূপ লোৱা পুৰণা পিশাচৰ পিঠিত চোৰৰূপী নতুন পিশাচে, মণিৰ গাঁৱ অভিমুখে ঘোঁৰা চেকুৰাই দিলে । সৈনিকেও পিছে পিছে আহি বিয়াঘৰত উপস্থিত হ’লহি ।

এনেতে পুৰণা আৰু নতুন পিশাচে নিজৰ নিজৰ ৰূপ সলাই ললে আৰু এটাই দৰাৰ ভিতৰত প্ৰবেশ কৰি সৈনিক সকলৰ ফালে আগুৱাই আহি সুধিলে, “তোমালোক কোনটো পক্ষৰ, দৰাঘৰীয়া নে ছোৱালী ঘৰীয়া ।”

এই প্ৰশ্নৰ উত্তৰত এজন সৈনিকে খঙেৰে ক’লে, “আমি হ’লো সৈনিক । চোৰৰ বাহিৰে আমি যাৰে-তাৰে পক্ষ ল’ব পাৰো। তুমিয়েই কমলপুৰৰ কনকৰ ল’ৰা কমলেশ

নহয়নে ? মন্ত্ৰীৰ ঘৰত চুৰ কৰাৰ অপৰাধত তোমাক গ্ৰেপ্তাৰ কৰা হৈছে । তোমাক বন্দী কৰি লৈ যাবলৈকে আমি ইয়ালৈ আহিছো।”

তেতিয়া কমলেশৰ দেউতাক কনকে ক'লে, “মোৰ ল'ৰা চোৰ বুলি মই নাভাবো। যি কি নহওক প্ৰথমতে বিয়াৰ মাংগলিক কাম-কাজ হৈ যাবলৈ দিয়া । তাৰপাছতেই আমি কথা পাতিম ।”

কনকৰ কথা শুনি দুজন সৈনিকে অট্টহাস্য কৰি ক'লে, “দেখিছো বাপেক পুতেকে কেৱল চুৰি কাৰ্যতেই সন্তুষ্ট হোৱা নাই, এতিয়া বিয়া পাতি এজনী সৰল ছোৱালীৰ জীৱনটোও ধ্বংস কৰিবলৈ আগবাঢ়িছে । ব'লা প্ৰথমতে ইয়াৰপৰা ওলোৱাচোন ।” এইবুলি কৈয়েই এজন সৈনিকে কমলেশক বান্ধি লৈ বিয়াঘৰৰপৰা উলিয়াই লৈ গ'ল ।

বিয়াঘৰত কান্দোনৰ ৰোল উঠিল । তেনেতে কইনাঘৰৰ এগৰাকী মহিলাৰ দেহত সোমাই থকা আনটো পিশাচে কইনাৰ মাকক সান্ত্বনা দিলে, “কান্দিছা কিয়? তুমিতো আনন্দহে পোৱা উচিত । বাপেক-পুতেকৰ আচল ৰূপ জানিব পাৰিলা । তোমাৰ ছোৱালীৰ বাবে সুযোগ্য বৰ লাগে যদি মোৰ কথা শুনা । মাধৱক তুমি জানা নহয় । সি ধনৱান নহয় ঠিকেই, কিন্তু গুণৱান । সি অতি পৰিশ্ৰমী । কাৰোপৰা দয়া কৰি সি একো বস্তু আশা নকৰে । তুমি তোমাৰ ছোৱালীক মাধৱলৈ বিয়া দিলে । কোনো অসুবিধা নোহোৱাকৈ তুমি আৰু তোমাৰ ছোৱালীয়ে জীৱন কটাব পাৰিবাহঁক । কোৱা, তুমি কি ভাবা ?”

সকলোৱে নতুন পিশাচৰ কথাত হয়ভৰ দিলে । কইনা মণিয়ে নিজৰ চকু মোহাৰি মোহাৰি ক'লে, “মাধৱ কিমান ভাল ল'ৰা সেই কথা মই জানো । তেওঁ যদি মোক বিয়া কৰিবলৈ ৰাজী হয় তেন্তে সেইয়া মই মোৰ সৌভাগ্য বুলি ধৰিম ।”

মাধৱে সেই সময়ত অতিথিসকলৰ আদৰ আপ্যায়নত ব্যস্ত আছিল । মানুহে আহি তাক সকলো কথা ক'লহি । কেইমুহূৰ্ত্তমানৰ বাবে তাৰ মুখৰ মাত হৰিল, কিন্তু পিছত সি মণিক বিয়া কৰিবলৈ সন্মতি দিলে । সেইদিনাই মাধৱ আৰু মণিৰ বিবাহ সম্পন্ন হ'ল । সকলোৱে দৰা-কইনাক সুখী জীৱনৰ আশীৰ্বাদ দিলে ।

দুই পিশাচে বিয়াখন দেখি বৰ আনন্দ পালে । সিহঁতে ভাবিলে যে দুয়োটাই এটা ভাল কাম কৰি পুণ্য আৰ্জিব পাৰিছে । তাৰ পিছত দুয়ো বিয়া ঘৰৰপৰা নিশব্দে আতৰি গ'ল ।

মায়া সৰোবৰ

১৫

(হাঁহে টনা ৰথখনৰ ওপৰত আক্ৰমণ কৰা জলবৃক ৰাক্ষসসকলক জয়শীল আৰু তেওঁৰ অনুচৰসকলে বন্দী কৰিলে । মায়া সৰোবৰেশ্বৰ আৰু কাঞ্চনমালা ৰথৰপৰা যিখন অৰণ্যত পৰি গৈছিল, তাৰপৰা বগা ধোঁৱা ওপৰলৈ উঠি অহা দেখি সকলো সেই দিশে অগ্ৰসৰ হ'ল । ইয়াৰ পাছত)

হাঁহে টনা ৰথখন যেতিয়া শূণ্যতে লুটি খাই গ'ল, তেতিয়া তাৰপৰা ওফৰি মায়া সৰোবৰেশ্বৰ, কাঞ্চনমালা আৰু ৰথৰ সাৰথী অৰণ্যৰ বেলেগ বেলেগ স্থানত পৰিলগৈ । মায়া সৰোবৰেশ্বৰতো এটা বিচিত্ৰ অভিজ্ঞতা হ'ল ।

হাঁহে টনা ৰথখনৰপৰা মায়া সৰোবৰেশ্বৰ যিখন ঠাইত পৰিছিল, তাতেই বাস কৰিছিল কিছুমান নৰভোজী মানুহ । এসপ্তাহ ধৰি সিহঁতে অৰণ্যত চিকাৰ কৰিবলৈ এটাও জন্তু বিচাৰি পোৱা নাছিল । ইয়াৰ কাৰণ আছিল চিকাৰৰ সন্ধানত বাঘৰ এটা দল আহি সেই ঠাইত উপস্থিত হৈছিলহি । এই দলটোৱে, অৰণ্যত পোৱা প্ৰতিটো চিকাৰেই, মাৰি ভক্ষণ কৰিছিল । দলটোৰ গুজৰণি শুনি বনৰীয়া জন্তুবোৰ ভয়তে পেঁপুৱা লাগি ওচৰৰ পাহাৰ এটা পাৰ হৈ দূৰলৈ পলাই গৈছিল ।

নৰভোজীসকলৰ চৰ্দাৰৰ নাম আছিল শ্বেৰসিং । সি গম পাইছিল যে তাৰ কিছুমান অনুচৰ তাৰ দল এৰি পলোৱাৰ চেষ্টাত আছে । সি ভাবিছিল যে তাৰ উপৰি পুৰুষৰ দিনৰপৰা থাকি অহা এইখন ঠাই এৰি যোৱাটো মহা পাপ হ'ব । তাৰ মতে এই ঠাই এৰি গ'লে সেই বটবৃক্ষৰ ছাঁয়াত থকা শিথিলালয়ৰ



অৰণ্য দেৱতাক লাগিলে বছৰত এবাৰকৈ হ'লেও নৰমাংসৰ নৈবেদ্য দিব কোনে ? এই দৰে নিজৰ আৰাধ্য দেৱতাৰ সময়মতে পূজা অৰ্চনা নহ'লে তাৰ কুফল গোটেই জাতিটোৱে ভোগ কৰিব লাগিব ।

শ্বেৰসিঙে মনত ভাবিলে যে যিকোনো উপায়েৰে তাৰ জাতিৰ লোকসকলক এই ঠাই এৰি যোৱাৰপৰা বাৰণ কৰিব লাগিব । এই কামৰ বাবে প্ৰয়োজনীয় শক্তি লাভৰ আশীৰ্বাদ বিচাৰি সি বটবৃক্ষৰ তলত থকা অৰণ্য দেৱতাৰ মন্দিৰ অভিমুখে ৰাওনা হ'ল ।

সেই মন্দিৰটো অতি প্ৰাচীন আছিল । মন্দিৰটোত দেৱাল নাছিল । বাৰিষা ধুমুহা-বৰষুণৰ পৰা ৰক্ষা পাবলৈ বনৰীয়া জীৱ-জন্তুবোৰ ৰাতি আহি মন্দিৰটোতে আশ্ৰয় লৈছিলহি ।

সেইদিনা ঠিক সূৰ্যোদয়ৰ সময়ত শিথিলালয়ত উপস্থিত হৈ শ্বেৰসিঙে এটা অদ্ভুত দৃশ্য প্ৰত্যক্ষ কৰিলে । অৰণ্য দেৱতাৰ মূৰ্তিৰ সমুখত এটা বিৰাটকায় অজগৰে এটা কুকুৰনেচীয়া বাঘক মেৰিয়াই ধৰিছে । কিন্তু তাৰ মূৰটো কুকুৰনেচীয়া বাঘটোৰ মুখৰ ভিতৰত বন্দী হৈছিল ।

এই দৃশ্য দেখি শ্বেৰসিং থৰহৰি কম্পমান হ'ল । সি সেই সময়তে পলাব খুজিছিল, কিন্তু পুনৰ সাহস গোটাই অৰণ্য দেৱতাক সাষ্টাঙ্গে প্ৰণিপাত কৰি ক'লে, "হে অৰণ্য দেৱতা । তোমাৰ কি বিচিত্ৰ মহিমা । যোৱা এসপ্তাহ ধৰি আমি ভোকত কপ্‌কপাই আছো । আমি তোমাৰ ভক্ত । আমাৰ ওপৰত তোমাৰ কৃপাদৃষ্টি পৰা নাই । এই অদ্ভুত দৃশ্য দেখুৱাই তুমিনো আমাক কি আদেশ দিব খুজিছা ?"

ইয়াৰ কেই মুহূৰ্ত্তমানৰ পাছত ওচৰৰ শিলৰ দ'ম এটাৰ আঁৰৰপৰা এটা বনৰীয়া মেকুৰীয়ে চিঞৰি উঠিল, "আ...উ...। মি...আ...উ...।"

"এইটোওতো আৰু এটা অদ্ভুত ঘটনা । বৃদ্ধ পূজাৰী গণাচাৰীয়েহে ইয়াৰ গূঢ়াৰ্থ উলিয়াব পাৰিব ।" এইবুলি কৈ শ্বেৰসিঙে তাৰ জাতিৰ লোকসকলক চিঞৰি চিঞৰি সিহঁতৰ ফালে আগবাঢ়ি আহিল ।

সেই সময়ত নৰভোজী জাতিটোৰ পুৰুষ-মহিলা, বৃদ্ধ-ডেকা সকলোৱে অৰণ্যৰ ভিতৰত এখন মুকলি পথাৰত বহি লৈ নিজৰ ভোক নিবৃত্তিৰ বাবে মাটিৰ তলৰ পাচলি আদিয়েই খোৱা ভাল হ'ব নেকি, এই লৈ তৰ্ক-বিতৰ্ক চলাই আছিল । শিথিলালয়ৰপৰা উধাতু খাই দৌৰি অহা শ্বেৰসিঙে চিঞৰি ক'লে, "অৰণ্য দেৱতাই আমাক চকু মেলি চাইছে । গণাচাৰী পূজাৰী ক'ত আছে ?"

সকলো নৰভোজীয়ে একেলগে সিহঁতৰ চৰ্দাৰৰ ফালে চালে । তাৰ কথাকেইটাতে সিহঁতি যেন হৰিণাৰ আৰু বনৰীয়া গাহৰিৰ কোমল মাংসৰ সোৱাদহে পালে । নৰভোজী

লোকসকলৰ মাজৰে কেইটামান ডেকা ল'ৰাই অস্থিৰ হৈ সুধিলে, "চৰ্দাৰজী, অৰণ্য দেৱতাৰ মন্দিৰত হৰিণ আৰু বন গাহৰি আহি আশ্ৰয় লোৱা নাইতো ? আমি ঢাল-তৰোৱাল লৈ ওলাই আঁহো নেকি ? সম্ভৱতঃ আমাৰ দেৱতাই আমাৰ আহাৰৰ বাবে এই জন্তুবোৰক ইয়ালৈ পঠিয়াই দিছে ।"

শ্বেৰসিঙে এবাৰ চাৰিওফালে চাই পঠিয়ালে আৰু ক'তো গণাচাৰীক নেদেখি হুংকাৰ কৰি উঠিল, "হেৰ' নিষ্কৰ্মাহঁত, মই সুধিছো কি আৰু তহঁতি কৈছ কি ? বৃদ্ধ গণাচাৰী আছে ক'ত নকৰ কিয়? অৰণ্য দেৱতাৰ মন্দিৰত মই যি দৃশ্য দেখিলো, তাৰ নিশ্চয় কিবা গূঢ়াৰ্থ আছে । এই ৰহস্যৰ মেৰপাক খুলিব পাৰিব কেৱল গণাচাৰীয়েহে। যা, তেওঁক তৎক্ষণাৎ মাতি আনগৈ ।"

গণাচাৰীয়ে কিছু দূৰৈত এজোপা গছৰ ছাঁত বহি ভোকতে কেলঢোপ কেলঢোপ কৰি আছিল । ল'ৰাবোৰৰ মুখত শ্বেৰসিঙে এই খবৰ পাই, নিজে আহি গণাচাৰীৰ ওচৰ পালেহি । মন্দিৰত দেখা দৃশ্যৰ বৃত্তান্ত শুনাই সি ক'লে, "গণাচাৰী, এই দৃশ্যৰ ৰহস্য কি? ইয়াৰ অৰ্থ বাৰু এইটো নেকি যে দেৱতাই আমাৰ ওপৰত কৃপাদৃষ্টি ৰাখিছে আৰু শীঘ্ৰেই আমি পৰ্যাপ্ত মাত্ৰাত জন্তুৰ মাংস খাবলৈ পাম।"

গণাচাৰীয়ে এইবোৰ কথালৈ মন নিদি অন্যমনস্ক হৈ ক'লে, "পূজাৰীৰ কাম কৰোতে কৰোতেই মোৰ চুলি বগা হ'লহি । অৰণ্য দেৱতাই কোনো কথাই পৰিষ্কাৰকৈ নকয় । তেওঁৰ সকলো কথাই ৰহস্যময় । মোৰ কিন্তু এনে অনুভৱহে হৈছে যে আমাৰ জাতিৰ লোকসকলেও অন্য অৰণ্যবাসী জাতিৰ দৰে হাততে যি পায় তাকেহে খাবলৈ শিকা উচিত ।"

বৃদ্ধ গণাচাৰীৰ কথা শেষ নৌ হওঁতেই শ্বেৰসিঙে ওচৰতে থিয় হৈ থকা এটা ডেকা ল'ৰাৰ হাতৰপৰা লাঠি এডাল থাপ মাৰি আনি গণাচাৰীক একোব শোধাই ক'লে, "হেৰ' মহাপাপী ! তুমি কি এইটো কথাও পাহৰি গ'লা নেকি যে আমাৰ জাতিয়ে মাংস এৰি অন্য পদাৰ্থ আনকি স্পৰ্শও কৰা অনুচিত ।"

একোব খাই গণাচাৰী এইবাৰ বহাৰপৰা উঠি থিয় হ'ল আৰু চুলিখিনি জোকাৰি লৈ চিৎকাৰ কৰি উঠিল, "হে মোৰ অৰণ্য দেৱতা ।" তাৰপিছত চৰ্দাৰক ক'লে, "হেৰা শ্বেৰসিং, এতিয়া ভাল্‌কৈ কোৱাচোন, আচলতে কথাটো কি ? তোমাৰ কোব খাই মোৰ ভোক পলাবলৈ লৈছে আৰু মোৰ মুখত উল্লাসৰ চিন স্পষ্ট হৈ আহিছে ।" এইবুলি কৈ গণাচাৰীয়ে জঁপিয়াই গছৰ ডাল এটাত খামুচি ধৰিলে আৰু এটা বান্দৰৰ দৰে ডুলিবলৈ ধৰিলে ।



শ্বেৰসিঙৰ আদেশ পাই দুই তিনিটামান নৰভোজী যুৱকে গণাচাৰীক তাৰ ভৰিত ধৰি টানি নমাই আনিলে আৰু তাৰ কঁকালত ধৰি থিয় কৰাই দিলে । তেতিয়া শ্বেৰসিঙে বৃদ্ধ গণাচাৰীক মন্দিৰৰ ঘটনা আদ্যোপান্ত বিবৰি ক'লে ।

এইবাৰ গণাচাৰীয়ে গোটেইখিনি কথা মনোযোগেৰে শুনিলে, মূৰ দাঙি কিছু সময় আকাশৰ ফালে চালে, তললৈ মূৰ দোঁৱাই অলপমান মাটি হাতত তুলি ল'লে আৰু মন্ত্ৰ গাই মাটিখিনি উপস্থিত সকলোৰে গাত ছটিয়াই দিলে । উৎসাহেৰে গণাচাৰীয়ে পুনৰ ক'লে, "ইয়াত এখন খালী পথাৰত জুই জ্বলাই এটা ডাঙৰ কেৰাহীত পানী গৰম কৰা। ইয়াৰ মাজতে কেইজনমান লোক গৈ অৰণ্য দেৱতাৰ মন্দিৰৰপৰা অজগৰ, কুকুৰনেচীয়া বাঘ আৰু বনৰীয়া মেকুৰীটো ইয়ালৈ লৈ আহাগৈ ।"

"মই নাভাবো বনৰীয়া মেকুৰীটোৱে এতিয়াও শিলৰ মাজত বহি থাকি আমাৰেই অপেক্ষাত আছে । অজগৰ আৰু কুকুৰনেচীয়া বাঘে ইমান সময়ে ইটোৱে সিটোক বধ কৰিলে ছাগৈ । তথাপিও মই এই আটাই কেইটাকে এতিয়াই অনাৰ ব্যৱস্থা কৰিছোঁ ৰ'বা ।" শ্বেৰসিঙে ক'লে ।

"বনৰীয়া মেকুৰীটো যদিহে বিচাৰি পোৱা নাযায় তেন্তে সি যিটো শিলত বহি মি-য়া-ও, মি-য়া-ও কৰি চিঞৰি আছিল, অন্ততঃ সেই শিলটোকে উঠাই আনিব লাগিব । সেই শিলটোও উতলা পানীৰ কেৰাহীত ভৰাই দিব লাগিব ।" বৃদ্ধ গণাচাৰীয়ে চকু ৰঙা কৰি ক'লে।

"অৰণ্য দেৱতাই তেওঁৰ মন্দিৰত এই অদ্ভুত দৃশ্য দেখুৱালে কিয় ? আমি কি শীঘ্ৰেই অৰণ্যত জন্তু পাম নেকি ?" শ্বেৰসিঙে সুধিলে ।

এই প্ৰশ্ন শুনিয়েই গণাচাৰীয়ে জিকাৰ খাই উঠিল আৰু নিজৰ চুলিখিনি মোহাৰি মোহাৰি চিঞৰি উঠিল । "মইনো কোন ? মই অৰণ্য দেৱতা ? মোৰ কৃপাদৃষ্টি পালে তোমালোকে কেৱল জীৱজন্তুৰ মাংসই নহয়, আনকি মানুহৰ মাংসও খাবলৈ পাবা । এতিয়া উঠা, ব'লা ।"

ইয়াৰ পাছত কেইজনমান মানুহে গছবোৰৰ মাজতে থকা খালী ঠাইখিনিত এটা ডাঙৰ গাঁত খান্দিলে । তাৰ ওপৰতে পানীৰে পূৰ্ণ এটা ডাঙৰ কেৰাহী ৰাখি তলত জুই ধৰিলে । কেইজনীমান গাভৰু ছোৱালী আগবাঢ়ি আহি জুইকুৰা ফুৰাবলৈ ধৰিলে । ক্ষন্তেক সময়ৰ পাছতে আকাশলৈ বগা ধোঁৱা উঠি গ'ল ।

সেই সময়তে মায়া সৰোবৰেশ্বৰৰ হাঁহে টনা ৰথখন চিলনীয়ে আক্ৰমণ কৰিছিল । হাঁহবোৰ ভয়তে ইফালে সিফালে যোৱাত

ৰথখন লুটি খাই পৰিল । কেৱল অংগৰক্ষকে ৰথখনৰ এটা খুটা সাবটি ধৰি তলত নপৰাকৈ থাকিল, কিন্তু ৰথৰ সাৰথী, ৰজা কনকাক্ষৰ কন্যা কাঞ্চনমালা আৰু মায়া সৰোবৰেশ্বৰ ওপৰৰপৰা তললৈ সৰি পৰিল ।

সেই সময়তে অহা ভীষণ বতাহে তিনিওজনকে বেলেগ বেলেগ দিশত গৈ দূৰত পেলালেগৈ। চুলিখিনি আউল-বাউল হৈ থকা বৃদ্ধ গণাচাৰীয়ে তললৈ সৰি পৰা মায়া সৰোবৰেশ্বৰক দেখি চিঞৰি উঠিল, "বাহ ! ভোকত আধামৰা হোৱা আমাৰ জাতিৰ ওপৰত অৰণ্য দেৱতাই অনুগ্ৰহ কৰিছে । চোৱাচোন চোৱা ! আমাৰ বাবে আহাৰৰ ৰূপত মানৱকে পঠিওৱা হৈছে । কেৰাহীত পানী সোনকালে গৰম কৰা। মানৱ, অজগৰ, কুকুৰনেচীয়া বাঘ তথা বনৰীয়া মেকুৰী এই ইমানবোৰ প্ৰাণীৰ মাংস প্ৰথমে অৰণ্য দেৱতাৰ নৈৱেদ্যৰ ৰূপত আগবঢ়াব লাগিব । ইয়াৰ পাছত আমি অৰণ্যত জীৱ-জন্তুৰ মাংস ভৰপূৰ ৰূপত পাম।"

হাঁহে টনা ৰথৰপৰা পিচলি পৰি তললৈ সৰি পৰাটো মায়া সৰোবৰেশ্বৰৰ বাবে নিশ্চয় দুৰ্ভাগ্যৰ কথা আছিল, কিন্তু সৌভাগ্যবশতঃ তেওঁ তললৈ আহি নৰভোজীয়ে গৰম কৰা পানীৰ কেৰাহীটোতে আহি পৰিলহি । তেওঁ পানীত এটা জুবুৰ মাৰি লাহেকৈ চিঞৰি ওপৰলৈ উঠিল আৰু কেৰাহীৰ কাষবোৰত ধৰি চাৰিওফালে এবাৰ চাই পঠিয়াওঁতে তেওঁ চাৰিওফালে নৰভোজীসকলক দেখি ভয় খাই উঠিল ।

বৃদ্ধা গণাচাৰীয়ে মিচিকিয়াই হাঁহি তেওঁৰ ওচৰলৈ আহি ক'লে, "অৰণ্য দেৱতাই আমাৰ কাৰণে দুৰ্বল মানৱ নহয়, মঙহাল

মানৱ পঠিয়াইছে আৰু আমাৰ কষ্ট লাঘৱ কৰিবলৈ পোনে পোনে উতলা পানীৰ কেৰাহীতে পেলাই দিছেহি ।"

গণাচাৰীৰ মুখত এই কথা শুনি মায়া সৰোবৰেশ্বৰে গম পালে যে তেওঁ কেৱল অৰণ্য জাতিয়েই নহয়, বৰঞ্চ নৰভোজী লোকৰ হাতত বন্দী হৈছে । এই কথা ভাবি থাকোতেই কেৰাহীত উতলিবলৈ ধৰা পানীত তেওঁৰ শৰীৰ জ্বলিবলৈ আৰম্ভ কৰিলে ।

মায়া সৰোবৰেশ্বৰে চিৎকাৰ কৰি কেৰাহীৰপৰা বাহিৰ ওলাবলৈ চেষ্টা কৰিলে। তাকে দেখি বৃদ্ধ গণাচাৰীয়ে হাতত এডাল জ্বলা খৰি লৈ তেওঁক লক্ষ্য কৰি চিঞৰি উঠিল, "অৰণ্য দেৱতাই আমাৰ আহাৰৰ ৰূপত পঠিওৱা হেৰা মানৱ ! তুমি যদি কেৰাহীৰ পানীৰপৰা ওলাই আহিবলৈ চেষ্টা কৰা তেন্তে তোমাক কেৰাহীৰ তলৰ পকা অঙঠাত পুৰি পেলোৱা হ'ব । খবৰদাৰ !"

এই কথা শুনি মায়া সৰোবৰেশ্বৰে গম

পালে যে তেওঁৰ মৃত্যু অৱধাৰিত । কিন্তু তথাপিও গৰম পানীত পুৰি মৰাটো বৰ পীড়াদায়ক কথা । যিকোনো উপায়েৰে হ'লেও তেওঁ কেৰাহীৰপৰা বাহিৰ ওলাই আহিব লাগিব । ভাবি ভাবি তেওঁ এটা বুদ্ধি উলিয়ালে । তেওঁ এনেকুৱা অভিনয় কৰিলে যে গণাচাৰীক যেন তেওঁ এটা ডাঙৰ ৰহস্যৰ কথাহে ক'বলৈ ওলাইছে । তেওঁ অনুচ্চ কণ্ঠৰে ক'লে, "তুমিয়েই অৰণ্য দেৱতাৰ গণাচাৰী নোহোৱা জানো ? তেতিয়াহ'লে এই ৰহস্যৰ কথা তোমাক ক'বই লাগিব । তোমাৰ দেৱতাই মোৰ লগতে আৰু তিনিজন লোকক তোমালোকৰ আহাৰৰ ৰূপত পঠিয়াইছে ।"

নৰভোজী পূজাৰী গণাচাৰীয়ে বিস্ময়ত অভিভূত হৈ সুধিলে, "সেই কেইজন লোক তেন্তে আছে ক'ত ?"

"খুব সম্ভৱ, ৰাস্তা ভুল কৰি তেওঁলোক আন কোনো ঠাইত পৰিলহি । কিন্তু তুমি যদি মোক তোমাৰ লগতে লৈ ওলোৱা তেন্তে মই তেওঁলোকক বিচাৰি দিব পাৰো ।" মায়া সৰোবৰেশ্বৰে ক'লে ।

গণাচাৰীয়ে এইকথা বিশ্বাস কৰি ল'লে। সি তৎক্ষণাৎ মায়া সৰোবৰেশ্বৰক কেৰাহীৰ পানীৰপৰা উঠাই আনিলে আৰু এজনক আদেশ দিলে এই গোটেইখিনি কথা অৰণ্য দেৱতাৰ মন্দিৰলৈ যোৱা শ্বেৰসিঙক কৈ আহিবলৈ । ইয়াৰ পাছত আন চাৰিজন লোকক লৈ গণাচাৰীয়ে মায়া সৰোবৰেশ্বৰক লৈ অৰণ্য অভিমুখে যাত্ৰা আৰম্ভ কৰিলে আন তিনিজন মানৱৰ সন্ধানত।

তেওঁলোকে অৰণ্যৰ বিভিন্ন ঠাইত ঘূৰি মেলি চালে । এঠাইত এজোপা গছৰ তলত তেওঁলোকে ৰথৰ সাৰথিৰ চাবুকডাল দেখা পালে । "মোৰ ৰথৰ সাৰথি আৰু কাঞ্চনমালা এইজোপা গছৰ ডালত লাগি ধৰিব পায় ।" এই কথা ভাবি মায়া সৰোবৰেশ্বৰে ওপৰলৈ মূৰ দাঙি চালে । সেই গছজোপাৰ ডালত কোনো নাছিল, কিন্তু ওপৰত হাঁহে টনা ৰথখন উৰি থকা দেখা গ'ল ।

সেই সময়তে ওপৰলৈ উঠি অহা বগা ধোঁৱা দেখি সিদ্ধসাধক আৰু মকৰকেতুও নৰভোজীৰ ঠাই অভিমুখে অগ্ৰসৰ হৈছিল । সিদ্ধসাধকে নিজৰ বাহন নৰবান্দৰক হেঁচুকি দি চিঞৰি উঠিল "জয় মহাকাল ।" এই চিঞৰ শুনি মায়া সৰোবৰেশ্বৰ আৰু তেওঁৰ লগত থকা আটাইবোৰ লোক ভয়তে আপাদমস্তক কঁপি উঠিল । *(ক্ৰমশঃ)*

রজা বিক্রম আৰু বেতালৰ নতুন কাহিনী

স্বাস্থ্য ৰহস্য

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌনভাৱে তেওঁ শ্মশানৰ ফালে যাবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তোমাৰ এই পৰিশ্ৰম দেখি মোৰ তোমাৰ ওপৰত দয়া উপজিছে । কিন্তু অন্ততঃ এটা কথা তুমি মোক ক'ব পাৰা । এই কষ্ট তুমি নিজৰ বাবে কৰিছা নে আন কাৰোবাৰ বাবে কৰিছা । মই এনেকুৱা অনেক সাহসী আৰু কৰ্মপটু ব্যক্তিৰ কথা জানো যি নিজৰ লাভৰ কাৰণেই কঠোৰ পৰিশ্ৰম কৰিছিল । কিন্তু কেতিয়াবা এনেকুৱা লোকৰো মানসিক শক্তি কমি আহে আৰু লক্ষ্যপ্ৰাপ্তিৰ আগতেই তেওঁলোকে কৰি থকা কামটো আধাতে বাদ দিয়ে । তোমাৰ দুৰৱস্থা দেখি মোৰ

এনেহে লাগিছে যে পৰিস্থিতিৰ পাকত পৰি আন কাৰোবাক দিয়া প্ৰতিশ্ৰুতি পালনৰ নিমিত্তেই তুমি ইমান কষ্ট সহি আছা । পিছে অপাত্ৰক দান কৰাটো যিমান বেয়া, অপাত্ৰক প্ৰতিশ্ৰুতি দিয়াটোও সিমানেই বেয়া । উদাহৰণ স্বৰূপে মই তোমাক পুষ্কৰ আৰু বিলাসৰ কাহিনী শুনাম । নিজৰ ভাগৰ দূৰ কৰিব পৰাকৈ তুমি এই কাহিনীটো মন দি শুনা ।" এইবুলি কৈ বেতালে নিজৰ কাহিনী ক'বলৈ আৰম্ভ কৰিলে ।

পুষ্কৰে গোটেই দিনটো কঠোৰ পৰিশ্ৰম কৰিছিল, তথাপিও সি পেট ভৰাই খাবলৈ পোৱা নাছিল । তাৰ উপাৰ্জন যথেষ্ট নাছিল । নিজৰ দুখেভৰা জীৱনৰ কথা ভাবি সি প্ৰায়েই চিন্তাগ্ৰস্ত হৈ আছিল । তাৰ নিজৰ ওপৰতেই ঘৃণা উপজিছিল ।

এদিন এটি বিবাহ মণ্ডপত পুষ্কৰে কাম পালে । কুঁৱাৰপৰা পানী তোলা, বাচন-বৰ্তন ধোৱা আদি তাৰ কাম আছিল । গোটেই দিনটো অতিথিসকলৰ অহা-যোৱা চলি আছিল । যিয়েই আহিছিল তেওঁকেই আথে-বেথে বহুৱাই সুস্বাদু আহাৰ খাবলৈ দিয়া হৈছিল । প্ৰতিটো খোৱাবস্তু দেখিলেই জিভাৰ পানী পৰিছিল । এবাৰ খোৱাৰ পিছত, খাদ্যৰ প্ৰশংসা কৰিবলৈ কোনেও পাহৰা নাছিল । মাজে সময়ে পুষ্কৰকো কিবা-কিবি একোটা খাবলৈ দিয়া হৈছিল । সেয়েহে অতি স্ফূৰ্তিৰে পুষ্কৰে তাক দিয়া প্ৰতিটো দায়িত্বই পালন কৰি গৈছিল ।

ৰান্ধনিৰ প্ৰশংসা কৰি সি কৈছিল, "তোমালোকে বনোৱা খাদ্য কেনে সুস্বাদু! প্ৰতি দিনাই ক'ৰবাত নহয় ক'ৰবাত তোমালোকে এনেকুৱা এটা কাম পোৱাই নিশ্চয় । মোকো তোমালোকৰ লগতে ল'বাচোন । মোক দিয়া প্ৰতিটো দায়িত্বই মই সুচাৰুৰূপে পালন কৰিম । পেট ভৰাই মই খাবলৈ পাম । তোমালোক বাৰু মোক মাতিবানে কোৱাচোন ।"

পুষ্কৰৰ কথা শুনি এজন ৰান্ধনিয়ে হাঁহি হাঁহি ক'লে, "তুমি দেখিছো বেচ ভোজনপ্ৰিয় । আমি তোমাৰ ইচ্ছা পূৰণ কৰিব নোৱাৰিম, কিয়নো আমি এইটো কাম সদায় নাপাঁও । ইয়াৰ বাহিৰেও এই কামটো মণ্ডপৰ ঠিকাদাৰৰ কোনোবা নহয় কোনোবাই কৰি পেলায় আৰু দৰা বা কইনাৰ ঘৰৰ মানুহে আন আন কামবোৰৰ বাবে তোমাৰ দৰে এজন ভৃত্য ৰাখি লয় । তোমাক সদায় এনেকুৱা সুস্বাদু আহাৰ লাগে যদি তুমি কোনোবা ডাঙৰ মানুহৰ ঘৰত জন্মিব লাগিছিল ।"

ডাঙৰ মানুহৰ ঘৰত প্ৰতি দিনে এনেকুৱা সুস্বাদু খাদ্য খাবলৈ পোৱা যায় এই কথা প্ৰথম বাৰলৈ শুনি পুষ্কৰ আচৰিত হ'ল । সি তেনেকৈ তধা লাগি থৰ হোৱাত ৰান্ধনিজনে সুধিলে, "কিহে, এতিয়ালৈকে তুমি ডাঙৰ মানুহৰ ঘৰত কাম কৰাই নাই নেকি? সেইবোৰ মানুহে ঘৰতে ৰেচমী কাপোৰ পিন্ধে ; সুস্বাদু খাদ্য খায় । কোমল

বিচনাত শুৱে, মুঠতে সকলো সুখ উপভোগ কৰে।" এ নেকৈৰান্ধনিয়ে আৰু বহুত কথা ক'লে।

এই গোটেই কথাখিনি শুনি পুষ্কৰৰ নিজৰ জীৱনটো অসাৰ যেন লাগিল । তাৰ হঠাতে ডাঙৰ মানুহ হোৱাৰ বাসনা জাগি উঠিল, লাগিলে ইয়াৰ বাবে সি যি পন্থাই ল'ব লগীয়া নহওক কিয় । গাঁৱৰ বাহিৰত থকা মন্দিৰলৈ নতুনকৈ এজন সাধু আহিছিল । সাধুক লগ ধৰি পুষ্কৰে তাৰ দুখৰ কাহিনী ক'লে ।

পুষ্কৰৰ কথা শুনি সাধুৱে মিচিকিয়াই হাঁহি ক'লে, "বাচা, বৃক্ষই একে ঠাইতে স্থিৰ হৈ থাকিয়েই আমাক মিঠা মিঠা ফল দিয়ে । নদী মাতৃয়ে টৌৰ কলৰৱ তুলি গোটেই দেশতে ঘূৰি ফুৰি আমাক মিঠা জল প্ৰদান কৰে । এই সৃষ্টিত প্ৰত্যেকৰে কাম কৰাৰ ধৰণ বেলেগ বেলেগ । অধিক বা কম বুলি কোনো কথা নাই । তুমি যাক সুখ বুলি ভাবিছা, সেইটো সুখ নহয় বা তুমি যিটোক কষ্ট বুলি ভাবিছা, সেইটো কষ্ট নহয় । এই সংসাৰত বিনা পৰিশ্ৰমে কোনেও একো নাপায়, তেওঁৰ পেট নভৰে । ভগৱানেই এই আটাইবোৰ নিয়ম বান্ধি দিছে ।

সাধুৰ এই সান্ত্বনা কথাবোৰেও পুষ্কৰৰ মন ঘূৰাব নোৱাৰিলে । কোনো ডাঙৰ মানুহৰ ঘৰত যাতে তাৰ জন্ম হয় তাৰ বাবে পুষ্কৰে সাধুক অনুনয় বিনয় কৰিলে ।

তেতিয়া সাধুৱে তাক অলপ বিশল্যকৰণী দি ক'লে, "ওচৰৰে গাঁৱখনত বিলাস নামৰ এজন আঢ্যৱন্ত লোক বাস কৰে । দুবছৰৰ আগতে তেওঁৰ পত্নীৰ বিয়োগ ঘটিছে । বেহা-বেপাৰৰ কামত তেওঁৰ দুজন পুত্ৰ বিদেশত আছেগৈ । সম্পৰ্কীয় এগৰাকী ভগ্নীয়ে সদ্যহতে তেওঁক চোৱা-চিতা কৰি আছে । তোমালোক দুয়ো এই বিশল্যকৰণী হাতত লৈ মনতে ভাবিবা যাতে এজনে আনজনৰ শৰীৰত প্ৰৱেশ কৰিব পাৰা ।

ইয়াকে কয় পৰদেহ প্ৰৱেশ । দুয়োজনৰ শৰীৰ অদল-বদল হ'ব ।"

"স্বামী, আপুনি কৈছে যে বিলাস আঢ্যৱন্ত আৰু ভাগ্যৱান ব্যক্তি । তেওঁ মোৰ শৰীৰত প্ৰৱেশ কৰিবলৈ জানো ৰাজী হ'ব" সন্দেহভৰা স্বৰত পুষ্কৰে সুধিলে ।

"নিশ্চয় ৰাজী হ'ব । যোৱা কিছু বছৰ ধৰি তেওঁ তোমাৰ দৰে এজন লোকৰেই সন্ধানত আছে । কিন্তু এই কাম কৰিবলৈ যোৱাৰ আগতে ভাবি-গুণি ল'বা । তুমি হ'লা যুৱক । তেওঁ জীৱনৰ বিয়লি বেলাত উপনীত হৈছে । এই পৰদেহ প্ৰৱেশৰ অৰ্থই হ'ব তুমি তেওঁক তোমাৰ যৌৱন দিবলৈ ওলাইছা ।" সাধুৱে পুষ্কৰক সাৱধান কৰি ক'লে ।

"মোৰ বাবে বয়সতকৈ সুখহে ডাঙৰ কথা । কাউৰীৰ দৰে সদায় জীয়াই থকাতকৈ হাঁহৰ দৰে ছমাহ সুখেৰে জীয়াই থাকিব পৰাটো অনেকগুণে ভাল ।" এইবাৰ পুষ্কৰৰ কণ্ঠত আছিল দৃঢ়তা ।



“চোৰা, ৰূপৰ মায়াত ভুল যোৱা অনুচিত। এই সংসাৰত কাউৰীয়েনো কি দিব পৰা নাই বা হাঁহেইনো দিছে কি ? মানুহে খুব ভাবি-চিন্তিহে কোনো এটা সিদ্ধান্তলৈ অহা উচিত।” এইবুলি কৈ সাধুৱে পুষ্কৰক আকৌ এবাৰ সতৰ্ক কৰি দিলে।

পিছে সাধুৰ কথা শুনিবলৈ তেতিয়া পুষ্কৰৰ আহৰি নাছিল। পিছদিনাই সি বিলাসক লগ ধৰিবলৈ বুলি ওলাল। বিলাসক লগ পাই পুষ্কৰে তাৰ ইচ্ছা প্ৰকট কৰিলে।

বিলাসে আনন্দ মনেৰে ক'লে, “মই তোমাৰ দৰে এজন লোকৰেই প্ৰতীক্ষাত আছো। এতিয়াৰপৰা মোৰ শৰীৰ তোমাৰ আৰু তোমাৰ শৰীৰ মোৰ হ'ব। যেতিয়ালৈকে তুমি বিচাৰা তেতিয়ালৈকে আমি এই অৱস্থাতেই থাকিম।”

ইয়াৰ পাছত বিশল্যাকৰণীৰ সহায়ত ইজনে আনজনৰ শৰীৰত প্ৰবেশ কৰিলে। পৰদেহ প্ৰবেশ সম্পন্ন হ'ল। তেতিয়াৰেপৰা পুষ্কৰ হ'ল ঘৰৰ মালিক আৰু বিলাস হ'ল সেই ঘৰৰ ভৃত্য। শৰীৰ পৰিৱৰ্তনৰ পাছত পুষ্কৰৰ উৎসাহ বাঢ়ি গ'ল। মিঠাই খাবলৈ তাৰ তীব্ৰ বাসনা জাগিল। সি বিলাসৰ ভগ্নীক মাতি আনি ক'লে, “ভনী আজি মিঠাই বনোৱাবা।”

বিলাসৰ ভনীয়েকে ৰান্ধনিৰ হতুৱাই বিশটা লাড়ু বনোৱালে আৰু পুষ্কৰৰ শৰীৰত থকা বিলাসৰ আগত সেইখিনি ৰাখি লৈ ক'লে, “হেৰা পুষ্কৰ, তুমি যি দিনাৰেপৰা কামত ধৰিছা, সেই দিনাৰেপৰা তোমাৰ ভাগ্য উদয় হৈছে। তুমি যিমান পাৰা সিমান লাড়ু খোৱা, কিন্তু মালিকৰ চকুৰ আগত এই কাম কৰিবা। আজি কিছু দিন ধৰি তেওঁ এটা ৰোগত আক্ৰান্ত হৈছে, ঠিকমতে ইয়াৰ চিকিৎসা কৰোৱাব পৰা হোৱা নাই। তেওঁ যিখিনি খাব নোৱাৰে সেইখিনি তেওঁৰ ভৃত্যই খোৱা দেখিলেই তেওঁ আনন্দ পাব।”

পুষ্কৰৰ শৰীৰৰ ভিতৰত থকা বিলাসে চকুৰ পচাৰতে চাৰিটা লাড়ু খাই উঠি ক'লে, “আজি বহুদিনৰ পাছত ইমান সুস্বাদু লাড়ু খোৱা হ'ল।”

ইফালে বিলাসৰ শৰীৰৰ ভিতৰত থকা পুষ্কৰে নিজকে নিজেই ক'লে, “যিটো শৰীৰত মই প্ৰবেশ কৰিলো, সেই শৰীৰ লাগিলে যিমানেই ৰোগাক্ৰান্ত নহওয় কিয়, মিঠাই নোখোৱাকৈ মই থাকিব নোৱাৰো,” এইবুলি কৈ পুষ্কৰেও দুটা লাড়ু খালে।

বিলাসৰ ভনীয়েকে তাক বাধা দি ক'লে, “ককাইদেউ, তুমি এইয়া কি কৰিলা ? যি হ'ল, হ'ল হ'ল আৰু। এতিয়া নদীৰ পাৰলৈ তীব্ৰ বেগে খোজ কাঢ়ি ওভতি আঁহাগৈ। বৈদ্যইতো সদায় কৈয়েই আহিছে যে নিয়মীয়াকৈ ব্যায়াম কৰি থাকিলে যিহকে মন যায় তাকে খাব পাৰি। কিন্তু তুমিতো একেবাৰে এলেহুৱা। অলপ দূৰলৈয়ো তুমি খোজ কাঢ়িব নোখোজা। এনেকুৱা আলস্য ভাল নহয়।”

দুয়ো নদীৰ পাৰলৈ খৰকৈ গৈ ঘূৰি আহিল । সেই সময়তে বিলাসৰ অস্বাস্থ্যকৰ শৰীৰত থকা পুষ্কৰে এটাৰ পিছত আনটো অসুবিধাত ভুগিবলৈ ধৰিলে । ইয়াৰ আগতে কঠোৰ পৰিশ্ৰম কৰাৰ পাছতো সি নিজৰ পেট ভৰাই খাবলৈ নাপাইছিল । কিন্তু এতিয়া সি যি বস্তুকে খাবলৈ বিচাৰে সেইটোকে বিনা পৰিশ্ৰমে খাবলৈ পোৱাত তাৰ হাতত মাত্ৰ এটা উপায় ৰ'লগৈ, সেইটো হ'ল ব্যায়াম । সেয়েহে সি প্ৰতি দিনে বিভিন্ন ধৰণৰ ব্যায়াম কৰিবলৈ ধৰিলে । এইদৰে কেইমাহমান ধৰি একেৰাহে ব্যায়াম কৰাৰ পাছত পুষ্কৰৰ শৰীৰত থকা বেমাৰবোৰ এটা এটাকৈ নোহোৱা হ'ল ।

ইফালে, পুষ্কৰৰ শৰীৰত থকা বিলাসেও অনেক সমস্যাৰ মুখামুখি হ'ব লগীয়া হৈছিল । শৰীৰৰ শক্তি থকা সত্ত্বেও ভৃত্যৰ কাম কৰিবলৈ তেওঁৰ কোনো অভিৰুচি নাছিল । সদায় তেওঁ বহি বহি খাবলৈ ইচ্ছা কৰিছিল । এনেকৈ দিনবোৰ লাহে লাহে পাৰ হৈ গৈ থাকিল । বিলাসৰ শৰীৰৰ ভিতৰত থকা পুষ্কৰে বিলাসক অতি বেছি কাম জাপি দি তেওঁৰ পৰা কামবোৰ আদায় কৰিবলৈ ধৰিলে । লগতে তাক সেৱা-শুশ্ৰূষা কৰাৰ কামো ল'লে বিলাসৰপৰা ।

এদিন পুষ্কৰৰ ভিতৰত থকা বিলাসে আক্ৰোশেৰে ক'লে, "মোৰ কাৰণেই তুমি ধনী হৈ উঠিলা । কৃতজ্ঞতা স্বৰূপে তুমি মোক আদৰ কৰা উচিত । ঘৰৰ কাম-বন কৰিবলৈ তুমি আন কোনো ভৃত্যক ৰাখা । মোক সুখেৰে থাকিবলৈ দিয়া ।"

পুষ্কৰে বিলাসৰ দাবী আওকাণ কৰি ক'লে, "মই বিচৰা ধৰণে কাম কৰি যোৱা । অন্যথা আমি আকৌ শৰীৰ অদল বদল কৰি নিজৰ ইচ্ছা অনুসাৰে জীৱন কটাম ।"

ঘৰৰ কাম কৰোতে অসুবিধা হৈছিল ঠিকেই, কিন্তু যুৱক পুষ্কৰৰ শৰীৰত থকাৰ বাবে বিলাসে

ইমান সোনকালে সেই শৰীৰ এৰাৰ পক্ষপাতী নাছিল ।

এইদৰেই এবছৰ পাৰ হ'ল । এদিন সাধুৱে দুয়োজনকে লগ ধৰিবলৈ আহিল । দুয়োজনে সাধুক সবিনয়ে প্ৰণাম কৰিলে আৰু নিজৰ নিজৰ অভিজ্ঞতাৰ কথা জনালে । তেতিয়া সাধুৱে পুষ্কৰক ক'লে, "এবছৰ ধৰি তুমি বিলাসৰ শৰীৰত থাকিলা । ধন থাকিলে যি যি সুখ পোৱা যায়, সেই গোটেইখিনিয়েই তুমি পালা । এতিয়া তুমি বিলাসৰ শৰীৰ এৰি দি নিজৰ শৰীৰত প্ৰৱেশ কৰা ।"

পুষ্কৰে তৎক্ষণাত উত্তৰ দিলে, "মই এনে কৰিবলৈ ৰাজী আছো । কিন্তু মোৰ এটা চৰ্ত্ত আছে । ইয়াৰ পাছত বিলাসে মোক তেওঁৰ ঘৰত ভৃত্য হিচাপে ৰাখিব লাগিব ।"

এই কথা শুনি বিলাসে খঙেৰে ক'লে, "মই এঁওক নিশ্চয় মোৰ ভৃত্য কৰি ৰাখিলোহেঁতেন । কিন্তু এতিয়া মোৰ শৰীৰত থকা পুষ্কৰ কৃতঘ্ন । ঘৰৰ মালিক হোৱা সত্ত্বেও মোৰপৰা এঁও সকলোখিনি

কাম আদায় কৰিছে, এঁও যে মোৰ কিমান নগুৰ-নাগতি কৰিছে। এনেকুৱা এজন কৃতঘ্নক কেনেকৈ ভৃত্য কৰি ৰাখিব পাৰি ? এইটো জানো ন্যায়সংগত হ'ব ?"

তেতিয়া সাধুৱে কঠোৰ স্বৰেৰে ক'লে, "এইটো একেবাৰে ন্যায়সংগত হ'ব। তোমালোক দুয়োজনেই ইজনে আনজনৰ বাবেই শাৰীৰিক আৰু মানসিক সমস্যাৰপৰা মুক্ত হৈছা। আৰু পুষ্কৰ কৃতঘ্ন নহয়।" "এইবুলি কৈ সাধুৱে বিশল্যকৰণীৰ সহায়ত দুয়োজনকে নিজৰ নিজৰ শৰীৰত প্ৰবেশ কৰোৱালে আৰু আশীৰ্বাদ দি যাবলৈ ওলাল।

বেতালে এই কাহিনী শুনোৱাৰ পাছত ৰজা বিক্ৰমাদিত্যক ক'লে, "ৰাজন, সাধুৰ কথাত ন্যায়ো নাই বা নৈতিক মূল্যও নাই। তেওঁ যে ক'লে পুষ্কৰ কৃতঘ্ন নহয়, সেইকথা বাৰু অবাস্তৱ নহয়নে ? বিলাস আৰু পুষ্কৰৰ মাজৰ যি আচল সমস্যা আছিল, সেইটোৰ সমাধানৰ নিমিত্তে সাধুৱে নিজৰ বাক-চাতুৰ্যৰে বাৰু প্ৰকৃত পথ দেখুৱাব পাৰিলেনে ? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থকা তেনেহ'লে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

বিক্ৰমাদিত্যই ক'লে, "সাধু কেৱল মহান শক্তিৰেই ভাণ্ডাৰ নহয়, মানুহৰ স্বভাৱ সম্পৰ্কেও তেওঁৰ উত্তম জ্ঞান আছে। পুষ্কৰক যে তেওঁ কৃতঘ্ন বুলি মানি নল'লে ইয়াতেই এটা মহান সত্য লুকাই আছে। বয়সে ভাটি দিয়া বিলাসৰ শৰীৰত প্ৰবেশ কৰাৰ পাছত পুষ্কৰে গম পালে কি কাৰণত বিলাস ৰোগৰ চিকাৰ হৈছিল। তেওঁ বিলাসবহুল জীৱনৰ দাস হৈছিল। সৰু কাম এটা কৰিবলৈয়ো তেওঁ ভাল নাপাইছিল। ব্যায়ামৰপৰা তেওঁ বহু দূৰত আছিল। তেওঁ ৰুগীয়া হোৱাৰ ইয়েই প্ৰধান কাৰণ আছিল। পুষ্কৰে জানি লৈছিল আৰোগ্য ৰহস্য। সি নিবিচাৰিছিল যে গোটেই যৌৱনটো সি বিলাসৰ দৰে ৰোগবোৰ কঢ়িয়াই ফুৰিব লগীয়া নহয় তাৰ বাবে তাৰ শৰীৰত থকা বিলাসকো সি পৰিশ্ৰম কৰিবলৈ বাধ্য কৰিছিল। ঘৰৰ সকলো কাম কৰাইছিল। এনেকুৱা কৰাৰ বাবেই নিজৰ শৰীৰৰ প্ৰতি সচেতন হৈ উঠিব পৰা গৈছিল আৰু লগতে বিলাসকো কাম কৰাটো এটা অভ্যাস কৰি ল'বলৈ বাধ্য কৰিলে। এই পুষ্কৰে পৰোক্ষভাৱে হ'লেও বিলাসৰ উপকাৰ কৰিলে। এইবোৰ কাৰণতে পুষ্কৰক কৃতঘ্ন বুলি কোৱাটো কদাপি ন্যায়সংগত নহ'ব।"

ৰজাৰ মৌনতা ভঙাত সফল হৈ বেতালে শটোৰ সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল।

সৌভাগ্যৰ চমৎকাৰ



জগন আৰু সুকুমাৰ নামৰ দুজন বন্ধু এদিন মহানগৰীলৈ যাবলৈ ও'লাল । জগনে তেওঁৰ এজন অসুস্থ আত্মীয়ক চোৱাৰ কথা আছিল আৰু সুকুমাৰৰ অলপ বজাৰ-সমাৰ কৰিবলৈ আছিল । পথটো যিহেতু বৰ দীঘলীয়া আছিল, সেয়ে তেওঁলোকে এখন হাবিৰ মাজেৰে চমু বাট-এটা ল'বলৈ ঠিক কৰিলে ।

এসময়ত এই হাবিত এটা দুৰ্গ আছিল । কিন্তু এখন যুদ্ধত দুৰ্গটো প্ৰায় ধ্বংস হৈছিল । দুৰ্গৰ ভৱনবোৰৰ ধ্বংসাৱশেষহে ৰৈছিলগৈ আৰু তাৰ আশপাশে গছ-লতা গজি উঠিছিল ।

দুয়ো বন্ধু এই ধ্বংসাৱশেষৰ মাজেদি গৈ থাকোতেই হঠাতে এজাক ডবাপিতা বৰষুণ আহিল । দুয়োজনে এখন ধ্বংসপ্ৰায় মূধচৰ তলত আশ্ৰয় ল'লে । হঠাতে তেওঁলোকৰ সমুখত থকা এটা জৰাজীৰ্ণ খুটা বাগৰি পৰিল । ইয়াৰপৰা সোণৰ বিস্কুটেৰে ভৰপূৰ এটা কলহ ওলাই তেওঁলোকৰ আগতে পৰিলহি । দুয়ো বন্ধু আনন্দত আত্মহাৰা হ'ল । কি অভাৱনীয় সৌভাগ্য !

"ইয়াকেই বোলে সৌভাগ্য," কলহটো প্ৰথমে দেখা জগনে ক'লে, "আমি দুয়োজনে এইখিনি ভগাই লোৱা উচিত আৰু আনৰ সমৃদ্ধি আৰু কল্যাণৰ নিমিত্তে এই সোণখিনি কামত লগোৱা উচিত ।"

"অঁতো, আমি ঠিক এইটোকে কৰা উচিত" সুকুমাৰে ক'লে । "কিন্তু আমি দিনে দুপৰে এই সোণখিনি ঘৰলৈ নিয়া অনুচিত । তাতে এই পুৰণা কলহটো দাঙি নিওতে ভাঙি যোৱাৰ সম্ভাৱনা । আমি এটা মজবুত মোনা লৈ ৰাতিয়েই অহা ভাল হ'ব যাতে এই সোণখিনি আমি ঘৰলৈ লৈ যাব পাৰো," তেওঁ প্ৰস্তাৱ দিলে ।

জগনে দেখিলে প্ৰস্তাৱটো বেয়া নহয় । দুয়োজনে এটা গাঁত খান্দি কলহটো লুকুৱাই থলে ।

বৰষুণ বন্ধ হোৱাৰ পাছত দুয়ো পুনৰ যাত্ৰা আৰম্ভ কৰি দুপৰীয়া সময়ত মহানগৰী পালেগৈ । এইবুলি ঠিক কৰা হ'ল যে নিজৰ নিজৰ কাম শেষ কৰি দুয়ো সূৰ্যাস্তৰ পাছত এটা অতিথিশালাত লগ লাগিব ।

জগনে তেওঁৰ আত্মীয়ক দেখা কৰিবলৈ গ'ল। কিন্তু সুকুমাৰে পোনে পোনে হাবিলৈ ঘূৰি আহি কলহৰপৰা সোণখিনি উলিয়াই এটা মজবুত মোনাত ভৰালে আৰু মোনাটো এটা গাঁত খান্দি লুকুৱাই থ'লে । গাঁতটো তেওঁ শিলেৰে ঢাকি থলে । তাৰ পাছত আন এজাক বৰষুণৰ মাজতে তেওঁ মহানগৰীলৈ আহিল । পূৰ্ব-নিৰ্দ্ধাৰিত সময়মতে তেওঁ অতিথিশালাত জগনক লগ ধৰিলেহি ।

"তুমি আকৌ তিতিলা কেনেকৈ ?" জগনে সুধিলে । আনন্দত মজি থকা সুকুমাৰে এইটো প্ৰশ্নৰ কোনো উত্তৰ আগতীয়াকৈ ভাবি থোৱা নাছিল । ঘেঁহাই ঘেঁহাই তেওঁ উত্তৰ দিলে যে তেওঁ আচলতে বেছিকৈ ঘামিছেহে । "তোমাৰ বজাৰ-সমাৰ কৰা হ'লনে ?" নিষ্কলুষ মনেৰে জগনে সুধিলে ।

এইবাৰো সুকুমাৰে ঘেঁহাই ঘেঁহাই উত্তৰ দিলে যে তেওঁ কিনা বয়-বস্তুবোৰ এজন আত্মীয়ৰ ঘৰত এৰি থৈ আহিল । অৱশ্যে, সোণখিনি ঘৰলৈ নিবলৈ বুলি তেওঁ এটা মোনা বেলেগকৈ কিনি আনিছে ।

বাটত যাঁওতে সুকুমাৰে বৰ উত্তেজনাত ভোগাৰ অভিনয় কৰিলে । তেওঁ বন্ধুক ক'লে, "জগন, তুমিয়েই কলহটো প্ৰথমে দেখিছিলা । তুমি সোণখিনিৰ মোটকৈ এটা ডাঙৰ ভাগ লোৱা উচিত।"

"এনেকৈ কোৱাটো তোমাৰ মহানতাৰ পৰিচায়ক । কিন্তু সোণখিনি আমি সমানে ভগাই লোৱা উচিত । অৱশ্যে আমি দুয়োজনে গাঁৱৰ কাৰণে ইয়াৰ এটা অংশ খৰচ কৰা উচিত । তুমিতো জানাই, এটা শতিকাৰ আগেয়ে এজন ৰজাই আমাৰ গাঁৱত এটা সৰোবৰ খন্দাইছিল । আজি এইটো এটা বোকাময় ডোবাত পৰিণত হৈছে । সেইটোকে খান্দি-মেলি আমি আগৰ ৰূপলৈ অনা উচিত ।" জগনে ক'লে ।

"এইটোতো বৰ ভাল আঁচনি," সুকুমাৰে ক'লে । প্ৰায় মাজৰাতি তেওঁলোক ধ্বংসস্তূপত পৰিণত হোৱা দুৰ্গ পালেগৈ । কিন্তু জগনে এইয়া



কি দেখা পালে ? কলহটো মুখলৈকে বোকাৰে ভৰি আছে ।

"ইয়াকেই কয় দুৰ্ভাগ্য, জগন ! আমি নিশ্চয় আমাৰ যোৱাটো জনমত কাৰোবাক প্ৰতাৰণা কৰিছিলো । সেয়েহে ভগৱানেও আমাক এইদৰে প্ৰতাৰণা কৰিলে । ভাগ্যই আমাক সোণখিনি দেখুৱাই দিছিল আৰু আমি সেইখিনি লৈ যাবলৈ সাজু হওঁতেই সোণখিনি বোকালৈ পৰিৱৰ্ত্তিত হ'ল ।" সুকুমাৰে কপালত চপৰিয়াই কান্দিবলৈ আৰম্ভ কৰিলে ।

পিছে বন্ধুৱেনো আচলতে কি কৰিলে সেইকথা নুবুজিবলৈ জগন সোণখিনি বুৰ্বক নাছিল । কিন্তু তেওঁ ক্ৰোধান্বিত নহৈ সুকুমাৰক এইবুলি সান্ত্বনা দিলে, "চাবলৈ গ'লে সোণখিনিতো আমি উপাৰ্জন কৰা নাছিলো । এইটো এটা সপোন আছিল বুলি তুমি ধৰি লোৱা। আমাৰ একো হেৰুৱা নাই । কিয়নো সোণখিনি আমাৰ নাছিলেই ।"

সুকুমাৰে তৎক্ষণাৎ নিজৰ কান্দোন বন্ধ কৰিলে । ঠিক পিছদিনাই সুকুমাৰে অকলে হাবিলৈ গৈ সোণখিনি লৈ আহিলগৈ । সোনকালেই সমৃদ্ধিয়ে সুকুমাৰক ঘেৰি ধৰিলে । তেওঁ ব্যৱসায়ত লাভ কৰা সফলতাৰ বাবেই এনে হোৱা বুলি মানুহক কৈ ফুৰিলে । পিছে সত্য কথাটো জগনৰ জনা আছিল । আৰু এটা অভিনৱ উপায়েৰে নিজৰ ভাগৰ সোণখিনি অনাৰ কথাটো তেওঁ ভাবি আছিল । তেওঁৰ চোতালত জগনে, বহি থকা ভংগীমাত সুকুমাৰৰ এটা মাটিৰ মূৰ্তি বনোৱালে। ঘৰচীয়া জীৱ-জন্তু তেওঁ বৰ ভাল পাইছিল । বাকীবোৰ জন্তুৰ লগতে তেওঁৰ আছিল নতুনকৈ পুহিবলৈ লোৱা দুটা বান্দৰৰ পোৱালি । মূৰ্তিটোৰ কোলাত, কান্ধত আৰু মূৰত তেওঁ বাদাম সিঁচি দি সেইবোৰ বিচাৰি লৈ খাবলৈ শিকাইছিল বান্দৰ দুটাক । নিয়মীয়াকৈ তেওঁ এই কাম কৰিছিল ।



এবাৰ সুকুমাৰ আৰু তেওঁৰ পত্নী এটা দীঘলীয়া তীৰ্থযাত্ৰাত যাবলৈ ওলাল । তেওঁলোকে জগনকো লগ ধৰিলে । কিন্তু জগন তেওঁলোকৰ লগত যাব পৰা অৱস্থাত নাছিল । তেতিয়া সুকুমাৰে নিজৰ ছয় আৰু আঠ বছৰীয়া ল'ৰা দুটাক চোৱা-চিতা কৰাৰ দায়িত্ব ল'বলৈ জগনক অনুৰোধ কৰিলে যেতিয়ালৈকে তেওঁলোক ঘূৰি নাহে । জগনে বিনাদ্বিধাই সন্মতি দিলে । সুকুমাৰে তেওঁৰ ল'ৰা দুটাক জগনৰ ঘৰত থৈ গ'ল ।

জগনে ভালকৈ ল'ৰা দুটাৰ চোৱা-চিতা কৰিলে । সোনকালেই জগনে গম পালে যে সুকুমাৰৰ ল'ৰা দুটাই আম খাই খুব ভাল পায় । "ল'ৰাহঁত, মোৰ মামাৰ ঘৰত থকা এখন ডাঙৰ আমৰ বাগিচা চাবলৈ যাবানেকি ?" তোমালোকে ইয়াত ১৫ দিনমান থাকি লৈ মনে বিচৰা মতে, সুস্বাদু খাদ্য খাবলৈ পাবা ।" তেওঁ ল'ৰা দুটাক পৰামৰ্শ দিলে । দুয়োটাই হাঁহি মুখে মান্তি হোৱাত দূৰণীবটীয়া অথচ নিৰাপদ সেই

ঠাইখনলৈ ল'ৰাদুটাক পঠিয়াই দিয়া হল।

এসপ্তাহৰ পাছত সুকুমাৰ আৰু তেওঁৰ পত্নী ঘূৰি আহিল । সুকুমাৰে জগনক লগ ধৰি তেওঁক ধন্যবাদ জনালে আৰু ল'ৰাদুটাক ঘৰলৈ লৈ যাবলৈ অহাৰ কথা জনালে। জগনৰ মুখত বেদনাৰ চিন দেখা গ'ল, সুকুমাৰক এখন চকীত বহুৱাই জগনে ক'লে, "মোৰ বন্ধু দুৰ্ভাগ্যই কেনেকৈ মানুহক নগুৰ-নাগতি কৰে সেই কথা আমাতকৈ ভালকৈ কোনে জানে ? এবাৰ ইয়েই বিশুদ্ধ সোণক বোকালৈ ৰূপান্তৰিত কৰিছিল । আকৌ এইবাৰ দুৰ্ভাগ্যই দুটা মৰমলগা ল'ৰাকৰ দুটা বান্দৰলৈ পৰিৱৰ্তিত কৰিলে । অৱশ্যে বান্দৰ দুটাও বেচ মৰমলগা । "কি ! মোৰ ল'ৰা দুটা বান্দৰ হৈ গ'ল ?" সুকুমাৰে চিৎকাৰ কৰি উঠিল।

অঁতো আকৌ, কিন্তু দুয়োটা বান্দৰেই বেছ মৰমলগা । তোমাক দেখিলে সিহঁতৰ যে কিমান আনন্দ লাগিব ?" এইবুলি কৈ জগনে সুকুমাৰ বহি থকা কোঠাটোলৈ পোনে পোনে বান্দৰদুটা লৈ আহিল ।

সুকুমাৰৰ মূৰ্তিৰপৰা বাদাম আনি খোৱাত অভ্যস্ত বান্দৰ দুটাই তৎমুহূৰ্ত্ততে জীৱন্ত সুকুমাৰৰ কোলাত বহি সিহঁতৰ প্ৰিয় খাদ্যৰ সন্ধানত সুকুমাৰৰ হাতে-মূৰে আঁচুৰিবলৈ ধৰিলে । সুকুমাৰৰ চাৰিওফালে ঘূৰি ঘূৰি সিহঁতে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে ।

"চোৱাচোন, ল'ৰাদুটাই নিজৰ দেউতাকক কিমান ভাল পায় ?" জগনে মন্তব্য কৰিলে ।

সুকুমাৰ কিছু সময়ৰ বাবে বাকৰুদ্ধ হৈছিল। কিন্তু লগতে তেওঁ ভাবিছিল যে তেওঁৰ বন্ধু জগন এজন ভাল মানুহ যদিও মূৰ্খ নিশ্চয় নহয় ।

এটাও শব্দ উচ্চাৰণ নকৰাকৈ সুকুমাৰ নিজৰ ঘৰলৈ গ'ল আৰু মাত্ৰ অলপহে খৰচ হোৱা সোণখিনি থকা মোনাটো লৈ ঘূৰি আহিল । নীৰৱে সি তাৰে আধাখিনি সোণ জগনক দিলে। জগনেও সময় ব্যয় নকৰি নিজৰ মামাকৰ ঘৰলৈ সুকুমাৰক লৈ গ'ল য'ত আমৰ বাগিচাৰ মাজে মাজে ল'ৰা দুটা আনন্দত মতলীয়া হৈ আছিল । খেৰোগেৰো কৰি সিহঁত ওলাই আহিল, বান্দৰ দুটাই দেখুওৱা কোনো বিশেষ মৰমৰ ভাব সিহঁতে দেউতাকক নেদেখুৱালে । সুকুমাৰে সিহঁতক ঘৰলৈ লৈ আহিল ।

এইখিনিতে আনন্দৰ কথাটো হ'ল-এই ঘটনাৰ পাছতো সুকুমাৰ আৰু জগন বন্ধু হৈ থাকিল । প্ৰকৃততে, ব্যৱসায়ত কিবা সমস্যা আহিলেই সুকুমাৰে জগনৰ লগত আলোচনা কৰিছিল । আৰু জগনেও কামত অহা ধৰণৰ পৰামৰ্শ আগবঢ়াইছিল ।

(জৈন সাহিত্যৰ এটা কাহিনীৰ পুনৰকথন)

আলফুলে চুবা দেই

এই কাহিনী এখন বিচিত্ৰ ৰুমালৰ । ৰুমালখন হাতত ল'লে তুমি সেইখনৰে লেতেৰা নাকটো চাফা কৰিবলৈ কুণ্ঠাবোধ কৰিবা বা লেতেৰা হাতখনো চাফা কৰিবলৈ তোমাৰ সত নাযাব । এইখনৰেই নাম চাম্বা ৰুমাল, য'ত আছে অপূৰ্ব এম্ব্ৰইডেৰি । আৰু এইখন ৰুমাল প্ৰথমে তৈয়াৰ কৰি উলিওৱা ঠাই হিমাচল প্ৰদেশৰ চাম্বাৰ নামেৰে ইয়াৰ নামকৰণ কৰা হৈছে ।

এই অঞ্চলৰ ৰাজকীয় আৰু উচ্চ শ্ৰেণীৰ মহিলাসকল এই বিশিষ্ট কলাত সিদ্ধহস্ত আছিল । অষ্টাদশ আৰু ঊনবিংশ শতিকাত

অপূৰ্ব এম্ব্ৰইডেৰি কৰা এই বৰ্গাকৃতিৰ চাম্বা ৰুমাল এক কলাসুলভ সামগ্ৰীৰূপে জনপ্ৰিয় হৈ উঠে । এই সময়ছোৱাতে অতি ক্ষুদ্ৰ কলাৰ বহুতো শিল্পীয়ে মোগল সাম্ৰাজ্য এৰি আহি হিমাচল প্ৰদেশৰ চাম্বা, কাংৰা আৰু বাচ্‌হলিত থিতাপি লৈছিলহি। উচ্চ শ্ৰেণীৰ আঢ্যৱন্ত মহিলাসকলে এই শিল্পীসকলক ধনৰ বিনিময়ত ৰুমালৰ ওপৰত কলাৰ আৰ্হি বনোৱাৰ দায়িত্ব দিছিল আৰু পিছত তেওঁলোকে নিজেই পাটৰ সূতাৰে সেইবোৰত অপূৰ্ব এম্ব্ৰইডেৰি কৰি দিছিল ।

ৰুমালত ফুটাই তোলা বিষয়বোৰৰ ভিতৰত উল্লেখযোগ্য আছিল মহাভাৰতৰ যুদ্ধৰ দৃশ্য, কৃষ্ণ আৰু গোপীসকল, আৰু পত্নী বুদ্ধি আৰু সিদ্ধিৰ সৈতে ভগৱান গণেশ । কথিত আছে যে ষষ্ঠদশ শতিকাত নানকৰ ভগ্নী বেবে নান্‌কীয়ে এম্ব্ৰইডেৰি কৰা ৰুমালখনেই ভাৰতৰ সবাতোকৈ পুৰণি ৰুমাল । পঞ্জাবৰ হুচিয়াৰপুৰ জিলাৰ এটা সংগ্ৰহালয়ত এই ৰুমালখন সংৰক্ষিত কৰা হৈছে ।

বুদ্ধি য'ত লাভ ত'ত

সুৰদাসে দিন মজুৰী কৰি পেট প্ৰৱৰ্ত্তাইছিল। কিন্তু সি যিমানেই কাম নকৰক দৈনিক চাৰি-পাঁচ টকাতকৈ বেছি ধন নাপাইছিল । সেইখিনি উপাৰ্জনেৰে বেচেৰাক দুবেলা-দুসাজ খাবলৈকে নুজুৰিছিল। কিন্তু সি বহুত পইচা ঘটি এটা আৰামৰ জীৱন কটাবলৈ বৰ হেঁপাহ কৰিছিল ।

সেই গাঁৱৰে এজন ধনী লোক ৰংগনাথৰ পত্নী সাৱিত্ৰী হঠাতে বৰ টান নৰিয়াত পৰিল । সেই সময়ত তেওঁলোকৰ পো-বোৱাৰী নিজৰ মনোবাঞ্ছা পূৰণ হ'ব বুলি আশা কৰি কাশীলৈ গৈছিল আৰু ডেৰমাহলৈকে তাত থকাৰ কথা আছিল । ৰংগনাথে বৈদ্য মতালে । তেওঁ সাৱিত্ৰীক ভালদৰে পৰীক্ষা কৰি ক'লে, "চিন্তাৰ কাৰণ নাই। ঔষধ খোৱাৰ পিছত দুই-তিনিদিনৰ ভিতৰতে বেমাৰ কমিব । তাৰ পিছতো দুমাহ লৈকে এওঁক সম্পূৰ্ণ বিশ্ৰামৰ প্ৰয়োজন হ'ব। ৰংগনাথক এইদৰে সকলো কথা বুজাই কৈ প্ৰয়োজনীয় ঔষধৰ দিহা দি বৈদ্য গ'লগৈ ।

তেতিয়া ৰংগনাথে সুৰদাসক মতাই আনি আৰু ক'লে, "তুমি মোৰ ঘৰত থাকিব লাগিব । তোমাৰ খোৱা-বোৱাৰ সকলো ব্যৱস্থা ইয়াতেই কৰা হ'ব । কিন্তু ৰান্ধনি ঘৰৰপৰা আদি কৰি ঘৰৰ সকলো কাম কৰিব লাগিব ।" সুৰদাসে সন্মতি জনাই মূৰ জোকাৰিলে কিন্তু লগতে সি স্পষ্টকৈ জনালে যে সি ৰন্ধা-বঢ়াৰ কাম একো নাজানে । ৰংগনাথে তাক এইবুলি আশ্বাস দিলে যে সাৱিত্ৰীয়ে ৰন্ধন-প্ৰকৰণৰ সকলো কথা শিকাই দিব । তাৰ পিছত সুৰদাসে সেই ঘৰত কাম কৰিবলৈ ল'লে ।

সুৰদাস বৰ পাকৈত মানুহ আছিল । যি কামকেই তাক দিয়া নহওক কিয়, তৎক্ষণাৎ কৰিব পাৰিছিল । ৰন্ধাবঢ়াৰ কামো সি বৰ সোনকালে শিকি ল'লে । তাৰ কৰ্মপটুতাৰ প্ৰশংসা কৰি সাৱিত্ৰীয়ে এদিন ক'লে, "তিৰোতা মানুহেও ইমান সোনকালে ৰন্ধা-বঢ়াৰ কাম নিশিকে । তুমি বহুত পৰিশ্ৰমী । কামৰ প্ৰতি তোমাৰ অসীম ধাউতি আছে । তুমি জীৱনত দোপতদোপে আগবাঢ়িব পাৰিবা ।"

শিৱপ্ৰসাদ

ৰংগনাথেও সুৰদাসৰ ৰন্ধা-বঢ়াৰ বৰ প্ৰশংসা কৰিলে । বিশেষকৈ অশেষ যত্নৰে যেতিয়া সি খিচিৰি বনায় তেতিয়া পতি-পত্নী দুয়ো বৰ তৃপ্তিৰে খায় আৰু কয় যে এনেকুৱা খিচিৰি আজিলৈকে তেওঁলোকে ক'তো খাইয়েই পোৱা নাই । তেতিয়া সুৰদাসে লাজ লাজকৈ কয়, "মইতো এনে ধৰণৰ খিচিৰি বনাবলৈ এইখন ঘৰতে শিকিছোঁ ।"

চাওঁতে চাওঁতে ডেৰমাহ পাৰ হৈ গ'ল । ৰংগনাথৰ পো-বোৱাৰী কাশীৰপৰা উভতি আহিল । এতিয়া আৰু সেইখন ঘৰত সুৰদাসৰ প্ৰয়োজন নোহোৱা হৈ আহিল । এই কথাত চিন্তিত হৈ এদিন সুৰদাসে ক'লে, "আপোনাৰ ঘৰত মই সুখেৰে আছিলোঁ । আপুনি মোক যি পাৰিশ্ৰমিক দিয়ে সেয়া আপোনাৰ বাবে একো বেছি নহয় । মোক আপোনালোকৰ ঘৰতে থাকিবলৈ দিয়ক । মই সম্পূৰ্ণ বিশ্বাসযোগ্যতাৰে কাম কৰিম।"

ৰংগনাথে হাঁহি ক'লে, "মোৰ ল'ৰাই বাহিৰৰ কাম-কাজ চম্ভালে । মইতো ঘৰতে থাকো । পাকঘৰৰ কাম-কাজ চম্ভালিবলৈ মোৰ বোৱাৰী আছেই । আৰু বাকী কাম-কাজ কৰিবৰ বাবে মাহে ত্ৰিশ টকাত কাৰোবাক লগালেই কাম চলি যাব । এনেকুৱা বনকৰা ল'ৰা সহজতে পোৱা যাব । এনেকুৱা পৰিস্থিতিত মই তোমাক ইমান দৰমহা দিওঁ কিয় ? মানুহ যিমানেই ধনী নহওক কিয় হাত ধৰি খৰচ কৰিব নোৱাৰিলে সম্পত্তি ধৰি ৰখাই টান । তুমিতো খুবেই কামিলা আৰু পৰিশ্ৰমী মানুহ । গতিকে মোৰ ঘৰৰ অনুগ্ৰহত থাকিবৰ তোমাৰ কোনো প্ৰয়োজনেই নাই ।"

তথাপিতো সুৰদাসৰ চিন্তা দূৰ নহ'ল । তেওঁ ক'লে, "চাহাব, আপুনিয়ে একমাত্ৰ মানুহ যি মোৰ শ্ৰমৰ প্ৰশংসা কৰিছে । যদিহে আপুনি বিশ্বাস কৰে যে মোৰ পৰিশ্ৰমী স্বভাৱে মোৰ দুবেলা দুমুঠিৰ যোগাৰ কৰিব পাৰিব তেন্তে তাৰ উপায় আপুনিয়ে দিয়কচোন ।"

"চোৱা, তোমাৰ নিচিনা খিচিৰি বনাব পৰা মানুহ মই এতিয়ালৈকে দেখা নাই । আমাৰ গাঁৱৰ লগতে লাগি থকা হাটখনতে যদি তুমি খিচিৰি বনাই বেচিবলৈ লোৱা তেন্তে তোমাৰ ভৱিষ্যতেই সলনি হৈ যাব । মূলধন বিচাৰিলে ধাৰলৈ তোমাক ময়েই দিম ।"ৰংগনাথে সুৰদাসক আশ্বাস দি ক'লে ।

সুৰদাসে প্ৰথমে অলপ হেহোঁ-নেহো কৰিছিল, কিন্তু ৰংগনাথৰ বাৰম্বাৰ উদগণিত

তাৰ সাহস আহিল । তাৰ দুদিনৰ পিছতে সি খিচিৰি বনাই বেচাৰ কাম আৰম্ভ কৰিলে । তাৰ ব্যৱসায় ভালদৰে চলিবলৈ ধৰিলে আৰু উপাৰ্জনো ভাললৈ আহিল । এমাহৰ পিছত এটা সৰু উপহাৰ আৰু কৃতজ্ঞতা জ্ঞাপনৰ বাবে সি ৰংগনাথৰ ঘৰলৈ গ'ল ।

ৰংগনাথে তাক ব্যৱসায় কেনে চলিছে সুধিলে । উত্তৰত সুৰদাসে ক'লে, "চাহাব, সকলো ঠিকেই আছে । কেতিয়াবাতো একেৰাহী খিচিৰিও কমহে হয় । কেতিয়াবা আকৌ আধাকেৰাহী খিচিৰিহে খৰচ হয় । সৰহকৈ বনালেও ঠাণ্ডা হৈ যায়, তেতিয়া গ্ৰাহকে কিনিব নোখোজে । তথাপিও মোৰ লাভ হৈছে ।"

ৰংগনাথে তেতিয়া ক'লে, "গ্ৰাহকৰ সুবিধা অনুযায়ী ব্যৱসায় হোৱা উচিত । কিছুমান লোকৰ অলপ খালেই ভোক গুচে । তোমাক সহায় কৰিবৰ বাবে এজন মানুহো ৰাখা । খিচিৰি গৰম কৰি ৰাখিবৰ বাবে সদায় জ্বলি থকা তিনিটা চৌকা যোগাৰ ৰাখা । মানুহে যেনে ধৰণৰ খিচিৰি পচন্দ কৰে, যিমান পৰিমানৰ বিচাৰে, দিব পৰা অৱস্থাত থাকিবা । এতিয়া পূৰা এক থালত দুটকাত বেচিছা গতিকে আধা থাল এটকাত বেচা । তোমাৰ ব্যৱসায়ত লাভ হোৱাই নহয়, লগতে কিছুমানৰ জীৱিকা উপাৰ্জনৰ পথো ওলাব।"

সুৰদাসে মনোযোগেৰে তেওঁৰ কথাখিনি শুনাৰ পিছত ক'লে, "চাহাব, আপুনি সঁচাকৈয়ে বৰ বুধিয়ক মানুহ । আপোনাৰ ঘৰত যে কাম কৰিবলৈ সুযোগ পালোঁ সেয়া মোৰ পৰম সৌভাগ্য । আপোনাৰ উপদেশ মই শিৰত তুলি ল'ম । যেতিয়াই মোৰ সমুখত কোনো সমস্যাই দেখা দিব, তেতিয়াই মই আপোনাৰ ওচৰলৈ আহিম । আপুনি মোক দিহা-পৰামৰ্শ দি

থাকিব ।'' ৰংগনাথৰ প্ৰশংসাত গদ্‌গদ্ হৈ সি ক'লে ।

''বাৰেবাৰে লোকৰ পৰামৰ্শ লোৱাটো সু ব্যৱসায়ীৰ লক্ষণ নহয় । আকৌ যদি পৰামৰ্শ বিচাৰি আহা, তেন্তে মই ক'ম, ''ব্যৱসায় কৰিবলৈ বাদ দিয়া ।'' ৰংগনাথে এইদৰে সুৰদাসক সতৰ্ক কৰি পঠালে ।

এতিয়া সুৰদাসৰ তলত তিনিটা মানুহে কাম কৰিবলৈ ল'লে । গ্ৰাহকৰ ইচ্ছা অনুযায়ী সিহঁতে খিচিৰি দিবলৈ ধৰিলে । যদি কোনো লোকে তেওঁলোকৰ উপস্থিতিতে খিচিৰি আকৌ এবাৰ গৰম কৰি দিয়াটো বিচাৰে তেন্তে তেওঁলোকক পুনৰ গৰম কৰি দিয়া হৈছিল ।

সুৰদাসৰ এটা নতুন চিন্তা বাঢ়িল । প্ৰথমতে গ্ৰাহকে আধা থাল খিচিৰিহে খুজিবলৈ ধৰিলে । তেওঁলোকে সেইখিনি খাই সুস্বাদু পালে পুনৰ আধা থাল খিচিৰি খুজি লয় । কিন্তু সুৰদাসৰ বাবে আধা থাল আৰু পূৰা থাল তৈয়াৰ কৰোঁতে প্ৰায় একেই সময় লাগিছিল । গতিকে যিক্ষেত্ৰত দহখন পূৰা থাল খিচিৰি বিক্ৰী হ'ব লাগিছিল সেই সময়ত দহখন আধা থালহে বিক্ৰী হৈছিল । এই সমস্যাটোৰ বিষয়ে কি কৰা যায় সুৰদাসে ভাবিবলৈ ধৰিলে ।

সুৰদাসৰ ব্যৱসায় কেনে চলিছিল জানিবলৈ ৰংগনাথ উৎসুক হৈ পৰিছিল । কেবামাহো ধৰি তেওঁ সুৰদাসক লগো পোৱা নাছিল । সেয়ে ৰংগনাথে ভাবিলে যে এবাৰ নিজ চকুৰে গৈ চোৱা যাওক তাৰ ব্যৱসায় কেনেকুৱা চলিছে । লগতে অলপ খিচিৰিও টপালি পাৰি খাই আহিব পৰা যাব।

এদিন ৰংগনাথ যেতিয়া হাটলৈ গ'ল তেওঁ দেখিলে যে সুৰদাসৰ দোকানত খুব ভিৰ । দুটা মানুহে চোকাৰ কাষত বহি কাম কৰিব ধৰিছে । এটা মানুহে সুৰদাসক থালবোৰ আৰু গ্ৰাহকক পানী দিব ধৰিছে ।



যেতিয়া সুৰদাসে থালত খিচিৰি ঢালিলে ৰংগনাথে মন কৰিলে যে তেঁওৰ বাবে সেয়া যেন বেছি হৈছে । তেওঁ ভাবিলে, "মই তো ইমান খাব নোৱাৰো । আধা থালেই মোৰ কাৰণে যথেষ্ট হ'ব ।" পানী দিবলৈ অহা মানুহটোক ক'লে যে তেওঁক আধাকাঁহী খিচিৰিহে লাগে । বচ, দুই মিনিটৰ ভিতৰতে খিচিৰি আহি তেওঁৰ হাতত পৰিলহি । কিন্তু সুৰদাসে তেতিয়ালৈকে ৰংগনাথক দেখা পোৱা নাছিল ।

ৰংগনাথে যেতিয়া দেখিলে যে গোটেই থাল খন ভৰি খিচিৰি আছে তেওঁ আচৰিত হ'ল । কিন্তু যিটো মানুহে তেওঁক খিচিৰি দিছিল সিতো কৈছিল যে আধা কাঁহীহে দিছে । খিচিৰি উৎকৃষ্ট হৈছিল। ক'ব নোৱাৰাকৈয়ে তেওঁ গোটেইখিনি খাই পেলালে । যেতিয়া পইচা দিবলৈ অহা মানুহটোক তেওঁ এটকা দিলে তেতিয়া মানুহটোৱে ক'লে, "চাহাব, দুটকা দিয়ক ।"

মইতো আধাথালহে খুজিছিলোঁ । ৰংগনাথে জোৰেৰে ক'লে । তেনেতে সুৰদাসে ৰংগনাথৰ মাততো চিনি পালে আৰু তৎক্ষণাৎ তেওঁক প্ৰণাম কৰিলে । তেওঁ মানুহটোক ক'লে, "শুন, এখেতৰ পৰা পইচা ন'লবি ।"

মানুহৰ ভিৰ অলপ কমিলত, ৰংগনাথে সুৰদাসক ক'লে, "বেছি লাভ আশা কৰাতো ভুল নহয় । কিন্তু মানুহক ঠগিব নাপায় । তোমাৰ মানুহটোৱে আধাকাঁহী খিচিৰি দি পুৰাকাঁহীৰ পইচা খুজিছে ।"

সুৰদাসে তেতিয়া হাঁহি ক'লে, "চাহাব, মই কঁৰোৱেই বা কি ? সকলোৱে পূৰা একাঁহীৰ সলনি দুবাৰ দুবাৰ আধাকাঁহী খোজে । তেনেকুৱাত মোৰ কাম বাঢ়ে । আধা কাঁহী নিদিওঁ বুলিলেও নোখোৱাকৈ গুচি যায় । সেয়ে পূৰা কাঁহীকে আধা বুলি কৈ এটকা লৈ বেচোঁ । খিচিৰিৰ পৰিমানো নকমিল আৰু পইচাও নাবাঢ়িল । পূৰা একাঁহীৰ নামেই আধা কাঁহী কৰিলো । আপুনিয়ে কওকচোন, ইয়াতনো মই গ্ৰাহকক কেনেকৈ ঠগিলোঁ ?"

"নিশ্চয় ঠগা নাই," এইদৰে কৈ ৰংগনাথে সুৰদাসৰ পিঠিত থপৰিয়াই ক'লে, "এতিয়া আৰু মই তোমাক সুৰদাস বুলি নামাতিম, খিচিৰি সুৰদাস বুলিহে মাতিম । তোমাৰো । যশস্যা হ'ব । তোমাক আৰু তোমাৰ ব্যৱসায় দেখি মই বৰ সুখী হ'লোঁ ।" এইদৰে কৈ তেওঁ তাৰপৰা গ'লগৈ ।

টকাৰ মালা

চেন্নাইৰ এটা মন্দিৰৰ আৰাধ্য দেৱতাৰ মূৰ্ত্তিত নতুন বছৰৰ দিনাখন ৫০ টকা, ১০০ টকা, ৫০০ টকা আৰু ১০০০ টকাৰ ন'টেৰে তৈয়াৰী এধাৰি মালা পিন্ধাই দিয়া হয়। মালাধাৰিত থকা ন'টখিনিৰ মুঠ অংকটো হ'ল ৬ লাখ ৫০ হেজাৰ টকা। এই মচ্‌মচীয়া ন'টবোৰ দিয়ে ভগৱান গণেশৰ নামত উচৰ্গিত এই মন্দিৰটোলৈ নিয়মীয়াভাৱে ভ্ৰমণ কৰিবলৈ অহা ভক্তসকলে দানস্বৰূপে। চেন্নাইৰ উপকণ্ঠ অঞ্চলত থকা আন এটা মন্দিৰত ভদ্ৰকালিৰ (দুৰ্গাৰ) মূৰ্ত্তিত ৫ টকা, ৫০ টকা, ১০০ টকা আৰু ৫০০ টকা ন'টেৰে বনোৱা মুঠ ২ লাখ টকাৰ এধাৰি মালা ভক্তিভাৱে পিন্ধাই দিয়া হয়।

ৰেকৰ্ডৰ বাবে উন্মাদ

ব্ৰেন্ট্ ম'ফ্ফাৎ নামৰ ৩৪ বছৰীয়া কানাডাৰ নাগৰিকজনে এটা বিশ্ব ৰেকৰ্ড কৰিব খুজিছিল। ইয়াৰ বাবে তেওঁ এটা অস্বাভাৱিক কাম কৰিছিল। তেওঁ নিজৰ গোটেই দেহটোতে ৭০২টা পিন আৰু বেজী খুচি দিছিল। আঠ ঘন্টাৰ ভিতৰত তেওঁ এইবোৰ তেওঁৰ গোটেই দেহাতে বিশেষকৈ ভৰি আৰু ভৰিৰ পতাত খুচি দিছিল। প্ৰথমতে তেওঁৰ লক্ষ্য আছিল এনে এহেজাৰটা পিন আৰু বেজী খুচি দিয়া; পিছে অংকটো ৭০২ হওঁতেই তেওঁৰ শৰীৰৰ বিষে সহ্যৰ সীমা পাৰ কৰিছিল। তেওঁ পিনবোৰ এনেকৈ শৰীৰত ৫ মিনিটৰ বাবে লৈ থাকিব লাগিছিল। ইয়াৰ পাছত, সেইবোৰ বাহিৰলৈ উলিয়াই অনাটো আৰু বেছি বেদনাদায়ক আছিল। এই গোটেই কামটো কৰাৰ সময়ত মানিট'বাৰ এই নিবাসীজনে হে'ডফোন লৈ গান শুনি আছিল। সংগীতে নিশ্চয় তেওঁৰ বেদনা কিছু পৰিমানে হ'লেও কমাইছিল। তুমি কি ভাবা?

হাৰিয়ানাৰ এটি লোককথা

হাৰিয়ানা হ'ল ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ উৎস-স্থান। হাৰিয়ানাই আছিল কিম্বদন্তীমূলক ভাৰত বংশৰ ৰজাসকলৰ গৃহভূমি। কথিত আছে যে ইয়াতেই ভগৱান ব্ৰহ্মাই প্ৰায়শ্চিত্ত কৰিছিল আৰু তাৰ পাছত ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰিছিল। ইয়াতেই ঋষি বেদব্যাসে মহাকাব্য মহাভাৰত ৰচনা কৰিছিল। আকৌ হাৰিয়ানাৰ কুৰুক্ষেত্ৰতেই ভগৱান কৃষ্ণই অৰ্জুনৰ সৈতে লিপ্ত হৈছিল সেই বিখ্যাত কথোপকথনত যিটো পিছলৈ ভগৱদ গীতা নামেৰে জনাজাত হৈছিল।

১৯৬৬ চনৰ ১ নৱেম্বৰত হাৰিয়ানা ৰাজ্য গঠিত হৈছিল। ইয়াৰ মাটিকালি ৪৪,০০০ বৰ্গ কিলোমিটাৰ। ৰাজ্যখনৰ জনসংখ্যা হ'ল ২১,০৮২,৯৮৯।

পূবে উত্তৰ প্ৰদেশ আৰু দিল্লী, পশ্চিমত পঞ্জাৱ, উত্তৰত হিমাচল প্ৰদেশ আৰু দক্ষিণত ৰাজস্থানে হাৰিয়ানাক ঘেৰি আছে। শিৱালিক আৰু আৰাৱলী পৰ্বতমালা এই ৰাজ্যৰ প্ৰধান ভৌগোলিক বিশেষত্ব। ৰাজ্যখনৰ দুখন প্ৰধান নদী হ'ল যমুনা আৰু ঘগ্গৰ। উপকথাৰ নদী সৰস্বতী হাৰিয়ানাৰ মাজেদিয়েই বৈ গৈছিল বুলি বিশ্বাস কৰা হয়।

ৰাজ্যখনৰ ৰাজধানী হ'ল চণ্ডীগড় আৰু হিন্দীয়েই ইয়াৰ মূল ভাষা। পঞ্জাৱী, উৰ্দু আদি ভাষা আৰু হাৰিয়ানৱিৰ দৰে কেতবোৰ স্থানীয় দোৱানৰো ইয়াত প্ৰচলন আছে।

জাল মাৰি তোলা সৌভাগ্য

হাৰিয়ানাৰ উৰ্বৰ ভূমিখণ্ডত এসময়ত এটি আঢ্যৱন্ত কৃষকৰ পৰিয়ালে বাস কৰিছিল। পৰিয়ালৰ মূৰববী বৃদ্ধ আৰু জ্ঞানী কৃষকজনৰ সাতটা পুতেক আছিল। ইয়াৰে ছজন পুতেক আছিল বিবাহিত। নুমলীয়া পুত্ৰ অবিবাহিত আছিল। তেওঁলোক আটাইয়ে কঠোৰ পৰিশ্ৰম কৰি তাৰপৰা কৰা উপাৰ্জনেৰে সুখে-সন্তোষেৰে দিন কটাইছিল। তেওঁলোকৰ খেতিৰ মাটিয়ে গোটেই গাঁৱখন জুৰি আছিল আৰু বছৰৰ বৰমাহেই খেতিৰ পথাৰবোৰ সোণোৱলী যেঁহুৰে নদন-বদন হৈ আছিল।

তেওঁলোকৰ জীৱন সুকলমেই চলি গৈছিল।

কিন্তু এদিন এটা দুৰ্ভাগ্যপূৰ্ণ ৰাতিপুৱাত বৃদ্ধ কৃষকে সাৰ পাই গম পালে যে তেওঁ দুয়োটা চকুৰে দৃষ্টিশক্তি হেৰুৱাই পেলাইছে। হঠাতে ঘটা এই দুৰ্ঘটনাত তেওঁ আৰু তেওঁৰ সাতোজন পুতেকেই আতংকিত হৈ উঠিল। তেওঁলোকে বিভিন্ন উপায়েৰে চিকিৎসা কৰা চিকিৎসকক মাতি আনিও বৃদ্ধৰ দৃষ্টিশক্তি ঘূৰাই আনিব নোৱাৰিলে।

এদিন, তেওঁলোকৰ গাঁৱখনলৈ আহিছিল অনাই-বনাই ঘূৰি ফুৰা এজন ফকিৰ। বৃদ্ধ কৃষকৰ এজন পুতেকে তেওঁক বজাৰতে পাই দেউতাকক আৰোগ্য কৰাব পাৰে বুলি ঘৰলৈ লৈ আহিল। বৃদ্ধ মানুহজনক চায়েই ফকিৰে ক'লে, "অ', এটা অশুভ শক্তিৰ কোপদৃষ্টিত এনেকুৱা হৈছে। তেওঁৰ দৃষ্টিশক্তি ঘূৰাই অনাৰ এটাই উপায় আছে। সেইটো হ'ল বংগৰ ভূমিখণ্ডৰপৰা দূৰৈত থকা মহাসমুদ্ৰৰ অতল গৰ্ভত বাস কৰা এটা বৃহৎ সোণালী মাছৰ চকুৰে তেওঁৰ চকু দুটা স্পৰ্শ কৰোৱা।"

বৃদ্ধই তেওঁৰ বৰপুত্ৰক মাতি আনি সহায় বিচৰাত বৰপুত্ৰই গা এৰা দি ক'লে, "মোৰ এটা পৰিয়াল আছে। মই মোৰ পত্নী আৰু দুটি সন্তানৰ কথা ভাবিব লাগিব। এনে এটা বিপদজনক ভ্ৰমণত গ'লে বাটতে কি বিপদ আহে কোনে জানে?"

কৃষকে তেতিয়া আন কেইজন পুত্ৰই তেওঁক সহায় কৰিব পাৰে নেকি সুধি চালে। দ্বিতীয়, তৃতীয়, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ পুতেকেও দেউতাকক একে অজুহাতেই দেখুৱালে। তীব্ৰ হতাশাত ভুগি দেউতাকে এইবাৰ তেওঁৰ নুমলীয়া পুত্ৰক সুধি চালে। তেওঁ অবিবাহিত আছিল আৰু তাতে তেওঁ নিজৰ দেউতাকক বৰ ভাল পাইছিল। সেয়েহে তেওঁ তৎক্ষণাৎ সোণালী মাছটোৰ সন্ধানত যাত্ৰা আৰম্ভ কৰিলে।

ক্ষিপ্ৰতাৰে আৰু দৃঢ়তাৰে আগবঢ়া নুমলীয়া

পুত্ৰই অনেক অৰণ্য আৰু অচিনাকি ৰাজ্য পাৰ হৈ বংগৰ ভূমিখণ্ডৰপৰা দূৰত থকা মহাসমুদ্ৰৰ বক্ষ পালেগৈ। তেওঁ এখন নাও ভাড়ালৈ লৈ সোণালী মাছৰ সন্ধানত ওলাল। জাল মাৰি তেওঁ দিনৰ পিছত দিন অপেক্ষা কৰিলে। অৱশেষত এদিন তেওঁ সৌভাগ্যৰ মুখ দেখা পালে।

সোণালী মাছটোৱে তেওঁৰ জালত ধৰা দিলে। মাছটো হাতত তুলি ল'ব খোজোতেই মাছটোৱে চকুপানী টুকি তেওঁক কবলৈ ধৰিলে, "মোক নধৰিবা। মইনো তোমাৰ কি অপকাৰ কৰিলো?"

ল'ৰাটোৱে বুজাই দিলে। "এজন ফকিৰে কৈছে যে কেৱল তোমাৰ চকু দুটাৰ স্পৰ্শ পালেহে হেনো মোৰ দেউতাৰ দৃষ্টিহীনতা নোহোৱা হ'ব। গতিকে মোৰ কোনো উপায় নাই, মই তোমাক ধৰি, ঘৰলৈ নিবই লাগিব।"

তেতিয়া সোণালী মাছটোৱে ক'লে, "কথা সিমানেই নেকি? চোৱা, মোৰ চকুৰ স্পৰ্শ

নহ'লেও তোমাৰ দেউতাই কেনেকৈ দৃষ্টিশক্তি ঘূৰাই পাব সেই কথা মই জানো। উপকূলৰপৰা এমুঠি বালি আনি সেইখিনিৰে মোৰ চকু দুটা স্পৰ্শ কৰা। সেইখিনি বালিকে দেউতাৰাৰ ওচৰলৈ নি তেওঁৰ চকু দুটা স্পৰ্শ কৰিবলৈ দিয়া। দেখিবা তেওঁ দৃষ্টিশক্তি ঘূৰাই পাইছে।"

ঠিক আছে বাৰু, মই তুমি কোৱাৰ দৰেই কৰিম। কিন্তু মোৰ দেউতাই যদি দৃষ্টিশক্তি ঘূৰাই নাপায় তেন্তে মই তোমাৰ শুদাই নেৰিম। এইটো মোৰ ভাবুকি নহয়। তুমি যাতে তোমাক প্ৰতিশ্ৰুতি পালন কৰা, তাৰ বাবে এইটো মই দিয়া এটা পৰামৰ্শহে।

মাছটোৱে তেওঁক ধন্যবাদ জনাই ক'লে, "তোমাৰ দেউতাৰ আশু আৰোগ্য কামনা কৰি মই প্ৰাৰ্থনা কৰিম। যিকোনো সময়ত মোক স্মৰণ কৰিলেই মই তোমাক সহায় কৰিবলৈ আহিম।"

নুমলীয়া পুত্ৰই তেতিয়া উপকূলৰপৰা এমুঠি বালি আনি মাছটোৰ চকু দুটা স্পৰ্শ কৰোৱালে আৰু বিজুলী বেগেৰে বৃদ্ধ দেউতাকৰ ওচৰলৈ আহিল। বালিখিনিৰে তেওঁ দেউতাকৰ চকুৰ পতা স্পৰ্শ কৰাৰ লগে লগে, বৃদ্ধই তেওঁৰ দৃষ্টিশক্তি ঘূৰাই পালে। তেওঁ নিজৰ সাহসী পুত্ৰৰ হাঁহি থকা মুখখন চাব পৰা হ'ল। তেওঁ সুখত উটি গ'ল।

কথাটো গম পাই বৃদ্ধৰ আন দুজন পুতেক ততাতৈয়াকৈ দেউতাকৰ ওচৰলৈ আহিল। তেওঁলোকে নিজৰ চকু-কাণকে বিশ্বাস কৰিব নোৱাৰিলে। ককায়েকহঁতে নিজৰ মাজতে কথা পাতিলে। "আমাৰ ভাইটিয়েনো ইমান এটা ডাঙৰ সফলতা লৈ কেনেকৈ ঘূৰি আহিল? কামটো কম টান আছিলনে?"

সৰু ভায়েকৰ প্ৰতি তেওঁলোকৰ ঈৰ্ষা হ'বলৈ ধৰিলে। ভায়েকেই দেউতাকৰ বিশাল সম্পত্তিৰ

লোক নৃত্য

হাৰিয়ানাৰ লোক নৃত্যসমূহ হৈছে মানুহৰ উদ্যম আৰু কৰ্মপটুতাৰ প্ৰকাশ। প্ৰতিটো উপলক্ষতে বিশিষ্ট নৃত্য আছে। এইবোৰৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় নৃত্য হ'ল ঢামাল বা দাফ। সাধাৰণতে কুৰ্তা, ধুতি, আৰু ৰঙচঙীয়া পাগুৰিৰ পৰম্পৰাগত পোচাক পৰিধান কৰি পুৰষসকলে মুকলি পথাৰত কৰা এই নৃত্য শস্য চপোৱাৰ আগে আগে আৰু হলি উৎসৱৰ আগে আগে প্ৰদৰ্শন কৰা হয়। ঢোল বা ঢামালৰ তালে তালে এই নৃত্য কৰা হয়। আন এটা জনপ্ৰিয় নৃত্য হ'ল ঝুমাৰ। ঢোলকৰ তালে তালে কেৱল মহিলাসকলেহে এই নৃত্য কৰিব পাৰে। বিবাহিত মহিলাই কপালত পিন্ধা ঝুমাৰ নামৰ অলংকাৰৰপৰা এই বিধ নৃত্যৰ নামকৰণ কৰা হৈছে।

আন কেইটিমান লোক নৃত্য হৈছে লুৰ, ৰাস লীলা, গুগ্গা, চ্ছাটি আৰু ফাগ।

একমাত্র উত্তৰাধিকাৰী হ'ব বুলি ককায়েকহঁতৰ চকুত টোপনি নোহোৱা হ'ল । তেওঁলোকে ভায়েকৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ আঁচনি পাঙিলে ।

ডাঙৰ ককায়েকে আহি ক'লেহি, "আমি নিশ্চয় ভগৱানক ধন্যবাদ জনাব লাগিব । তুমি সফলতাৰে দেউতাৰ দৃষ্টিশক্তি ঘূৰাই আনিলা । কিন্তু দেউতা, আপুনি বিচাৰি থকা সেই সোণালী মাছটোৰ চকু দুটা ক'ত ? ভাইটিয়ে মাত্ৰ অলপমান বালি আনিহে আপোনাৰ চকুৰ পতাত লগাই দিছিলহি । হয়তো দৈৱক্ৰমে আপুনি আপোনাৰ দৃষ্টিশক্তি ঘূৰাই পালে ।"

আন এজন পুতেকে মত দিলে, "এই বালিখিনিয়ে যে আপোনাৰ চকুৰ আকৌ অপকাৰ নকৰিব কোনে জানে ?"

"সি সোণালী মাছটোৰ চকুদুটাহে আনিব লাগিছিল । ই আমাৰ আটাইকে প্ৰতাৰণা কৰিলে।" আন এজন পুতেকে গৰ্জন কৰি ক'লে।

সিহঁতৰ পাকচক্ৰত বৃদ্ধ বন্দী হ'ল । নুমলীয়া পুতেকক ঘৰ এৰি আহিবলৈ বাধ্য কৰোৱা হ'ল। দেউতাকক প্ৰতাৰণা কৰা বুলি তেওঁৰ বিৰুদ্ধে অভিযোগ অনা হ'ল । ঘৰ এৰি নুমলীয়া পুতেকে অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে । এদিন তেওঁ হাবি এখনৰ মাজেদি গৈ থাকোতে কোনোবাই কন্দাৰ শব্দ শুনিলে । সেইয়া এটা শিয়ালৰ কাতৰ দান আছিল ।

"মহাশয়, মোক ৰক্ষা কৰক । কিছুমান চিকাৰীয়ে মোক খেদি আহিছে । আপুনি মোক ৰক্ষা কৰিলে যেতিয়াই আপোনাৰ বিপদ হয় তেতিয়াই মই সহায় কৰিম ।" ফোঁপাই-জোপাই শিয়ালটোৱে ক'লে ।

নুমলীয়া পুত্ৰৰ শিয়ালটোলৈ বেয়া লাগিল । "সেই যে খালটো দেখিছা তাতে লুকাই থাকা । মই বাৰু ওপৰত শুকান পাত আৰু ঠাল-ঠেঙুলি দি ঢাকি দিম । চিকাৰীবোৰ পাৰ হৈ গ'লেই



মই তোমাক মাতিম আৰু তুমি ওলাই আহিব পাৰিবা ।"

শিয়ালটোৱে বুদ্ধিটো ভাল পালে, সি খালটোত লুকাই থাকিল । সেইফালেই অহা চিকাৰীবোৰে নুমলীয়া পুতেকক দেখি সুধিলে, "এইফালে বাৰু এটা শিয়াল পাৰ হৈ যোৱা দেখিছিলা নেকি ?"

"শিয়াল ? শিয়ালনো কি ? মই আজিলৈকে এটাও শিয়াল দেখা নাই ।" ভাব-লেশহীন মুখেৰে তেওঁ ক'লে ।

চিকাৰীবোৰৰ ধৈৰ্য্যচ্যুতি ঘটিল, "এই মূৰ্খই শিয়ালনো কি তাকেই নাজানে । আমি ইয়াত সময় খৰচ কৰাৰ প্ৰয়োজন নাই । আৰু আগলৈ গৈ চোৱা যাওক শিয়ালটো পাওঁ নেকি ?"

চিকাৰীবোৰে সেই ঠাই এৰি যোৱাৰ লগে লগে নুমলীয়া পুতেকে শিয়ালটোক খালৰপৰা ওলাই আহিবলৈ ক'লে । ধন্যবাদ জনাই শিয়ালটোৱে ক'লে, "বিপদত পৰিলেই আপুনি



মোৰ কথা স্মৰণ কৰিব । মই আহি সহায় কৰিমহি ।"

"চিন্তা নকৰিবা । মোৰ বিপদ হোৱা নাই । চিকাৰীবোৰ ঘূৰি অহাৰ আগতেই পলাই যোৱা," মিচিকিয়া হাঁহিৰে নুমলীয়া পুতেক হাবিৰ গভীৰলৈ সোমাই গ'ল ।

হাবিৰ সীমা পাৰ হৈয়েই আছিল এখন ৰাজ্য। এইখন এখন আচৰিত ৰাজ্য আছিল । তাৰ ৰাজকুমাৰীৰ এখন যাদুকৰী দাপোন আছিল। তেওঁ দাপোনখনত সকলো বস্তু চাব পাৰিছিল । তেওঁ ঘোষণা কৰিছিল যে যিজনেই দাপোনত নিজৰ প্ৰতিবিম্ব নপৰাকৈ থাকিব পাৰিব, তেওঁকেই ৰাজকুমাৰীয়ে বিবাহ কৰিব। অৱশ্যে, মানুহজন যদি ব্যৰ্থ হয় আৰু ধৰা পৰে তেন্তে তেওঁৰ শিৰচ্ছেদ কৰা হ'ব ।

নুমলীয়া পুত্ৰই ৰাজপ্ৰাসাদৰ কেউকাষে অসংখ্য মানুহৰ লাওখোলা আৰু হাড়-মূৰ দেখিলে । শিৰচ্ছেদ কৰা যুৱকৰ হৃদয় বিদাৰক কান্দোন যেন কেউফালৰপৰা শুনা গৈছিল । কিন্তু নুমলীয়া পুতেকে ভয় নাখালে । তেওঁ ৰাজকুমাৰীক লগ ধৰিলে ।

ৰাজকুমাৰীয়ে সুধিলে, "তুমি বাৰু মোৰ চৰ্ত্তবোৰৰ কথা জানানে ?"

"ঠিক আছে । আজি নিশা বাৰু তুমি লুকাই থাকা । আৰু কাইলৈ পুৱাৰ ভিতৰতে যদি মই তোমাক বিচাৰি উলিৱাও, তেন্তে তোমাৰ..." ৰাজকুমাৰীয়ে কথাষাৰ শেষ নকৰিলে । বুজা গ'ল পুৱাৰ ভিতৰতে নুমলীয়া পুত্ৰক সিপুৰীলৈ পঠিওৱা হ'ব ।

নিশা, যুৱকজন সাগৰৰ উপকূললৈ গ'ল । তাত তেওঁ সোণালী মাছটোক স্মৰণ কৰি মতাই আনিলে আৰু নিজৰ সমস্যাৰ কথা বিবৰি কৈ মাছটোৰপৰা সহায় বিচৰিলে ।

"সেইটোনো বাৰু সমস্যা হ'ল নে ? তুমি লুকাই থাকিব পৰা সঠিক ঠাইটো মই জানো । মই তোমাক মোৰ পেটত লুকুৱাই ৰাখি মহাসমুদ্ৰৰ অতল গৰ্ভত থাকিমগৈ । তোমাক তাত কোনেও বিচাৰি নাপায়," মাছটোৱে ক'লে।

ইফালে, ৰাজকুমাৰীয়ে নিজৰ দাপোনখন লৈ চাৰিওফালে ঘূৰালে । কিছু সময়ৰ পাছত ৰাজকুমাৰীয়ে তেওঁক বিচাৰি পালে । ৰাতিপুৱা, যুৱকে ৰাজকুমাৰীক লগ ধৰোতে যুৱক লুকাই থকা প্ৰকৃত ঠাই টুকুৰাৰ কথা ৰাজকুমাৰীয়ে জনালে । তাৰপিছত তেওঁ ক'লে, "তোমাক বৰ বুদ্ধিমান যেন লাগিছে । শিৰচ্ছেদ কৰাৰ আগতে মই বাৰু তোমাক আৰু এটা সুযোগ দিম ।"

এইবাৰ যুৱকে হাবিৰ মাজলৈ গৈ শিয়ালটোক মাতি আনি সহায় বিচাৰিলে । "চিন্তা

পৰ্যটকে চাব লগীয়া ঠাই

উত্তৰ ভাৰতৰ প্ৰবেশদ্বাৰ ৰূপে খ্যাত হাৰিয়ানা পৰ্যটকসকলৰ বাবে অন্যতম আকৰ্ষণীয় লক্ষ্য । আৰ্য সভ্যতাৰ প্ৰাচীন কেন্দ্ৰ কুৰুক্ষেত্ৰ পৰ্যটকসকলৰ মাজত সবাতোকৈ জনপ্ৰিয় । ব্ৰহ্ম সৰোবৰ বা ব্ৰহ্মাৰ সৰোবৰ হ'ল সবাতোকৈ পবিত্ৰ ঠাই । সূৰ্য গ্ৰহণৰ সময়ত ইয়াত অনেক ভক্তৰ সমাগম হয় । বিশ্বাস কৰা হয় যে সেইদিনা এই সৰোবৰত পূতঃস্নান কৰিলে এহাজাৰটা অশ্বমেধ যজ্ঞ কৰিলেহে পোৱা ফল পাব পাৰি । সৰোবৰৰ কেউকাষে বহুতো মন্দিৰ আছে । এই ঠাইতেই হেনো মহাভাৰতৰ যুদ্ধ হৈছিল ।

নকৰিবা । মই পৰাখিনি কৰিম," শিয়ালটোৱে আশ্বাস দিলে ।

শিয়ালটোৱে তাৰপিছত তাৰ লগৰবোৰ গোটাই লৈ আলোচনা কৰিলে । সিহঁতে হাবিৰপৰা প্ৰাসাদত ৰাজকুমাৰীৰ বিচনাৰ তললৈকে এটা সুৰংগ খান্দি যুৱকক তাতে লুকুৱাই ৰাখিবলৈ ঠিক কৰিলে ।

ভবা মতেই কাম হ'ল । সুৰংগইদি গৈ যুৱক ৰাজকুমাৰীৰ বিচনাৰ তলতে লুকাই থাকিল ।

সাৰপাই ৰাজকুমাৰীয়ে দাপোনখন হাতত লৈ চাৰিওফালে ঘূৰালে । কেৱল মাত্ৰ নিজৰ বিচনাৰ তলতহে চোৱা নহ'ল । তাতেই যে যুৱকজন লুকাই থাকিব পাৰে সেই কথা ৰাজকুমাৰীৰ সপোনৰো অগোচৰ আছিল । তেওঁৰ চেষ্টা অথলে গ'ল ।

ৰাজকুমাৰীয়ে বুজি পালে যে নিজে দিয়া কথা মতেই তেওঁ এতিয়া যুৱকক বিয়া কৰাব লাগিব । খিৰিকীৰ ওচৰলৈ গৈ তেওঁ যুৱকক দেখা পাই নেকি চালে । কিন্তু তেওঁ বেছি সময় ৰ'ব ল'গা নহ'ল । যুৱকক দেখা গ'ল । লৰৰি আহি ৰাজকুমাৰীয়ে ক'লে, "মই পৰাজয় বৰণ কৰিছো । তুমি জিকিছা ।"

বিবাহৰ ঠিক পিছতেই, তেওঁলোক ওলাল যুঁৱকৰ গাঁৱলৈ বুলি । তেওঁলোকে দেখিলে যে বৃদ্ধ দেউতাকৰ নিজৰ দৃষ্টিশক্তি অটুট আছে । অনুতপ্ত ককায়েকহঁতে নিজৰ আচৰণৰ বাবে ভায়েকৰ ওচৰত ক্ষমা খুজিলে আৰু দৰা আৰু ৰাজকীয় কইনাক উষ্ম আদৰণি জনালে । "আমাক ক্ষমা কৰা, মৰমৰ ভাইটি । আমাৰ অশুভ আচৰণৰ বাবে আমি অতিকৈ দুঃখিত ।"

আকৌ পৰিয়ালটি একেলগ হ'ল । নুমলীয়া পুতেকে দেউতাকক তেওঁৰ নতুন ৰাজ্যলৈ লৈ আহিল। নিজৰ ভাগ্যক ধিয়াই দিন কটাবলৈ ককায়েকহঁত ঘৰতে থাকি গ'ল ।

বিদ্যা ৰাজৰত্নৰ দ্বাৰা পুনৰকথিত





ভাবী জোঁৱাই

সকলো কথাতে খৰ-ধৰ কৰাটো ভানুমতীৰ অভ্যাস। সৰু সৰু কথা লৈয়েই তেওঁ উদ্বিগ্ন হৈ উঠিছিল। কিন্তু তেওঁৰ স্বামী কমলাকান্তৰ স্বভাৱ আছিল ইয়াৰ একেবাৰে বিপৰীত। যিকোনো কথাতে তেওঁ ভালকৈ ভাবি চিন্তিহে সিদ্ধান্ত লৈছিল। কথাও কৈছিল কমকৈ। কিবা ক'ব লাগিলেও তেওঁ সদায় জুখি-মাখিহে কৈছিল। সদায় তেওঁ সাৱধান হৈ চলিছিল। সমস্যা যিমানেই জটিল নহওক কিয় তেওঁ সদায় সঠিক সিদ্ধান্ত ল'ব পাৰিছিল।

তেওঁলোকৰ একমাত্ৰ দুহিতা তেতিয়া গাভৰু হৈছে। তাইৰ বিয়াৰ কথা লৈ ভানুমতীয়ে চিন্তা কৰি পাৰ নাপাইছিল। এদিন তেওঁ কমলাকান্তক ক'লে, "সোনকালে ছোৱালীজনীৰ বাবে এজন পাত্ৰ বিচাৰক। আপোনাৰ দেখিছো কোনো চিন্তাই নাই। এই বিষয়ে আপুনি কেতিয়াবা ভাবিছেনে? তাই যে এতিয়া বিশ বছৰত ভৰি দিলেহি সেই কথা আপুনি জানেনে?"

নিৰুদ্বেগচিত্তে কমলাকান্তই ক'লে, "মনে মনে আছো বুলিয়েই এই বিষয়ে মই চিন্তা কৰা নাই বুলি তুমি ভাবিব নালাগে। কৰিব লগীয়া কামখিনি ঠিক সময়তে কৰিম। খৰ-ধৰ কৰিলে ফল হিতে বিপৰীত হোৱাৰহে সম্ভাৱনা।"

এইদৰে ভানুমতীয়ে কিবা এটা কোৱা আৰু কমলাকান্তই তাৰ উত্তৰ দিয়াটো এটা দৈনন্দিন ঘটনাত পৰিণত হ'ল।

ভানুমতী এদিন এজন আত্মীয়ৰ ঘৰলৈ গৈছিল আৰু তাৰপৰা ঘূৰি আহি তেওঁ কমলাকান্তক ক'লেহি, "হেৰি আপুনি বাৰু কথাটো শুনিছেনে? আমাৰ গাঁৱৰ নামঘৰৰ ওচৰতে হেনো ক'ৰবাৰপৰা এজন স্বামীজী আহি আছেহি। আমি বিচৰা বস্তুটোৰ কথা শুনি তেওঁ যদি 'তথাস্তু' বুলি কয় তেন্তে হেনো সেই ইচ্ছা পূৰণ হয়েই। গাঁৱৰ সকলোৱেই এই বুলিয়েই কৈছে। অৱশ্যে মানুহবোৰে লগতে এইটোও কৈছে যে এটাতকৈ বেছি বৰ বিচৰা অনুচিত।"

"মই এইমাত্ৰ তোমাৰ মুখতহে স্বামীজীৰ কথা শুনিলো। সম্ভৱতঃ তেওঁ জ্ঞানী, জগতৰ বিষয়ে তেওঁৰ বোধকৰো সঠিক ধাৰণা আছে," কমলাকান্তই মিচিক্কৈ হাঁহিটো মাৰি ক'লে।

সেইদিনা আবেলিয়েই ভানুমতীয়ে স্বামীজীক লগ ধৰিবলৈ গ'ল। স্বামীজীয়ে তেওঁক দেখিয়েই সুধিলে, "আই, তুমি কি বৰ বিচাৰি আহিলা?"

ভানুমতীয়ে ভয় খালে। কিনো বৰ বিচাৰিব সেই কথা তেওঁ মুহূৰ্ত্ততে ভাবি উলিয়াব নোৱাৰিলে। অলপ সময় চিন্তা কৰি ক'লে, "যেতিয়া মই প্ৰথমে

ৰঘুবংশী

শহুৰৰ ঘৰলৈ আহিছিলো নিজৰ ঘৰ কৰিবলৈ, তেতিয়া টকা-পইচাৰ অভাৱত মোৰ বৰ কষ্ট হৈছিল। মোৰ জোঁৱাই যাতে কোটিপতি হয় ।"

মিচিকিয়া হাঁহিৰে স্বামীজীয়ে সুধিলে, "কোটিপতি হ'লেই যথেষ্ট হ'ব নেকি ? ভাবাচোন, তেওঁ যদি নিঃসন্তান হয় তেন্তে তেওঁৰ গোটেইখিনি সম্পত্তি এদিন আনৰ দখললৈ নাযাব জানো ?"

ভানুমতীয়ে দেখিলে স্বামীজীয়ে কোৱা কথাবোৰ দেখোন সঁচা, তেওঁ ক'লে, "তেন্তে এনেকুৱা এজন জোঁৱাই পাবলৈ আশীৰ্বাদ কৰক যাৰ সন্তান হয় ।"

"সন্তান ভাগ্যত থাকিলেই জানো বাকীবোৰ সমস্যা নোহোৱা হ'ব ? তেওঁ যদি তোমাৰ কন্যাক ঠিকমতে চোৱা-চিতা নকৰে তেন্তে তাইৰ জীৱনটো জানো দুঃসহ হৈ নুঠিব ? তোমাৰ কন্যাৰ বাবে তেওঁৰ অন্তৰত যদি প্ৰেমেই নাথাকে তেন্তে তাইনো বাৰু কাৰ কথা ভাবি জীয়াই থকাৰ প্ৰেৰণা পাব?" স্বামীজীয়ে সুধিলে।

ভানুমতী আকৌ চিন্তাত বিভোৰ হ'ল । ভানুমতীয়ে এইবাৰ ক'লে, "মোৰ ছোৱালীজনীক এনেকুৱা পতি দিয়ক যিজনে তাইক প্ৰেম কৰে, তাইক ভালকৈ চোৱা-চিতা কৰে ।"

"তেওঁ তোমাৰ কন্যাৰ প্ৰতি প্ৰেম ভাব ৰাখিলেইবা, কিন্তু তোমাৰ ছোৱালীয়ে যদি তেওঁক মনে-প্ৰাণে বিচৰাই নাই, তেন্তে তাইনো বাৰু কেনেকৈ সুখত থাকিব ? এনেকুৱা এজন পতিৰ লগত তাই জানো জীৱন কটাব পাৰিব ?" স্বামীজীয়ে ক'লে ।

ভাবোতে-ভাবোতে ভানুমতীৰ মগজুৰে কাম নকৰা হ'ল । তেওঁ কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে । ভাব-লেশহীনভাৱে এইবাৰ তেওঁ ক'লে, "মোৰ ছোৱালীৰ পতি যেন সুন্দৰ হয় ।"

"সুন্দৰ হোৱাটোৱেই জানো পৰ্যাপ্ত হ'ব ? ধৰি লোৱা তেওঁৰ আয়ুস কম, তেন্তে তেওঁ সুন্দৰ হ'লেইনো কি লাভ হ'ব ।" স্বামীজীয়ে ক'লে ।

"স্বামীজী, মই ভাবিয়েই পাৰ পোৱা নাই মই নো আচলতে কি বৰ বিচাৰো ? কাইলৈ মই মোৰ পতিক পঠিয়াই দিম । তেওঁকেই কৃপা কৰি আপুনি বৰদান কৰিব ।"

পত্নীৰ নেৰানেপেৰা অনুৰোধত, পত্নীক সন্তুষ্ট কৰিবলৈকে কমলাকান্ত স্বামীজীক লগ-পাবলৈ আহিল । তেওঁক দেখিয়েই স্বামীজীয়ে সুধিলে, "বাচা, তোমাক কি বৰ লাগে কোৱা ।"

"আমাৰ ছোৱালীজনীয়ে যাতে সকলো প্ৰকাৰে যোগ্য এজন স্বামী লাভ কৰিব পাৰে তাৰেই বৰ দিয়ক স্বামীজী," কমলাকান্তই তেওঁৰ ইচ্ছা জাহিৰ কৰিলে ।

"তথাস্তু" বুলি কৈ এইবাৰ স্বামীজীয়ে মিচিকিয়াই হাঁহিলে ।

ভাৰতৰ বিষয়ে জানি লোৱা

১.কল্যাণ আৰু পুণাৰ মাজত চলা ভাৰতৰ প্ৰথমখন বৈদ্যুতিক ৰেলগাড়ীৰ নাম আছিল ।

ক) কল্যাণ ৰাণী, খ) পুণা এক্সপ্ৰেচ, গ) ডেক্কান কুইন, ঘ) বিন্ধ্য ৰাণী

২. হুইচপ্যাৰিঙ গেলাৰী চাবলৈ তুমি কলৈ যাব লাগিব ?

ক) গোল গম্বুজ (বীজাপুৰ)

খ) হাৱা মহল (জয়পুৰ)

গ) অজন্তা গুহা (ঔৰংগাবাদ)

ঘ) তাজমহল (আগ্ৰা)

৩. ফিল্ম চিটি ক'ত আছে ?

ক) নতুন দিল্লী, খ) কাণপুৰ, গ) হাইদৰাবাদ, ঘ) গুৱাহাটী

৪. মানুহজনক চিনি পাইছানে ? এজন ভাৰতীয়ৰ সৈতে লগলাগি তেওঁ এটা বিশিষ্ট খ্যাতি লাভ কৰিছিল । অলপতে তেওঁৰ পুতেকে একেটা খ্যাতিকে পাইছে ।

৫. চিত্ৰখনত এটা অদ্ভুত কথা আছে । কি বাৰু ?



৬. ভাৰতীয় ৰেলৱেৰ এইবাৰ ১৫০ বছৰ পূৰ্ণ হৈছে । এই উপলক্ষে ঠিক কৰা হোৱা প্ৰতীকী জন্তুটোৰ নাম কি বাৰু ?

ক) আপ্পু, খ) ভলু, গ) চটু, ঘ) ভালু

(উত্তৰ অহা মাহত)

মেই মাহৰ উত্তৰ

১. চিমলা

২.গোদাৱৰী

৩.দিল্লীৰ ইণ্ডিয়া গেইটৰ সমুখত কোনো জলপৃষ্ঠ নাই । সাগৰ আৰু আধুনিক ঘৰবোৰ মুম্বাইৰ গেটৱে অভ্ ইণ্ডিয়াৰ চিনাকি দৃশ্যৰ অংশ ।

৪. গংগাৰ ওপৰৰ হাওৱা দলং

৫. চিমলা

৬. জামচেদপুৰ



গণেশ

চলুকবৰ্মাকো চুলুক নামৰ এন্দুৰজনীৰে সৈতে এটা কোঠাত সুমুৱাই থৈ চলুকক শক্ৰঞ্জয়ে ক'লে, "আমাৰ মাজত তোমাৰ ঠাই নহ'ব। তোমাৰ ভক্তিৰ পাত্ৰ গণেশৰ বাহন এন্দুৰেই হওক তোমাৰ যোগ্য পত্নী। এই ঘৰটোত ঢেৰ গাঁত আছে, এন্দুৰজনী কোনোবা এটা গাঁততে থাকিব পাৰিব।"

পিতৃৰ কথাৰ উত্তৰত চলুকে শান্ত কণ্ঠেৰে ক'লে, "গণেশৰ ইচ্ছাতে সকলো বিবাহ সম্পন্ন হয়। কাৰ সৈতে কাৰ বিবাহ হ'ব সেয়া হ'ল ভাগ্যৰ কথা। মোৰ ভাগ্যৰ ক্ষেত্ৰতো কথা একেই।"

পিতৃ শত্ৰুঞ্জয়ৰ এই শত্ৰুতামূলক কাৰ্য্যৰ ফলত চলুকবৰ্মাই দুখ পালে যদিও অস্থিৰ নহ'ল। চলুকবৰ্মা আছিল গণেশৰ ওপৰতে নিৰ্ভৰশীল। চলুকে এই কথা ভাবি মনক পতিয়ালে : মহাগণাধিপতি বিঘ্নেশ্বৰ গণেশৰ যদি এয়ে ইচ্ছা, মই অযথা অশান্ত নহওঁ।

চলুকে সকলো ফলাফল গণেশৰ ওপৰত অৰ্পি, শান্ত আৰু নিবিষ্ট মনেৰে চুলুক নামৰ এন্দুৰজনীৰে সৈতে ঘৰ গৃহস্থালি কৰিবলৈ ধৰিলে।

চলুকে যেতিয়া শাস্ত্ৰাদি পাঠ কৰিছিল তেতিয়া চুলুকো ওচৰতে বহি থাকিছিল। চলুকে গণেশক পূজা কৰোঁতে চুলুকে ফল-ফুল আদি আগবঢ়াই দিছিল। চলুকে আহাৰ কৰাৰ পাছত যিকণ খোৱাবস্তু অৱশিষ্ট হিচাপে পৰি থাকিছিল, চুলুকে তাকে খাইছিল।

এইদৰে বহুদিন উকলিল, আৰু এদিন গণেশ পূজাৰ দিন আগুৱাই আহিল।

চুলুকে সকলো এন্দুৰক মতাই পঠালে

আৰু সিহঁতৰদ্বাৰা গণেশপূজাৰ বাবে সমস্ত আয়োজন সম্পন্ন কৰি ল'লে ।

বহু মহিলাই গণেশপূজাৰ বাবে সোণৰ কলহ ভৰাই নৈৰপৰা পানী কঢ়িয়াই অনা দেখি চুলুক এটা কলহৰ ভিতৰত সোমাই নৈলৈ গ'ল । নৈলৈ যোৱাৰ পাছত চুলুকে ভাবিলে : মই একেবাৰে অকাজভাগী, কলহটো বগৰাই বগৰাই নৈলৈ লৈ আহিলোঁৱেই যেনিবা, পানীনো লৈ যাওঁ কেনেকৈ ? মোৰ বুদ্ধিও নাই শক্তিও নাই ।" এই বুলি কৈ চুলুকে শিলত মূৰ আফালি কান্দিবলৈ ধৰিলে ।

ঠিক তেতিয়াই তাত গণেশ আবিৰ্ভূত হ'ল আৰু চুলুকৰ গাত হাত ফুৰাই দিয়াৰ লগে লগে গণেশৰ প্ৰভাব তথা আশীৰ্বাদৰ ফলত চুলুক শাপমুক্ত হ'ল আৰু আকৌ অপৰূপ সুন্দৰী কল্যাণকিঙ্কিণীলৈ ৰূপান্তৰিত হ'ল ।

তাৰ পাছত কল্যাণকিঙ্কিণীয়ে যেতিয়া নৈৰপৰা পানী কঢ়িয়াই লৈ গৈ থাকিল, তেতিয়া সকলোৱে ৰ'লাগি চাই থাকিল । কল্যাণকিঙ্কিণীক দেখি ইজনীয়ে সিজনীক সুধিলে, "এওঁনো বাৰু কোন ? কোননো এই অপূৰ্ব ৰূপৱতী ?"

শত্ৰুঞ্জয়ে সকলো শুনি নিজৰ অজ্ঞতাৰ কাৰণে লজ্জিত হ'ল আৰু চলুকবৰ্মাক তেওঁৰ পত্নীৰে সৈতে পুনৰ ৰাজগৃহলৈ লৈ আহিল । এই ঘটনাৰ ফলত ৰাজপৰিয়ালত আলোড়নৰ সৃষ্টি হ'ল । চলুকবৰ্মাৰ ককায়েকহঁতে দেউতাক শত্ৰুঞ্জয়ক ক'লে, "দেউতা, তুমি আমাৰ বিয়া এজনীকৈ এন্দুৰৰ সৈতে পাতি নিদিলা কেলেই ? তেতিয়া আমিও দেখোন অপ্সৰীৰ স্বামী হ'ব পাৰিলোহেঁতেন ।"

পুত্ৰহঁতৰ নিবুৰ্দ্ধিতাৰ পৰিচয় পাই মনৰ দুখতে শত্ৰুঞ্জয় ৰাজপ্ৰাসাদ এৰি তপস্যাৰ বাবে বনলৈ গুচি গ'ল ।

শত্ৰুঞ্জয় গুচি যোৱাৰ পাছত চলুকবৰ্মাৰ ককায়েকহঁতৰ মাজত সিংহাসন লৈ খোৱা-কামোৰা লাগিল আৰু পৰস্পৰ যুদ্ধ কৰি মৰিল। তেতিয়া, সেই বংশত চলুকবৰ্মাৰ বাহিৰে আন এজনো জীয়াই থকা নাছিল । প্ৰজাবৰ্গই বহু অনুৰোধ কৰাত চলুকবৰ্মা সিংহাসনত বহিল । চলুকবৰ্মাৰ শাসনকালত প্ৰজাবৰ্গ অতি সুখেৰে জীৱনযাপন কৰিছিল ।

পত্নী কল্যাণকিঙ্কিণীৰ নামত চলুকবৰ্মাই 'কল্যাণী' নামৰ নগৰ এখন সাজিলে । যথাসময়ত চলুকবৰ্মাই চাৰিটি পুত্ৰলাভ কৰিলে । তেঁওলোক 'চালুক্য' নামেৰে জনাজাত হৈছিল ।

এইদৰে, প্ৰথম পুৰুষ চলুকবৰ্মাৰ শাসনকালত বাতাপী নগৰত বহুতো দ'ল-দেৱালয় নিৰ্মিত হৈছিল । চলুকবৰ্মাৰ ৰাজত্বকালত সেই নগৰখনৰ অধিপতি হিচাপে গণেশ পূজিত হৈছিল ।

চালুক্যসকলৰ শাসনাধীন ৰাজ্য দিনে দিনে বিস্তাৰলাভ কৰি থাকিল । তেওঁলোকৰ বংশধৰসকলে বহু ৰাজ্য শাসন কৰিবলৈ ধৰিলে । পৰৱৰ্তীকালত বাতাপী নগৰৰ ৰজাসকলে বাতাপী-চালুক্য, কল্যাণীচালুক্য, বেংগী-চালুক্য, পূৰ্ব-চালুক্য, পশ্চিমচালুক্য, সৌৰাষ্ট্ৰ-চালুক্য আদি নামেৰে পৰিচিত হ'ল। কালক্ৰমত বাতাপী-নগৰৰ নাম পৰিৱৰ্তিত হৈ বাদামী-নগৰ হ'ল ।

গণেশৰ বিনোদনৰ কাহিনী

তেতিয়া বিঘ্নেশ্বৰ বাতাপী-গণেশক আৰু বাতাপী-নগৰক বিঘ্নেশ্বৰৰ ক্ষেত্ৰ হিচাপে অভিহিত কৰা হৈছিল । পাৱন মিশ্ৰ নামৰ এগৰাকী পণ্ডিতে চেমনীয়াহঁতক গণেশৰ বিভিন্ন কাহিনী শুনাইছিল । এই কাহিনী শুনিবলৈ আনকি বয়সস্থসকলো পাৱন মিশ্ৰ নামৰ এই পণ্ডিতগৰাকীৰ ওচৰলৈ সদায় আহিছিল ।

এটা মন্দিৰৰ গাত গণেশৰ বিভিন্ন কাহিনী চিত্ৰিত আছিল । এটি ল'ৰাই সেই চিত্ৰসমূহৰ মাজত এখন চিত্ৰৰ কাহিনীভাগ শুনিবলৈ বিচৰাত পাৱনমিশ্ৰই ক'লে :

কোনোবা এখন নগৰত সত্যশৰ্মা আৰু লোভগুপ্ত নামৰ দুজন প্ৰতিবেশী আছিল । লোভগুপ্তৰ আচল নাম আছিল লাভগুপ্ত । কিন্তু অতি লোভী হোৱা হেতুকে ৰাইজে তাক



লোভগুপ্ত বুলি অভিহিত কৰিছিল ।

সত্যশৰ্মা আৰু লোভগুপ্তই প্ৰতিদিনএটা মন্দিৰলৈ গৈছিল । সত্যশৰ্মাই গণেশক প্ৰণাম কৰিছিল ; কিন্তু লোভগুপ্তই সেই মন্দিৰত থকা শিৱলিংগৰ গাত মূৰ আফালি কিবাকিবি কৈছিল ।

এদিন সত্যশৰ্মাই শিৱদৰ্শন সমাপন কৰাৰ পাছত লোভগুপ্ত বিপৰীত ফালৰপৰা আহি থাকোঁতে নন্দীয়ে গণেশক ক'লে, "হে, বিঘ্নেশ্বৰ, সত্যশৰ্মাৰ সদ্যহতে বৰ ধনৰ অভাৱ হৈছে । তেওঁৰ বাবে কিবা কৰিব নোৱাৰিনে ?"

"ঠিক আছে, আজি গধূলিতে তেওঁক এহেজাৰ সোণৰ মুদ্ৰা দিয়া হ'ব ।" গণেশে নন্দীৰ কথাৰ উত্তৰত ক'লে । কিন্তু গণেশৰ কথাষাৰ লোভগুপ্তৰ কাণত পৰিল ।

লোভগুপ্ত ততাতৈয়াকৈ সত্যশৰ্মাৰ ঘৰলৈ গ'ল আৰু তেওঁক ক'লে, "হেৰা



সত্য, তোমাৰ এতিয়া ভয়ানক ধনৰ অভাৱ হৈছে মই জানো । মই তোমাক এতিয়াই পাঁচশ সোণৰ মুদ্ৰা দিম ৰ'বা ।" এইবুলি কৈয়েই লোভগুপ্ত ঘৰলৈ গ'ল সোণৰ মুদ্ৰা লৈ আহিবলৈ ।

ঘৰৰপৰা উভতি অহাৰ পাছত সত্যশৰ্মাই সবিনয়ে লোভগুপ্তক ক'লে, "হেৰি গুপ্ত ডাঙৰীয়া, 'ধাৰ পৰিশোধ কৰিব নোৱাৰিলে ঘৰ এৰি দিব লাগিব' বুলি কালিয়েই মোক কোৱা নাছিল জানো আপুনি ? আনকি ঘৰটো আপোনাৰ ওচৰত বেচি দিবলৈকো কৈছিল দেখোন মোক । এতিয়া আপুনি আকৌ পাঁচশ সোণৰ মুদ্ৰা দিব বুলি কৈছে । ইমান ঋণ মই পৰিশোধ কৰিম কেনেকৈ ?"

লোভগুপ্তই ক'লে, "এতিয়া মই তোমাক পাঁচশ দিম, পৰিশোধ কৰোঁতে মোক এহেজাৰ দিব লাগিব । আজি সন্ধিয়া পৰতে তুমি কিজানি মুদ্ৰা পাবা ।"

সত্যশৰ্মাই লোভগুপ্তৰ কথাৰ তাৎপৰ্য্য ধৰিব নোৱাৰি চিন্তান্বিত হ'ল । তেতিয়া সত্যশৰ্মাৰ পত্নীয়ে সত্যশৰ্মাক ক'লে, "পৰিশোধলৈ তুমি কিনো ইমান চিন্তা কৰি আছা ? আমাৰ অভাৱৰ সময়ত এওঁ উপযাচি দিছে--অথচ তুমি লোৱা নাই । ইপিনে ধনৰ অভাৱত ছোৱালীজনীৰ বিয়াখনো আমি পাতিব পৰা নাই ।"

অৰ্থাভাৱত সত্যশৰ্মাৰ জীয়েকৰ বিয়া নোহোৱাৰ কথাষাৰ সঁচা আছিল । কমেও পাঁচশ সোণৰ মুদ্ৰাৰ অবিহনে বিয়াখন পতা টানেই হৈ পৰিছিল ।

সত্যশৰ্মাই লোভগুপ্তক ক'লে, "চাওক, সন্ধিয়া পৰতে মই যদি সঁচাসঁচিকৈয়েই হাজাৰ মুদ্ৰা পাওঁ--তাৰপৰা আপোনাক পাঁচশ মুদ্ৰা দিবলৈ মোৰ একো অসুবিধা নহ'ব । কিন্তু কোনেনো মোক হাজাৰ সোণৰ মুদ্ৰা দিব ? আৰু কিয় দিব ? মই এইবোৰ কথাৰ আগ-গুৰি ধৰিব পৰা নাই । আৰু, মুদ্ৰা পোৱাৰ নিশ্চয়তা নাই যিস্থলত--ধাৰ লওঁনো কেনেকৈ ?"

লোভগুপ্তই টপৰাই কৈ উঠিল, "সেইবোৰ বাৰেবচহু কথাৰে একো লাভ নহ'ব । আমি হ'লো ওচৰ চুবুৰীয়া--যাক বোলে প্ৰতিবেশী । মোৰ প্ৰয়োজনত তুমি বা তোমাৰ প্ৰয়োজনত মই সহায় নকৰিলে কেনেকৈ জীয়াই থকা যাব ?" এই বুলি কৈ পাঁচশ সোণৰ মুদ্ৰাৰে ঠাহ খোৱা টোপোলা এটা সত্যশৰ্মাৰ হাতত গটাই দিলে লোভগুপ্তই । লোভগুপ্তই জানিছিল যে সত্যশৰ্মা দুখীয়া হ'লেও মিছলীয়া নহয় । মুদ্ৰা

পায়ো 'নাই পোৱা' বুলি কেতিয়াও নক'ব তেওঁ।

কিন্তু সাঁজ লাগি ভাগিল, ৰাতি ভালেখিনি হ'ল, তথাপি সত্যশৰ্মাই একো নাপালে। ইপিনে--লোকৰ আঙুলিও জুইত দি খোৱা লোভগুপ্ত অস্থিৰ হৈ উঠিল। সি মন্দিৰলৈ লৰৰি হৈ গণেশৰ সমুখত বহি গণেশক ক'লে, "বিঘ্নেশ্বৰ, কথানো কি? সত্যশৰ্মাক এহেজাৰ সোণৰ মুদ্ৰা দিবা বুলি কৈছিলা যে--নিদিলা কিয়?" এই বুলি কৈ লোভগুপ্তই গণেশৰ শুঁৰত ধৰি জোকাৰি দিলে আৰু তৎমুহূৰ্তে লোভী লোভগুপ্তৰ হাতখনক গণেশৰ শুঁৰে সাবট মাৰি ধৰিলে।

লোভগুপ্ত অতি যন্ত্ৰণাত ছটফট কৰি থাকিল। তেতিয়া গণেশৰ বিগ্ৰহই ক'লে, "লোভগুপ্ত, সত্যশৰ্মাক এহেজাৰ সোণৰ মুদ্ৰা নিদিয়ালৈকে তোমাৰ মুক্তি নাই।"

লোভগুপ্তই তাৰ আনখন হাতেৰে কপালত চপৰিয়াই ক'লে, "এয়া কিন্তু বৰ অনিয়ায় হৈছে বিঘ্নেশ্বৰ। পাঁচশ সোণৰ মুদ্ৰা তাক মই দিলোঁ। এতিয়া সেই পাঁচশও আৰু ঘূৰাই নাপাওঁ যেন লাগিছে তোমাৰ কথাৰ ধা-ধৰণ শুনি।"

"সেই পাঁচশ তুমি এনেয়ে উপযাচি দিছানে? পাঁচশৰ সলনি এহেজাৰ পোৱাৰ লোভতহে দিছা। ভালে ভালে কৈছোঁ--সত্যশৰ্মাক আৰু পাঁচশ মুদ্ৰা দিয়াগৈ, ছোৱালীজনীৰ বিয়া তোমাৰ নিজৰ ছোৱালীৰ বিয়া পতাৰ দৰে পাতি দিয়াগৈ যোৱা। নহ'লে তোমাক নেৰিছোঁ। ওঁ, আন এটা কথা। তেওঁৰ ঘৰটো ঠগি ল'বলৈ যিখিনি মুদ্ৰা তেওঁক ধাৰলৈ দিছিলা, সেইখিনিও

তেওঁৰপৰা আৰু কেতিয়াও নুখুজিবা ।" গণেশে লোভগুপ্তক গম্ভীৰ কণ্ঠেৰে ক'লে ।

গণেশৰ আদেশ আখৰে আখৰে পালন কৰিব বুলি তিনি সইত খোৱাত গণেশে তাক মুক্তি দিলে । লোভগুপ্তৰ এই শাস্তিৰ কথা সকলোতে বিয়পি পৰিল আৰু সকলোৱে ভালেই পালে । লোভগুপ্তৰ চৰিত্ৰত বিৰাট পৰিৱৰ্তন আহিল ।

এই কাহিনী কোৱাৰ অন্তত পাৱন মিশ্ৰই প্ৰসাদ বিলাবলৈ ধৰিলে । প্ৰসাদ খোৱাৰ পাছত তাত উপস্থিত চেমনীয়াহঁত ঘৰাঘৰি গুচি গ'ল ।

তাৰ পাছত, আন এদিন এজনী সৰু ছোৱালীৰ অনুৰোধত পাৱনমিশ্ৰই আন এটি কাহিনী ক'বলৈ ধৰিলে :

কল্যাণী নগৰত কলহকণ্ঠী নামেৰে এগৰাকী ধনী মহিলা আছিল । তেওঁৰ বোৱাৰীয়ে মাকৰ ঘৰৰপৰা আ-অলংকাৰাদি লৈ আহিব নোৱৰা বাবে কলহকণ্ঠীয়ে বোৱাৰীক যম-যাতনা দিছিল । প্ৰতিবেশীসকলে যদিও বোৱাৰী সৌদামিনীক যাতনা দিয়াত কলহকণ্ঠীক বেয়া পাইছিল ; কিন্তু প্ৰকাশ্যে কোনেও একো কোৱা নাছিল ।

এদিন, এই যাতনা অসহনি হোৱা সৌদামিনীয়ে মনৰ দুখতে মাকৰ ঘৰলৈ বুলি খোজ ল'লে । সৌদামিনীয়ে অকলশৰে কেতিয়াও ক'লৈকো যোৱা নাছিল । সেয়েহে, তেওঁ বাট ভুল কৰি অটব্য অৰণ্য পালেগৈ । অৰণ্যৰ মাজেদি গৈ গৈ তেওঁ এজোপা কথ-বেল গছৰ তলত অৰ্ধ-অচেতনৰ দৰে বাগৰি পৰিল ।

সৌদামিনীয়ে আত্মঘাতী হোৱাটোকে স্থিৰ কৰিছিল । ক্লান্ত অৱসন্নভাৱে কথবেল গছৰ তলত পৰি থাকোঁতে এটা কথবেল তললৈ সৰি পৰি বাগৰি বাগৰি সৌদামিনীৰ কাষতে ৰ'লহি । কথবেলটো হাতত লৈ উঠি বহি দিয়াৰ লগে লগে সৰু হাতী এটিক আগুৱাই অহা দেখি সেই হাতীটিৰ ভৰিৰ তলত পৰি আত্মঘাতিনী হোৱাৰ বাসনা উপজিল সৌদামিনীৰ মনত ।

কিন্তু সেই হাতীটিয়ে তাৰ শুঁৰডাল সৌদামিনীৰ মূৰত আশীৰ্বাদ কৰাৰ ভংগীৰে এখন্তেকলৈ থৈ, তাৰ পাছত সৌদামিনীক এটা গুহালৈ লৈ গ'ল । **(আগলৈ)**

তামৰ মুদ্ৰাৰ মহিমা

প্ৰসেনজিৎ বকুলপুৰৰ নিবাসী আছিল । তেওঁৰ লোভ বেছি আছিল, তৃপ্তি কম । তেওঁ জীৱনত বহুত সম্পত্তি কৰিছিল, আৰু বেছি সম্পত্তি কৰাৰ অভিলাষ তেওঁৰ আছিল । আৰু সম্পত্তিৰ আশাতেই তেওঁ এদিন নগৰলৈ ওলাল । চুবুৰীয়া প্ৰদীপকো তেওঁ লগ ধৰিলে ।

প্ৰদীপৰ লোভ কম, তৃপ্তি বেছি আছিল । তেওঁ নিজৰ গাঁৱত থাকিয়েই সুখৰ জীৱন কটাব খুজিছিল । তথাপি তেওঁ প্ৰসেনজিতৰ কথা পেলাব নোৱাৰিলে । অনিচ্ছাসত্ত্বেও তেওঁ প্ৰসেনজিতৰ লগত ওলাল ।

দুয়ো খোজকাঢ়ি গৈ আছে । অলপ দূৰ যোৱাৰ পাছতে তেওঁলোকে সংজ্ঞাহীন হৈ পৰি থকা এজন বৈৰাগীক লগ পালে । প্ৰসেনজিতে ভাবিলে, "আমিনো চিন্তা কৰিব লাগিছে কিয় ? অচিনাকী মানুহজনক লৈ মূৰ ঘমোৱাৰনো কি যুক্তি আছে ?" কিন্তু প্ৰদীপে এই কথাত একমত হ'ব নোৱাৰিলে । ওচৰতে সৰোবৰ এটালৈ গৈ তেওঁ দুহাতেৰে অলপ পানী লৈ আহিল । বৈৰাগীৰ মুখত তেওঁ পানীখিনি ছটিয়াই দিলে । বৈৰাগীয়ে সংজ্ঞা ঘূৰাই পালে । বহি লৈ তেওঁ ক'লে, "আপুনি মোক বৰ ডাঙৰ সহায় কৰিলে । মইয়ো আপোনাক সহায় কৰিব খোজো ।"

"তুমিতো সংজ্ঞাহীন হৈ পৰি আছিলা । তুমিনো আমাক কি সহায় কৰিবা ?" প্ৰসেনজিতৰ কণ্ঠত আছিল ব্যঙ্গৰ ভাব ।

"মোৰ ওচৰত দুটা মহিমাময় চন্দুক আছে । ইয়াৰে এটাই দৈনিক একোটাকৈ সোণৰ মুদ্ৰা দিয়ে । আনটো আকৌ নিতৌ একোটাকৈ তামৰ মুদ্ৰা দিয়ে । নিয়ম অনুসাৰে মই এই দুটা চন্দুকৰ সদব্যৱহাৰ কৰিব পৰা নাই । মই ইয়াৰ বাবে যোগ্য ব্যক্তিৰ সন্ধানত আছো । মই অচেতন হোৱাটো মাত্ৰ অভিনয়হে আছিল । বহুতো লোকে মোক এনেকৈ অচেতন হৈ থকা দেখিছিল, কিন্তু কোনেও মোক সহায়

কৰিবলৈ আগবাঢ়ি অহা নাছিল । কেৱল আপোনালোকেহে মোক সহায় কৰিলে । আপোনালোক দুয়োজনৰ ভিতৰত যিজনেই মোক বেছি সহায় কৰিলে, তেওঁৱেই প্ৰথমে আহি এটা চন্দুক বাচি লওক । কিন্তু এটা কথা সদায় মনত ৰাখিব । আপুনি মোক যিমানখিনি সহায় কৰিলে, সেই অনুপাতেহে প্ৰতিফল পাব । তাতকৈ বেছি নহয় ।" বৈৰাগীয়ে ক'লে ।

প্ৰসেনজিতে ভয় খাইছিল প্ৰদীপেই আহি প্ৰথমতে সোণৰ মোহৰ দিয়া চন্দুকটো ল'বহি বুলি । কিন্তু প্ৰদীপে তেনে নকৰিলে । তেওঁ ক'লে, "আপোনাক সহায় কৰাটো মোৰ কৰ্ত্তব্য আছিল । কোনো প্ৰতিফলৰ আশাত মই এনে কৰা নাছিলো । তথাপিও আপুনি কিবা এটা দিব খুজিছে যেতিয়া তাক অস্বীকাৰ কৰাটোও ভাল নহ'ব । কিন্তু প্ৰসেনজিতৰ বাবেই আমি এই যাত্ৰাত ওলালো । সেয়েহে কোনটো চন্দুক লাগিব সেইটো তেওঁহে প্ৰথমতে বাচি ল'ব ।"

আনন্দত উত্‍ফুল্ল হোৱা প্ৰসেনজিতে দৈনিক সোণৰ মোহৰ দিয়া চন্দুকটোকে বাচি ল'লে । বৈৰাগীয়ে সোণৰ মোহৰ দিয়া চন্দুকটো প্ৰসেনজিতক গতাই ক'লে, "প্ৰদীপ তোমাৰ লগত আহিছে বাটৰ লগৰীয়া হৈ । তোমাৰ কাৰণেই ভাগ্যই তেওঁক এৰা দিলে। প্ৰদীপ সঁচাকৈয়ে সন্ত পুৰুষ । এনে সন্ত পুৰুষৰ সংগ কেতিয়াও নেৰিবা ।"

প্ৰসেনজিত আৰু প্ৰদীপ বৈৰাগীৰ আশীৰ্বাদ লৈ যাবলৈ ওলাল । তেতিয়ালৈকে প্ৰসেনজিতৰ ওচৰত আছিল চন্দুকে দিয়া এটা সোণৰ মোহৰ আৰু প্ৰদীপৰ ওচৰত আছিল এটা তামৰ মুদ্ৰা । দুদিনৰ পাছত নগৰত উপস্থিত হৈ প্ৰসেনজিতে প্ৰদীপক ক'লে, "এতিয়া আমি দুয়ো এৰাৰি হ'ব লাগিব । মোৰ ওচৰত সোণৰ অসংখ্য মুদ্ৰা



হ'বহি। এইখিনিৰ সুৰক্ষাৰ বাবে মোক এটা ভাল ঘৰ আৰু এজন প্ৰহৰী লাগিব। তোমাৰ হাতত থকা তামৰ মুদ্ৰাখিনিতো তুমি য'তে ত'তে ৰাখিব পাৰিবা। তোমাৰ কোনো বিপদৰ ভয় নাই। তুমি যেনেকুৱা জীৱন বিচাৰিছিলা, তাকেই পালা, নহয় জানো?"

দুয়োজন এৰাএৰি হ'ল। তিনিটা বছৰ পাৰ হ'ল। প্ৰসেনজিতে এটা সুন্দৰ ভৱন নিৰ্মাণ কৰোৱাই পৰম বৈভৱৰে জীৱন কটাবলৈ ধৰিলে। কিন্তু প্ৰদীপে কষ্টৰে দিন কটাইছিল। চন্দুকৰপৰা পোৱা তামৰ মুদ্ৰাবোৰ তেওঁ খুব সাৱধানে ৰাখিছিল। প্ৰদীপে সেইবোৰ এটা মোনাত ভৰাই সদায় কঁকালত বান্ধি থৈছিল। আনক সহায় কৰিবলৈ তেওঁ কেতিয়াও নাপাহৰিছিল।

প্ৰদীপৰ কঁকালত বান্ধি থোৱা মোনাটোৱে বহুতৰে দৃষ্টি আকৰ্ষণ কৰিছিল। এবাৰ এটা চোৰে মোনাটো চুৰ কৰি তাৰ ভিতৰত তামৰ মুদ্ৰাবোৰ দেখি স্তম্ভিত হ'ল। সি দেখিলে যে তামৰ মুদ্ৰাবোৰৰ এপিঠিত ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ চিত্ৰ আছে আৰু আনটো পিঠিত আছে সৰস্বতী, লক্ষ্মী আৰু পাৰ্বতীৰ চিত্ৰ। চিত্ৰবোৰ দেখি চোৰটোৱে ভাবিলে যে এইবোৰ নিশ্চয় মন্ত্ৰপুতঃ মুদ্ৰা। সেই মুহূৰ্ত্ততে চোৰটোৱে প্ৰদীপৰ ওচৰলৈ আহি মোনাটো ঘূৰাই দি ক্ষমা খুজিলে।

তেতিয়া প্ৰদীপে তাক ক'লে, "ভগৱানৰ অভিশাপৰ ভয়তহে তুমি মোক এই মুদ্ৰাবোৰ ঘূৰাই দিলাহি। ভগৱান প্ৰতিটো প্ৰাণীৰ মাজতে আছে। সেইজন ভগৱানৰ ওচৰতো ভয় কৰিবলৈ শিকা। চোৰ কৰাটো বন্ধ কৰি পৰিশ্ৰমেৰে জীৱন কটাবলৈ শিকা।"

সেই দিনাৰেপৰা চোৰৰ পৰিৱৰ্তন ঘটিল। কিন্তু প্ৰদীপে মানুহক কৈ ফুৰিলে যে তামৰ মুদ্ৰাবোৰৰ মহিমাৰ বাবেই চোৰটোৱে নতুন জীৱন পালে। লাহে লাহে এই কথা জনাজাত হৈ পৰিল যে প্ৰদীপৰ তামৰ মুদ্ৰাবোৰৰ মহিমা আছে। সেয়েহে বৃহৎ সংখ্যক লোক তেওঁৰ ওচৰলৈ আহি নিজৰ নিজৰ সমস্যাৰ কথা ক'বলৈ ধৰিলে। এই লোকসকলে প্ৰদীপৰ কঁকালত বান্ধি থোৱা তামৰ মুদ্ৰাৰ মোনাটো স্পৰ্শ কৰিলেই তেওঁলোকৰ সমূহ সমস্যাৰ সমাধান হয় বুলি বিশ্বাস কৰিছিল।

লাহে লাহে প্ৰদীপৰ তামৰ মুদ্ৰাবোৰৰ প্ৰতি মানুহৰ ভক্তি বাঢ়ি আহিল। আনকি ৰোগী আহিও মোনাটো স্পৰ্শ কৰিলে ৰোগ নিৰাময় হৈছিল। প্ৰদীপৰ আৰ্থিক অৱস্থাৰ উন্নতি ঘটাবলৈ বহুত লোক আগবাঢ়ি আহিল। তাৰ ভিতৰত অনেক ধনী মানুহো আছিল।

এই সকলোবোৰ কথা প্ৰসেনজিতৰ কাণত পৰিছিল। তামৰ মুদ্ৰাৰ গৰাকীয়ে পোৱা প্ৰসিদ্ধি তেওঁ নাপালে। ঈৰ্ষাত তেওঁ জ্বলি-পুৰি মৰিছিল।



এদিন তেওঁ প্ৰদীপক লগ ধৰি ক'লে "মইতো নাজানো যে তোমাৰ তামৰ মুদ্ৰাবোৰৰ ইমান বেছি মহিমা আছে বুলি, কিন্তু মানুহেতো সেই বুলিয়েই বিশ্বাস কৰে । নিবিচিৰাকৈয়ে তুমি মানুহক দান দিয়া । সকলো তোমাৰ প্ৰশংসাত পঞ্চমুখ । যিদিনা মানুহে গম পাব যে আচলতে তোমাৰ তামৰ মুদ্ৰাবোৰৰ কোনো মহিমা নাই, সেইদিনা তোমাৰ সৰ্বনাশ কৰিবলৈ সকলো আগবাঢ়ি আহিব । তুমি ৰৌ ৰৌ নৰকত পচিবা । তুমি সময় থাকোতেই আন এখন ঠাইলৈ গুচি যোৱা য'ত মানুহে এই তামৰ মুদ্ৰাৰ তথাকথিত মহিমাৰ কথা নাজানে ।"

প্ৰদীপে তেওঁৰ এই পৰামৰ্শত সুখী হোৱা যেন দেখুৱাই ক'লে, "মানুহে মোক এনে দুৰ্দশা কৰিব বুলি মই কেতিয়াও ভয় খোৱা নাই । মই মাত্ৰ বিচাৰো পৰিশ্ৰম কৰি সুখে-সন্তোষে জীয়াই থকা ।" এইবুলি কৈ সেইদিনা ৰাতিয়েই প্ৰদীপ সেই চহৰখন এৰি গুচি আহিল ।

এতিয়া প্ৰদীপ যিখন দেশত থাকিবলৈ আহিছিল, তাৰ ৰজাজনৰ নাম আছিল অগ্নি সেন । তেওঁৰ পত্নী জ্বালামুখী বহু দিন ধৰি এটা টান নৰিয়াত ভুগি আছিল । কোনো বৈদ্যই ক'ব পৰা নাছিল, এই ৰোগটোনো কি আৰু ইয়াৰ চিকিৎসা আছে নে নাই । ৰজাই নিজৰ ফালৰপৰা চেষ্টাৰ ক্ৰুটী কৰা নাছিল যদিও সুফল পোৱা নাছিল ।

বৈৰাগীয়ে এই কথা গম পাই এদিন ৰজাক লগ ধৰি ক'লে, "মহাৰাজ, আপোনাৰ পত্নীৰ অসুস্থতাৰ কথা মই শুনিবলৈ পাইছো । এই ৰোগ কেনেকৈ নিৰাময় কৰিব পাৰি তাৰেই উপায়ৰ কথা মই আপোনাক কম । ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ তথা তেওঁলোকৰ পত্নীৰ চিত্ৰ যিটো তামৰ মুদ্ৰাত খোদাই কৰা হৈছে, তেনে এটা মুদ্ৰা এটা বাল্টিত থওক । বাল্টিটো পানীৰে ভৰাই দিয়ক । দেখিব তেওঁ নিৰোগী হৈ উঠিছে । প্ৰদীপ নামৰ এজন সৎ পুৰুষৰ ওচৰত এই ধৰণৰ মুদ্ৰা আছে । তেওঁ কাইলৈ ইয়ালৈ

অহাৰ কথা আছে ।"এইবুলি কৈ বৈৰাগীয়ে বিদায় মাগিলে ।

মাজ বাটতে প্ৰদীপে বৈৰাগীক লগ পালে । প্ৰদীপে সেই দেশলৈ অহাৰ কাৰণ বৈৰাগীক ভাঙি পাতি ক'লে । বৈৰাগীয়েই মহাৰাণীৰ অৱস্থাৰ কথা কৈ প্ৰদীপক ৰাজসভালৈ যাবলৈ পৰামৰ্শ দিলে ।

ৰাজধানীত প্ৰদীপে ৰজাক লগ ধৰিলে । বৈৰাগীয়ে কোৱা মতেই তেওঁ মহাৰাণীৰ চিকিৎসা কৰিলে । পিছত তেওঁ একুৰা জুই জলাই তামৰ মুদ্ৰা দিয়া চন্দুকটো তাত ভৰাই দিলে । অলপ সময়ৰ পাছতে মহাৰাণী আৰোগ্য হ'ল । ৰজাই অতি আনন্দিত হৈ প্ৰদীপক ক'লে, "কোৱা, তোমাক কি লাগে? যিহকে বিচৰা মই তাকে দিবলৈ সাজু আছো।"

তেতিয়া প্ৰদীপে ক'লে, "মহাৰাজ, মই পৰিশ্ৰম কৰি কৰা আৰ্জনেৰে জীয়াই থাকিব খোজো । মোৰ আন কোনো ইচ্ছা নাই । এই তামৰ মুদ্ৰাবোৰৰ বাবেই মই তেনে এটা জীৱনৰপৰা বঞ্চিত হৈছো । সেয়েহে মই চন্দুকটোৰেই জুইত ভৰাই দিলো ।

প্ৰদীপৰ কথা শুনি ৰজা স্তব্ধ হৈ গ'ল । তেওঁৰ হাতত ধৰি ৰজাই ক'লে, "তোমাৰ দৰে পৰোপকাৰী, নিস্বাৰ্থ, সৎপুৰুষ মই আজিলৈকে দেখা নাই । তোমাৰ দৰে সুযোগ্য ব্যক্তি যদি কোনো নগৰৰ অধিপতি হয় তেন্তে তাৰ প্ৰজাসকলৰ বাবে এইটো পৰম সৌভাগ্যৰ কথা হ'ব । তুমি যিখন নগৰত আছিলা, তোমাক মই সেইখন নগৰৰে অধিপতি নিযুক্ত কৰিলো ।"

এইদৰে অধিকাৰী হৈ প্ৰদীপ সেইখন নগৰলৈ আহিল যিখন নগৰৰ লোকসকলে তেওঁক জানিছিল তামৰ মুদ্ৰাৰ গৰাকী বুলি । প্ৰসেনজিতক লগ ধৰি তেওঁ কৃতজ্ঞতা নিবেদন কৰিলে, কিয়নো প্ৰসেনজিতৰ বাবেই প্ৰদীপে নিজৰ সৌভাগ্যৰ দুৱাৰ মুকলি হ'ল বুলি ভাবিছিল । তেতিয়া প্ৰসেনজিতে ক'লে, "মই নিজেই তোমাৰ ওচৰত কৃতজ্ঞ। মই ভাগ্যৱান হোৱাৰ আঁৰত আছিল তোমাৰ উদাৰতা আৰু তুমি ভাগ্যৱান হোৱাৰ আঁৰত আছে তোমাৰ সদগুণ । মই ভাবিছিলো ধনেৰেই মই সকলোখিনি পাব পাৰিম । এতিয়াহে মই বুজিছো যে মোৰ এই ধাৰণা ভুল আছিল । তুমি প্ৰমাণ কৰি দেখুৱালা যে সদগুণ, পৰোপকাৰ আৰু বুদ্ধিৰহে সকলো পাব পাৰি । তুমি মোৰ চকু খুলি দিলা । আজিৰেপৰা মইয়ো তোমাৰ দৰে এটা জীৱন কটাবলৈ চেষ্টা কৰিম ।





কোটিপতি

কাশীত এজন বৈশ্য বাস কৰিছিল । বেপাৰ কৰি তেওঁ কোটি টকা উপাৰ্জন কৰিছিল । তেওঁ নতুন কুবেৰ নামে বিখ্যাত হৈ উঠিছিল। তেওঁৰ বহুতো ল'ৰা-ছোৱালী আছিল । জোঁৱায়েক সকলকো তেওঁ নিজৰ ঘৰতে ৰাখি লৈছিল । আৰু কাম শিকাইছিল । এইদৰে তেওঁ নিজৰ ব্যৱসায় বঢ়াই নিছিল । বন্ধু-বান্ধৱৰ মাজত তেওঁ মহা সুখেৰে দিন কটাইছিল ।

কিন্তু ঘৰৰ বাহিৰত এইজন কুবেৰ অত্যন্ত লোভী আছিল । দান-ধৰ্ম, মঠ-মন্দিৰ বা দেৱ-দেৱীৰ নামত তেওঁ ফুটা-কড়ি এটাও খৰচ কৰা নাছিল ।

এদিন এজন বৈৰাগী কুবেৰৰ ঘৰলৈ আহিল । বৈৰাগীয়ে কুবেৰক এটা সময়ৰ বাবে ভোজন বিচাৰিলে । কুবেৰে গুজৰি গুমৰি ক'লে, "হেৰ, চোৰ কৰবাৰ । ইয়াত মৰিবলৈনো তই ক'ৰপৰা আহিলি ?"

"মই যদি চোৰেই হওঁ, তোমাৰ ওচৰত ভিক্ষা খুজি জানো আহিলোহেঁতেন ?" বৈৰাগীয়ে সুধিলে ।

দুয়োজনৰ মাজত এইদৰে কথা কটা-কটি চলি থাকিল । বৈৰাগীয়ে কুবেৰৰ বহুমূলীয়া সময় মিছাতে খৰচ কৰোৱাই আছে বুলি ভাবি কুবেৰে কেইজনমান লগুৱাক মাতি আনি বৈৰাগীক বাহিৰ কৰি দিয়ালে । এনেকৈ বাহিৰ কৰি দিয়াৰ পিছতো বৈৰাগীয়ে জেদ ধৰি ক'লে যে যেতিয়ালৈকে তেওঁ খোৱা-বোৱাৰ ব্যৱস্থা কৰা নহয় তেতিয়ালৈকে তেওঁ তাতে বহি থাকিব । আবেলিলৈকে কুবেৰৰ ঘৰৰ সমুখত বৈৰাগী বহি ৰ'ল ।

"লাগিলে তুমি ইয়াত মৰিয়েই থাকা, তথাপি মই তোমাক একো নিদোঁ । যিমান সময় বহিব খুজিছা বহা ।" কুবেৰে ক'লে । বৈৰাগী তিনি দিন, তিনি ৰাতি সেই ঠাইতে বহি ৰ'ল । কুবেৰক তেওঁৰ আত্মীয়সকলে ক'লে, কিবা এটা নিদিলে বৈৰাগীয়ে শাপো দিব পাৰে । কিন্তু কুবেৰে ভয় নাখালে । তেওঁ ঘৰৰ দুৱাৰ বন্ধ কৰি এখন দুৱাৰে দি ওলোৱা-সোমোৱা কৰিবলৈ ধৰে । কেইদিনমানৰ পাছত তেওঁ দেখিলে যে বৈৰাগী ক'ৰবালৈ গুচি গৈছে । কুবেৰৰ এটা ডাঙৰ বিপদৰপৰা পৰিত্ৰান পোৱা যেন লাগিল । নিজৰ বিজয়ত তেওঁ গৰ্বিত হ'ল । তেওঁ ভাবিলে

লক্ষ্মীনাৰায়ণ

যে বুদ্ধিৰে তেওঁ এটা ডাঙৰ বিপদৰপৰা সকাহ পাইছে । দুৱাৰ খিৰিকীবোৰ তেওঁ খোলাই দিয়ালে । দেখিলে, বৈৰাগী আকৌ সেই ঠাইতে বহি আছে ।

"এই বৈৰাগীয়ে দেখিছো মোৰ পিছত শনি লগাদি লাগিছে । যাচোন সুধি আহগৈ, এইবাৰ কিয় আহিছে?" কুবেৰে এজন মানুহক পঠিয়ালে ।

"মই তোমাৰপৰা কিবা এটা বিচাৰি আহিছো, তোমাৰ লগত দু আষাৰ কথা পাতিব লগীয়া আছে ।" বৈৰাগীয়ে কুবেৰলৈ বাৰ্ত্তা পঠিয়ালে ।

কুবেৰেও কৈ পঠিয়ালে যে ছমাহলৈকে তোমাক লগ পাবলৈ মোৰ সময় নাই । বৈৰাগী গুচি গ'ল আৰু ঠিক ছমাহৰ পিছত আহিল । এইবাৰো কুবেৰে বৈৰাগীক খেদাই পঠিয়ালে । বৈৰাগীক যেতিয়াই মাতি পঠিওৱা হৈছিল, তেতিয়াই তেওঁ আহিছিল । এইদৰে এবছৰ পাৰ হ'ল । বৈৰাগীৰ কথা শুনিবই লাগিব বুলি এদিন অতীষ্ঠ হৈ কুবেৰে বৈৰাগীক মাতি পঠিয়ালে ।

"মই যোৱা এবছৰ ধৰি দেখি আহিছো । মায়াৰ বাবে, পত্নী-পুত্ৰ-বধুৰ প্ৰতি মোহৰ বাবে, তোমাৰ চকু অন্ধকাৰে ঢাকি দিছে । চকু মেলি সত্যক চাবলৈ প্ৰয়াস কৰা ।" বৈৰাগীয়ে ক'লে ।

"আত্মীয়-কুটুম্বক ত্যাগ কৰাৰ উপদেশ দিবলৈকে তুমি ইমান দিনৰেপৰা ইয়ালৈ আহি আছা ?" কুবেৰে সুধিলে ।

"এইবোৰৰ এজনো তোমাৰ আত্মীয় নহয় । যেতিয়ালৈকে তুমি উপাৰ্জন কৰি থাকিবা, তেতিয়ালৈকে এওঁলোক তোমাৰ লগত থাকিব । ইয়াৰ পাছত তুমি জীয়াই আছা নে মৰিলা কোনেও তাৰ খবৰ নাৰাখে।

তুমি বিচাৰিলে, মই এই কথাটো প্ৰমাণো কৰি দিব পাৰো ।" বৈৰাগীয়ে ক'লে ।

বৈশ্যও পৰীক্ষাটো কৰি চাবলৈ সন্মত হ'ল । বৈৰাগীয়ে তেওঁক দুটামান উপদেশ দি গৈছিল ।

কেইদিনমানৰ পাছত কুবেৰে এদিন হঠাতে বেমাৰৰ ভাও ধৰিলে । তেওঁ নিজৰ পত্নীক ক'লে, "দেখিছো, মৃত্যু ওচৰ চাপিছে। ইমান দিন জীয়াই থাকিও একো পুণ্য কৰিব নোৱাৰিলো । এই মৃত্যু যদিহে এবছৰৰ পিছত আহিল হয়, তেন্তে কিমান ভাল লাগিল হেঁতেন ।" এইবুলি কৈয়েই তেওঁ মূৰ্চ্ছা যোৱাৰ দৰে হ'ল। কুবেৰৰ পত্নীয়ে ভয় খালে । তেওঁ বৈদ্যক মাতি পঠিয়ালে, কিন্তু ৰোগটোনো কি বৈদ্যয়ো ক'ব নোৱাৰিলে । তেওঁ গুচি গ'ল । বৈৰাগীয়ে কোৱা মতে কুবেৰে নিজৰ উশাহ-নিশাহ বন্ধ কৰি দিলে।

তেওঁৰ ঘৰত প্ৰায় দুশ মানুহে খাবলৈ

পাইছিল। এই গোটেইবোৰ মানুহ আহি কুবেৰৰ চাৰিওফালে বহি লৈ কন্দা কটা কৰিবলৈ ধৰিলে। দুই এজনে ক'লে, ডাঙৰ ডাঙৰ মানুহো আনকি মৃত্যুৰপৰা বাচি থাকিব নোৱাৰে।"

ঠিক তেনেকুৱা সময়তে বৈৰাগী তালৈ আহিল। তেওঁ এটা লোটাত অলপ পাখীৰ লৈ আহিছিল আৰু সকলোকে মনে মনে থাকিবলৈ ইংগিত দি তেওঁ ক'লে, "যদি তোমালোকৰ মাজৰে কোনোবাই, এওঁক জীয়াই দিব খুজিছ, তেন্তে কোৱা। মই এটা ঔষধ আনিছো।"

কুবেৰৰ পত্নী আদিয়ে বৈৰাগীৰ চৰণত ধৰি ক'লে, "ৰক্ষা কৰক। আপুনি যিহকে বিচাৰে দিম। এই ঔষধ দি মানুহজনক জীয়াই তোলিক।"

এই কথা শুনি বৈৰাগীয়ে ক'লে, "মৃত্যু যাৰ সন্নিকট তাক কোনো ঔষধে সহায় কৰিব নোৱাৰে। তোমালোকৰ কোনোবাই যদি এই ঔষধ পান কৰিব পাৰা, তেন্তে তেওঁৰ থিতাতে মৃত্যু ঘটিব। তেওঁৰ বৈ যোৱা বয়সৰ কাৰণে এই মৃত্যু মানুহজন বহুত দিনলৈকে জীয়াই থাকিব পাৰিব। যিজনেই এঁওক নিজৰ আয়ুসৰ দুটামান বছৰ কুবেৰক দিবলৈ সাজু আছে, তেওঁ আহি এই ঔষধ পান কৰিব পাৰে।"

সকলো নিমাতে থাকিল। মৌনতাৰে এজনে আনজনৰ মুখলৈ চালে। অলপ সময় ৰোৱাৰ পিছত বৈৰাগীয়ে সুধিলে, "কোনেও এঁওৰ কাৰণে নিজৰ প্ৰাণত্যাগ কৰিব নোখোজা নেকি?" কোনো উত্তৰ নাহিল।

"কি আচৰিত কথা! এই মানুহজনে তোমালোক আটাইৰে হিতৰ কাৰণে দিনে-ৰাতিয়ে কাম কৰিছিল। ন্যায়-অন্যায়ৰ মাজেদি ধন গোটোৱাতে গোটেই জীৱনটো তেওঁ কটাই দিলে। আনকি পৰলোকলৈ যাবলৈয়ো তেওঁ কোনো দান পুণ্য নকৰিলে। এতিয়া কোনো এজনেও এঁওৰ বাবে প্ৰাণ দিব নোখোজাটো সচাঁয়ে আচৰিত কথা নহয়নে?" বৈৰাগীয়ে ক'লে।

"স্বামী, এতিয়াহে মোৰ চকু খোল খালে।" এইবুলি কৈ কুবেৰ উঠি বহিল। সকলো আচৰিত হ'ল। কেউফালে স্তব্ধ পৰিবেশ।

ইয়াৰ পিছত কুবেৰে তেওঁৰ অৰ্থহীন বন্ধুবোৰৰ সংগ ত্যাগ কৰিলে। নিজৰ সম্পত্তি তেওঁ দান-ধৰ্ম, দৰিদ্ৰ নাৰায়ণৰ সেৱা, বিদ্যালয় আৰু হস্পিটেল নিৰ্মাণ আৰু অন্য পুণ্য কামত লগালে। নিজৰ বেপাৰৰ কাম পুতেকহঁতৰ হাতত চমজাই দি তেওঁ সত্য আৰু আত্মাৰ সন্ধানত ধ্যানত নিমগ্ন জীৱন কটাবলৈ আৰম্ভ কৰিলে।

RESERVE YOUR COPY NOW!

Junior CHANDAMAMA



Do you want your children to sharpen their faculties by working on puzzles? **Come to Junior Chandamama for loads of puzzles and games.**

Are you looking out for interesting new stories to be read out to the kiddies? **Pick up a copy of Junior Chandamama, and you'll find them.**

Does your child have a taste for colouring and you want to develop the habit? **Junior Chandamama is what you must get for your child.**

Special introductory offer to child-subscribers!
Rs. 100 for 12 issues
(instead of Rs. 120)
Offer closes on June 30, 2003.

PAGE AFTER PAGE WILL KINDLE YOUR CHILD'S IMAGINATION

ISSUE AFTER ISSUE, MONTH AFTER MONTH

SUBSCRIPTION FORM

Please enrol me as a subscriber of Junior Chandamama. I give below the required particulars:

Name : .... Address : ....

.... PIN Code : ....

I am remitting the amount of Rs.100/- (Discounted rate - till June 30, 2003) for 12 issues by Money Order/Demand Draft/Cheque No .... on .... Bank .... branch drawn in favour of Chandamama India Ltd., encashabale at Chennai (outstation cheque to include Rs.25/- towards Bank Commission).

Place : ....

Date : ....

Signature


চান্দমামাৰ প্ৰস্তুতি
25
অজেয় গৰুড়
চিত্ৰ: মহেশ
সৰ্পদেশত, তান্ত্ৰিক নাগবক্ষুৰ আদেশ অনুসাৰে, নৰেন্দ্ৰদেৱৰ আদিত্যক বন্দী কৰিবলৈ চন্দ্ৰপুৰী অভিমুখে ৰাওনা হয়।তেওঁৰ নাৱখন ডুবি যায় আৰু তেওঁ তথা আদিবাসীৰ নেতাৰ ওপৰত ঘৰিয়ালে আক্ৰমণ কৰে। আদিবাসীৰ নেতাই প্ৰাণ হেৰুৱায় আৰু কমাণ্ডাৰে ভৰিদুখন হেৰুৱায়। আগৰেপৰা সৰ্পদেশত থকা আদিত্যই গুহাত সফলতাৰে প্ৰৱেশ কৰে, য'ত তেওঁৰ অংগৰক্ষকে তান্ত্ৰিকৰ সকলো শিষ্যক বন্দী কৰে। তান্ত্ৰিকে তেওঁৰ শিষ্যসকলক মাতে যদিও কোনো উত্তৰ নাপায়।
যেতিয়া আদিত্য গুহাৰ অভ্যন্তৰলৈ গৈ থাকে তেতিয়া তেওঁ বাহিৰলৈ আহি থকা তান্ত্ৰিকক দেখা পায়। তান্ত্ৰিকৰ পিছে পিছে আহে ৰবীন্দ্ৰদেৱ আৰু আপ্ত পুৰুষ।
এতিয়া তান্ত্ৰিকৰ দৃষ্টিৰপৰা মোক বচাই ৰাখিব লাগিব।
আদিত্যই তান্ত্ৰিকৰ মুখামুখি হোৱাৰ আগতে এটা ৰণনীতি যুগুতাই লয়।
কেৱল ৰবীন্দ্ৰদেৱক গ্ৰেপ্তাৰ কৰা। তান্ত্ৰিকৰ লগত মোৰ পিছত দেখা হ'ব।
আচৰিত কথা, ইয়াত দেখোন কাকোৱেই নাই।
ইহঁত গোটেইমখা আদিত্যক চাবলৈ গ'ল কিজানি।
হয়, মহাশয়, তাকেই কৰা হ'ব।
তান্ত্ৰিকে এই দৃশ্য দেখি আচৰিত হ'ল যে য'ত অগ্নিকুণ্ড প্ৰজ্বলিত কৰা হৈছিল সেই মুকলি পথাৰ অভিমুখে এটা বিচিত্ৰ প্ৰভামণ্ডল আগবাঢ়ি আহিছে।
আদিত্যৰ আদেশ অনুসাৰে কেইজনমান আদিবাসী যুৱকে তেওঁক বন্দী কৰে।
এতিয়া মোক অগ্নিকুণ্ড অভিমুখে লৈ ব'লা।
এটা অসাধাৰণ প্ৰভা মণ্ডল! কি এইটো এটা শুভ লক্ষণ নহয়?



তান্ত্রিকে তেওঁৰ শিষ্যসকলক আকৌ মাতে ।
ইহঁত গোটেইমখানো ক'ত মৰিলগৈ ?
এইয়া কি ? ইয়াত সৈনিক ?
আদিত্যৰ অংগৰক্ষকে ৰবীন্দ্রদেৱ তথা আপ্ত পুৰুষক ঘেৰি লয় । আপ্ত পুৰুষ এই ঘটনা দেখি সচকিত হয় ।
তোমালোকে জানানে মই কোন? এতিয়াই যোবা ইয়াৰপৰা !
তুমি কোন ? কি লাগে তোমাক ?
আপুনি আমাৰ লগতে যাব লাগিব, বুইছেনে মহানুভৱ !

নাগবন্ধু আৰু আদিত্য প্ৰথমবাৰলৈ মুখামুখি হয় ।
তুমিয়েই আদিত্য ?
হয়, মইয়েই আদিত্য, যাক তুমি বিচাৰি ফুৰিছা ।
অৱশেষত !...
তান্ত্ৰিক মুঠেই আচৰিত নহ'ল । তেওঁ এনে ভাব দেখুৱালে তেওঁ যেন আদিত্যৰ অপেক্ষাতেই আছিল ।
মইয়ো এই দিনটোৰেই প্ৰতীক্ষাত আছিলো ।
এইয়াতো আৰম্ভণিহে মাত্ৰ । মই তোমাক সতৰ্ক কৰি দিছো । সাৱধানে থাকিবা ।
এতিয়া কি হ'ব ?
হঠাতে তান্ত্ৰিকে এক ভয়ানক আকৃতি ধাৰণ কৰিলে । তেওঁ মুখেৰে জুই ওলাই থকা তিনিমূৰীয়া এটা ভয়ংকৰ সাপলৈ ৰূপান্তৰিত হয় ।
আদিত্য !!!
আদিত্য !!!
আদিত্য !!!
তোমাৰ অন্তিম সময় উপস্থিত হৈছে আদিত্য !

আদিত্যৰ পাগুৰীৰ ভিতৰত থকা চৰাইটোৱে বিশাল ডেউকাৰ সৈতে এটা ভয়ানক পখীৰ ৰূপ ধাৰণ কৰে ।
আদিবাসী আৰু অংগৰক্ষকে ভয়াতুৰ হৈ এই দৃশ্য প্ৰত্যক্ষ কৰে, আনহাতে জ্যোৰ্তিময় গৰুড় আৰু ভয়ংকৰ সাপটোৰ থৈয়ানথৈয়া ৰণ আৰম্ভ হয় ।
পৰিণামত দুয়োটা প্ৰাণীয়েই ভয়ানক যুদ্ধত লিপ্ত হয় । গৰুড়ই সাপটোক নিজৰ ভৰিৰ হাতোৰাত বন্দী কৰিবলৈ সক্ষম হয় । বিশাল ডেউকাৰ প্ৰচণ্ড ঢপঢপনি শুনি...
পক্ষী আকাশলৈ উৰি যায় । গুহা আৰু মন্দিৰৰ ওপৰত ঘূৰি ঘূৰি তললৈ খৰ মাৰি সাপটোক অগ্নিকুণ্ডত নিক্ষেপ কৰে । এনেহে লাগিছিল যেন পক্ষী ক্ৰোধত অগ্নিশৰ্মা হৈছে ।
ক্ৰমশঃ



চিন্ময়ীয়ে ৰঙালাওৰ ৰথখনত উঠি ফুৰিম বুলি ওলাই আহিছে। কেইটামান জন্তুৱে তাইক জুমি জুমি চাইছে। জন্তুবোৰ তুমি বাৰু চিনি পাইছানে ?

মুন্নীয়ে আইনাত চাই চাই ডুলি আছে। কিন্তু দুয়োখন ছবিতে আঠটা পাৰ্থক্য আছে। ইয়াৰে কেইটা তুমি বিচাৰি উলিয়াব পাৰিছা ?

মুন্নীয়ে আৰু এটা সপোন দেখিছে। ৰিংকু এন্দুৰে ভাবি আছে ইয়াতনো কি ঘটিছে। সপোনৰ বাটটো বিচাৰি উলিয়াবলৈ তাইক সহায় কৰাচোন।

(উত্তৰ ৬৬ পৃষ্ঠাত)

সপোন কুঁৱৰী মুন্নীয়ে অকণমানি জালকুঁৱৰী হোৱাৰ সপোন দেখিছে। তাইৰ সপোন ৰঙেৰে সজাই দিঠকত পৰিণত কৰো আঁহা।

ফটো নামকৰণ প্ৰতিযোগিতা

Soura

Mahantesh C. Morabad

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হ'ব!

অভিনন্দন

এপ্ৰিল সংখ্যাৰ পুৰস্কাৰ বিজেতা

বোহন বৰুৱা
মাৰফৎ ডা. ৰাজীৱ বৰুৱা
পূব বঙালপুখুৰী
যোৰহাট - ৭৮৫ ০০১, অসম

বিজয়ী বাক্য

মই থাকো পঢ়ি, তুমি থাকা খেলি।
পঢ়ি উঠি কম মই পুতলাৰ কাহিনী ॥

খেলিমেলি ধেমালিৰ উত্তৰ
৬৪-৬৫ পৃষ্ঠা

চিন্ময়িক জুমি চাইছে কেৰ্কেটুৱা, শিয়াল, গৰু, হৰিনা, উট, ভালুক, জলহস্তী, আৰু ঘোঁৰাই।

আঠটা পাৰ্থক্য হ'ল মুন্নীৰ কাণফুলি, মুন্নীৰ হেয়াৰ বেণ্ড, গছৰ ডাল, ওপৰৰ চৰাইটোৰ পাখি, সাপৰ নেজ, সাপৰ গাত থকা দাগবোৰ, হেৰুৱা ডাৱৰ, তলৰ চৰাইটোৰ পাখিৰ সংখ্যা।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam


Good news for young bookworms!
Hiya! What has hit the animal world?
Listen hard and look keenly.
D'you hear the jingle of the jungle?
JUNGLE JINGLES
JUNGLE JINGLES
The Great Escape
and other stories
JUNGLE JINGLES
The Donkey's Downfall
and other stories
JUNGLE JINGLES
The Cunning Pelican
and other stories
Hurry, grab a copy from your nearest bookstore, now!
A set of five story books with the whackiest and most interesting collection of animal stories ever written.
From
CHANDAMAMA and Popular Prakashan
NOW AVAILABLE

CHANDAMAMA (Assamese) **JUNE 2003**
Regd. with Registrar of Newspaper for India No. 30278/76

Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05